# Assam Legislative Assembly Debates

सत्यमेव जयते

REFERENCE
(Not for Issue)
Reading Only Inside Library

1987

## OFFICIL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. III

### NO. 10

The 6th March, 1979

*Geetali Art Press, Dispur, G. S. Road, Guwahati—781 022*

REFERENCE
(Not for Issue)
Reading Only Inside Library

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1979

**( Budget Session )**

**Volume— III**

**No— 10**

**Dated the 6th March, 1979.**

## CONTENTS.


| | | Pagse |
|---|---|---|
| 1. | Questions ... ... ... ... ... | 5—38 |
| 2. | Discussion on the Supplementary. Statement of Expenditure Charged on the Consolidated Fund of the Stale For 1978-79. ... ... ... ... | 38—43 |
| 3. | Voting on Supplementary Demands for Grants for 1978-79. ... ... ... | 43—139 |
| 4. | The Assam Appropriation ( No. 1 ) Bill, 1979. ... ... ... | 139—175 |
| 5. | Adjournment ... ... ... ... | 175 |

Proceedings of the Third Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

—

The House met in the Assembly Chamber, Dispur, Gauhati on Tuesday, the 6th March, 1979 with the Hon. Speaker in the Chair, 11 ( eleven ) Ministers, 4 ( four ) Ministers of State, 4 ( four ) Parliamentary Secretaries and 71 ( seventyone) Members present.

—

## STARRED

## QUESTIONS AND ANSWERS

Date : 6th March, 1979.

( To which oral answers were given )

———

Shri Altaf Hossain Majumdar :— Today has been fixed to answer the question I put. Milk is vital for the people and specially for the children. So, I would

request whether it would be possible to give sufficient time to receive answers from the Minister. May I put the specific question to the Minister ? Will the Minister be pleased to answer how many dairy farms are there ? What was the quantity of the milk handled during the year ending 1978-79 ?

Shri Samar Barhma Choudhury, (Minister) :— Mr. Speaker Sir, on 2nd March, 1979 during question hour a feeling was generated in the House in regard to Starred Question No. 82 that the Minister in-charge was attempting to suppress the information from the House. But it is not my intention.

শ্ৰীনগেন বৰুৱা :— অধ্যক্ষ মহোদয়, এইটো কুৱেশ্চন আৱাৰ মন্ত্ৰী মহোদয়ে ষ্টেটমেণ্ট দিব বিছাৰিছে । এই প্ৰশ্নটোৰ সম্পৰ্কত তেখেতে বিবৃতি দিব যদি খুজিছে সেইটো বেলেগ কথা, কিন্তু কুৱেশ্চন আৱাৰত বিবৃতি দিব পাৰেনে যোৱাৰে সেইটো আপোনাৰ বিবেচনাৰ কথা ।

Shri Altaf Hossain Mazumdar :— The Minister made statement on various questions. I put some specific questions. Let him answer these.

Mr. Speaker :— yes, your question will be answered.

Shri Samar Brahma Choudhuri, (Minister) :— The Hon'ble Member said that milk is of vital importance. So, he wanted enough time. Since some misunder-

standing was in the mind of the Hon'ble Member, I wanted just to clarify points.

Shri Golak Rajbanshi :— This is the specific question:

Shri Altaf Hossain Mazumdar :— The Minister was unprepared. I asked him the specific question.

Mr. Speaker :— Let him reply.

Shri Samar Brahma Choudhury (Minister) :— Some misunderstanding was in the mind of the Hon'ble Member and your Honour was pleased to give the ruling on this question and allowed him enough time to get answers to this question. I would like, therefore, to link the question under 82 (ক) and the answer therefore. The replies to questions under (ক) and (খ) have removed the misunderstanding.

Shri Altaf Hossain Mazumdar :— It is not specific.

Shri Samar Brahma Choudhury, (Minister) :— The impression was how many departmental dairy farms are there in Assam. My reply was in that line and in the negative. I state here against that there is no departmental dairy farm. There are livestock farms. I answered on the previous

occasion that there are livestock farms, there are milk supply schemes and there are also the Town Milk supply schemes. There are no dairy farms. As regards, private dairy farms, we do not have the system of registration of private dairy farms. So, the Government have no record as regards the private farms. There are innumerable private milk producers, and it is not possible on the part of the Department to inform the Hon'ble House about the number of private producers. If the Hon'ble Member wants information on this, he may kindly put a separate question. We will definitely inform the House about the Milk supply Scheme.

Shri Altaf Hossain Mazumdar :— Mr Speaker Sir, with all humility, I would like to bring to your kind attention the question relating to milk supply which is of vital importance. We have the right to put questions and the Minister has under convention to answer this. I put the question again whether the Government have the milk supply schemes and if so, what are the schemes ? what are the quantity of the milk handled during the year ending 1978-79 and how muce increase has been achieved right now ?

Shri Samar Brahma Choudhury ( Minister ) :— I do not say that the Hon'ble Member has no right to put the question. As regards milk supply, it covers so many aspects. We have got so many Town Milk supply schemes such as Gauhati Town Milk supply scheme, Tezpur Town Milk supply scheme, Jorhat Milk Supply scheme, Dibrugarh Milk Snpply scheme and the Silchar Milk supply scheme.

Shri Altaf Hossain Mazumdar :— My question is what is the quantity handled during 1978-79 ? My next question is how it is handled ?

Shri Samar Brahma Choudhury ( Minister ) :— The question is regarding Dary Farms. If the Hon'ble Member wants the details of the Town Milk Supply, he may put a separate question, I will certainly give the figure.

শ্ৰীমুকুট শৰ্ম্মা ঃ— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছোঁ। গাখীৰ বিতৰনৰ ক্ষেত্ৰত এটা বগা বিপ্লৱ ( হোৱাইট ৰিভলিউচন ) কৰাৰ কথা চৰকাৰে কিবা মনস্থ কৰিছে নেকি বা তাৰ কাৰণে ডায়েৰী ডেভেলাপমেণ্ট কৰ্পোৰেচন কৰিব নেকি ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী ( পশুপালন মন্ত্ৰী ) :— বগা বিপ্লৱৰ কাৰনে ভাৰত চৰকাৰৰ অনুমোদন পোৱা হৈছে। অপাৰেচন হোৱাইট প্ৰগ্ৰেমত

গোৱালপাৰা, কামৰূপ আৰু নগাওঁ এই তিনি জিলা সামৰি লৈ এই আচনি কৰা হব। আৰু তাৰ কাৰনে ভাৰত চৰকাৰে ৮ কোটি টকা দিবৰ কাৰনে সন্মতি জনাইছে। বৰ্ত্তমান প্ৰস্তুতি কাম চলি আছে।

শ্ৰীছৈয়দা আনোৱাৰা টাইমুৰ :— অধ্যক্ষ মহোদয়, সেইদিনা খন অসমত কিমান খন ডেইৰী ফাৰ্ম আছে বুলি সোধা হৈছিল। তাৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছিল যে এই বিভাগৰত তলত কোনো ডেইৰী ফাৰ্ম নাই। আজি তেখেতে কৈছে যে যদিও এই বিভাগৰ তলত নাই অসমত অসংখ্যক প্ৰাইভেট ফাৰ্ম আছে। এই প্ৰাইভেট ডেইৰী ফাৰ্ম বিলাকক ভেটেৰিনাৰী ডিপাৰ্টমেণ্টৰ পৰা ঋণ দিয়া হৈছে নেকী? যদি দিয়া হৈছে কিমান খনক দিয়া হৈছে?

শ্ৰীসমৰ ব্ৰহ্মচোধুৰী ( মন্ত্ৰী ) :— তেনেধৰণৰ ব্যৱস্থা যোৱা বেলি আছিল। পলট্ৰি ফাৰ্মৰ নামত যিসকলক ঋণ দিয়া হৈছে তাৰ তালিকা সদনৰ মেজত ৰখা হৈছে। আৰু যিবিলাক ডেইৰী ফাৰ্মৰ কাৰণে ঋণ দিয়া হৈছে সেই বিলাকৰো লিষ্ট সদনৰ মেজত ৰখা হৈছে।

শ্ৰীনগেন বৰুৱা :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে লাইফ ষ্টক ফাৰ্ম আৰু ডেইৰী ফাৰ্মৰ মাজত পাৰ্থক্য কি? এই প্ৰাৰ্থক্যটো জানিব পাৰিলে এই প্ৰশ্নটো বুজাত সহজ হব।

শ্ৰীসমৰ ব্ৰহ্মচৌধুৰী (মন্ত্ৰী) :— ডেইৰী ফাৰ্ম হ'ল গাখীৰ উৎপাদনৰ কাৰণে ইয়াত দুটা ভাগ আছে। এটা হৈছে ডেইৰী আৰু এটা হৈছে ডেইৰী ফাৰ্ম। ডেইৰীত গাখীৰ জমা কৰি প্ৰোচেচিং কৰি বিভিন্ন আকাৰত বিতৰণ কৰা হয় আৰু ডেইৰী ফাৰ্মত গৰু পুহি গাখীৰ উৎপাদন কৰা হয়। লাইফ ষ্টক ফাৰ্ম হ'ল বিভিন্ন প্ৰাইভেট ফাৰ্মত আৰু বাইজক উন্নত জাতৰ গৰুৰ সচ যোগোৱা হয় আৰু

বিদেশী উন্নত জাতৰ গৰু আনি দেশী গাইৰ লগত সংযোগ কৰি ভাল ভাল গৰু উৎপাদনৰ কাৰণে পৰীক্ষামূলক প্ৰচেষ্টা চলোৱা হৈছে। সংযোগৰ সাধন কৰাৰ পিচত যেতিয়া পোৱালী হব তেতিয়া স্বাভাৱিকতে গাখীৰ পোৱা যায়। ইয়াৰ আচল উদ্দেশ্যটো হৈছে প্ৰজনন। সেইকাৰণে বৰপেটাত ইন্দো-অষ্ট্ৰেলিয়ান লাইফ ষ্টক ফাৰ্ম কৰা হৈছে। তাত যদিও বাই প্ৰডাক্ট হিচাবে গাখীৰ পোৱা গৈছে তথাপিও ইয়াক ডেইৰী ফাৰ্ম বুলি কব নোৱাৰি।

Shri Altaf Hussain Mazumdar :— Mr. Speaker, Sir, I am afraid, the Hon'ble Minister is misleading the House. Sir, here I refer to page 9 of the study of the plan and achievement 1978-79 which was distributed yesterday by the Finance Minister. Your honour may be pleased to lock at page 9 in diary development programme another Milk supply is there. It is said here, one more Town Milk supply scheme will be taken up and this is according to the Finance Ministers.

Shri Samar Brahma Choudhury (Minister) :— Mr. Speaker Sir, I think the Hon'ble Member has missed one very important point and I have never denied that there is a dairy scheme but the question was related to the dairy farm. There is a difference between a dairy and a dairy farm and

unfortunately the Hon'ble Member has missed that very point.

শ্ৰীগোলক ৰাজবংশী :— মই এটা স্পেচিফিক প্ৰশ্ন সুধিব বিচাৰিছো। তেজপুৰত গ্ৰেজিং ডেইৰী ফাৰ্ম বুলি এখন ফাৰ্ম আছে নেকী। দ্বিতীয়তে তেজপুৰৰ নপামত যিখন ডেইৰী ফাৰ্ম আছে সেইখনৰ সম্পৰ্কত যোৱা বিধান সভাৰ অধিবেশনতে মই মন্ত্ৰী মহোদয়ক এটা প্ৰশ্ন দিছিলো।

শ্ৰীসমৰ ব্ৰহ্মচৌধুৰী (মন্ত্ৰী) :— এইখন গ্ৰেজিয়াচ ডেইৰী ফাৰ্ম নহয়, Milk producers সমবায় সমিতিহে।

Shri Golak Rajbanshi :— Whatever may be the name...

Shri Dulal Chandra Barua (Minister) :— Sir, how can he reply to all the questions? A specific question has been asked and the Hon'ble Minister has given explanation to that specific question, and now when the Hon'ble Members ask something else how can the Hon'ble Minister reply to these?

শ্ৰীএ, এন, আক্ৰাম হুচেইন :— অধ্যক্ষ মহোদয়, অসমৰ ভেটেৰিনাৰী এণ্ড এনিমেল হাজবেণ্ডী ডিপাৰ্টমেণ্টত ডেপুটি ডাইৰেক্টৰ নামৰ এটা বিষয়া আছে নেকী?

শ্ৰীসমৰ ব্ৰহ্মচৌধুৰী (মন্ত্ৰী) :— আছে।

শ্ৰীএ, এন, আক্ৰাম হুচেইন :— তেওঁক এনেয়ে বহুৰাই ৰাইজৰ বহুৰাই ধনেৰে দৰমহা দিছে নেকী?

শ্ৰীসমৰ ব্ৰহ্মচৌধুৰী (মন্ত্ৰী) :— তেওঁক এনেয়ে বহুৱাই ৰখা হোৱা নাই।

Starred Question No. 105 was not put, the Member being absent.

বিষয় : নলবাৰী মহকুমাৰ লগত কমলপুৰ আৰু ৰঙিয়াৰ অন্তভূক্তিত অসন্তুষ্টি

শ্ৰীদৈবশক্তি ডেকাই সুধিছে :

* ১০৬। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নলবাৰী মহকুমাৰ লগত কমলপুৰ আৰু ৰঙিয়াৰ ৰাইজ অন্তভূক্ত হবলৈ অসন্মতি হোৱাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, চৰকাৰে উক্ত অঞ্চলটিৰ ব্যৱস্থা কি কৰিব ?

(গ) কামৰূপ জিলাৰ মহকুমা হিচাবে কমলপুৰ বা বাইহাটা চাৰি আলিক বাচনি কৰাৰ স্কুল আছেনে ?

(ঘ) যদি আছে, কেতিয়া কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

১০৬। (ক)— উক্ত অঞ্চলৰ জনসাধাৰণৰ পৰা পোৱা স্মাৰক পত্ৰসমূহৰ পৰা এই কথা জানিব পৰা হৈছে।

(খ)— বিবেচনাধীন হৈ আছে।

(গ)— প্ৰস্তাবিত কামৰূপ জিলাৰ মহকুমা গঠন কৰাৰ বিষয়ে চৰকাৰে বৰ্ত্তমান ভৱা নাই।

(ঘ) (গ)— প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্নৰ উত্তৰ নুঠে।

Re : Construction of a bundh from Lengtisinga to Mererchar

Shri Rabindra Nath Choudhury asked :

* 107. Will the Minister, Flood Control be pleased to state—

(a) Whether there is any proposal for construction of bundh from Lengtisinga to Mererchar under Abhoyapuri P. S. ?

(b) If so, whether the construction of the said bundh will be started during the current financial year ?

Shri Ramesh Mohan Kouli ( Minister, Flood Control ) replied :

107. (a)— yes.

(b)— No.

বিষয় ঃ গ্ৰাম্য অঞ্চলত খোৱা পানী যোগান আঁচনি

শ্ৰীনৰেন্দ্ৰ নাথ দত্তই সুধিছে ঃ

* ১০৮। মাননীয় স্বাস্থ্য বিভাগৰ বাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) খোৱা পানীৰ ব্যৱস্থা নথকা কিমান গাওঁ ৰাজ্যখনত আছে ?

(খ) এই গাওঁবোৰত খোৱা পানীৰ যোগান ধৰাৰ কি আঁচনি হাতত লোৱা হৈছে ?

(গ) অহা বিত্তীয় বছৰত সকলো গাওঁতে খোৱা পানীৰ ব্যৱস্থা কৰি চৰকাৰৰ বিঘোষিত নীতিকাৰ্য্যত পৰিণত কৰিবনে ?

ডাঃ কোষেশ্বৰ বৰা ( স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

১০৮। (ক)— এতিয়ালৈকে বিভাগীয় জৰীপ মতে ২১,৯৯৫ খন গাওঁৰ ভিতৰত ২০,১০৯ খন গাওঁত চৰকাৰৰ পৰা খোৱা পানীৰ যোগান ব্যৱস্থা নাই।

(খ)— ১৮৮৬ খন গাওঁত ইতিপূৰ্ব্বে পানী যোগানৰ ব্যৱস্থা কৰা হৈছে। ২৪৩৮ খন গাওঁত "নিম্নতম চাহিদা আঁচনি" ( Minimum Need Programme ) আৰু "খৰতকীয়া গ্ৰাম্য পানী যোগান আঁচনি (Accelerated Rural Water Supply Scheme)" ৰ জৰিয়তে বছেৰেকীয়া পুঁজি সাপেক্ষে আঁচনি লোৱা হৈছে।

(গ)— অহা বিত্তীয় বছৰত পাইপ, পানী যোগান, হেন্দচ টিউবেল

আৰু কুৱাৰ জৰিয়তে অসমৰ ৫৯২ খন গাওঁত পানী যোগান ব্যৱস্থা লোৱা হৈছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— যোৱা বছৰ পাব্লিক হেলথ ডিপাৰমেণ্টৰ জৰিয়তে কিমান কুৱা আৰু কিমান পাইপ অসমৰ বিভিন্ন গাৱত বহুৱাইছে হিচাপ দিবনে ?

ডাঃ কোযেশ্বৰ বৰা (মন্ত্ৰী) :— যোৱা বছৰৰ হিচাপ দিটেইলছ মোৰ লগত নাই। এতিয়ালৈকে কিমান হৈছে সেইটো দিব পৰা হৈছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— এতিয়ালৈকে কিমান হৈছে সেইটো দিবনে ? এই কথা সচানে যে পানী যোগানৰ আঁচনি কাৰণে বহু টকা ধৰা হৈছে। যোৱা বছৰ কিমান টকা চাৰান্দাৰ কৰা হৈছে, এইবাৰো বহু টকা চাৰান্দাৰ কৰাৰ উপক্ৰম কৰা হৈছে নেকি ?

ডাঃ কোযেশ্বৰ বৰা (মন্ত্ৰী) :— যোৱা বছৰ চাৰান্দাৰ কৰা হৈছে এই বছৰ যাতে আমি সম্পূৰ্ণ খৰচ কৰিব পাৰো তাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে আৰু যদি ইতিমধ্যে মেটেৰিয়েলচ আহি নেপায় তেতিয়াহলে অলপ টকা চাৰান্দাৰ হব পাৰে।

শ্ৰীনৰেন দত্ত :— ১৯৭৯-৮০ চনৰ ভিতৰত ৫০০ খন গাৱত ২·৬৬ লাখ টকাৰে পাইপত ওৱাটাৰ চাপলাই টিউবৱেল আৰু ৰিং ওৱেলৰ যোগেদি পানী যোগান ধৰিবলৈ আঁচনি প্ৰস্তুত কৰা হৈছে। ইয়াত ২ কোটি ৯৮ লাখ টকা ধাৰ্য্য কৰা হৈছে। আৰু পাহাৰ অঞ্চলত ৫০ খন গাৱত পানী যোগানৰ কাৰণে ৯ লাখ ২ হেজাৰ টকা ধাৰ্য্য কৰা হৈছে। এই ধাৰ্য্য কৰা টকা বিলাকৰ ভিতৰত পাহাৰ অঞ্চলত কিমান টিউব ওৱেল কিমান ৰিং ওৱেল আৰু

কিমান পাইপ ওৱাটাৰ চাপলাই কাম সম্পূৰ্ণ কৰা হল। এইটো কথা মন্ত্ৰী মহোদয়ে জনাবনে ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী):— ১৯৭৬ চনৰ পৰা বৰ্ত্তমানলৈকে জিলা অনুপাতে কিমান আঁচনি লোৱা হৈছে সেইটো অত তত সিচঁৰিত হৈ আছে। ১৯৭৮ চনৰ বহুখিনি পাইপ ওৱাটাৰ চাপলাই বিং ওৱেল, টিউবওৱেলৰ কাম সম্পূৰ্ণ হোৱা নাই। কিন্তু চিমেণ্ট ইত্যাদি মেটেৰিয়েলচ আদি নোহোৱা কাৰণে বহুখিনি কাম সম্পূৰ্ণ হৈ উঠা নাই। অৱশ্যে কিছুমান ঠাইত সম্পূৰ্ণ হৈ আছে।

শ্ৰীবীৰেণ চৌধুৰী :— চিমেণ্টৰ অসুবিধাৰ কাৰণে বিং ওৱেলৰ কাম সম্পূৰ্ণ হোৱা নাই বুলি কৈছে। কিন্তু টিউব ওৱেলৰ কাম কিমান হৈছে ? সেই বিষয়ে মন্ত্ৰী মহোদয়ে জনাবনে ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— সেই হিচাব আছে। কিন্তু এতিয়া দিব পৰা নহব।

শ্ৰীদেবানন্দ বৰা :— আমাৰ ইয়াত যিটো খৰাং অৱস্থা হৈছে এই বিষয়ে চিন্তা কৰি এটা খৰতকীয়া ব্যৱস্থাৰে কাম কৰিবলৈ চেষ্টা কৰিবনে ? যিহেতু আজি গোটেই অসমত খোৱা পানী হাঁহাকাৰ অৱস্থা হৈছে।

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী):— এই বছৰটোত এই মাহ কেইটাত খৰাং হোৱা কাৰণে কাছাৰ আৰু যোৰহাটৰ পৰা খবৰ আহিছে। তাত টিউব ওৱেলৰ ব্যৱস্থা খৰতকীয়া কৰি পানী যোগানৰ ব্যৱস্থা কৰা হৈছে যদিও সেই আঁচনি এতিয়াও কাৰ্য্যকৰী হোৱা নাই।

শ্ৰীবিপিন হাজৰিকা :— অধ্যক্ষ মহোদয়, গোটেই বছৰত ১০ টা টিউব ওৱেল দিবৰ কাৰণে কিছু দিনৰ আগতে আমাৰ মাননীয় সদস্য সকললৈ এখন জাননী দিয়া হৈছিল কিন্তু টঙানী পানী যোগানৰ আঁচনিৰ সকলো খিনি কাম সম্পূৰ্ণ হৈ আছে। কিন্তু সেইপানী যোগানৰ আঁচনি কিয় কাৰ্য্যকৰী হোৱা নাই। অথচ তাত থকা পাইপ বিলাক মামৰে ধৰি গৈছে। ইমান খিনি হৈ উঠা স্বত্তেও কামখিনি কিয় হৈ উঠা নাই?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— এই পানী যোগানখন স্থায়ী ভাৱে কাৰ্য্যকৰী কৰিবৰ কাৰণে প্ৰত্যেক জিলা আৰু মহকুমাত মাননীয় সদস্য সকলক লৈ কমিটি কৰি এখন আঁচনি কৰিবলৈ দিয়া হৈছে। এই কমিটি খন নবহা কাৰণে আমি খৰতকীয়া ভাৱে বিত্তীয় বছৰত ১০ টাকৈ ৰিং ওৱেল বহুৱাবৰ কাৰণে মাননীয় সদস্য সকলক নাম দিবলৈ কোৱা হৈছিল আৰু ইতিমধ্যে কিছু সংখ্যকে নাম দিছে। আৰু সেইমতে সেই কাম বিলাক কাৰ্য্যকৰী কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। কিছু সংখ্যা এতিয়াও বাকী আছে। তেওঁলোকে সোনকালে নাম দিলে কামখিনি সম্পূৰ্ণ কৰিব পৰা হব। তাৰ পিচত কৰবাত কৰবাত মামৰে ধৰা কথাটো সচা কিয়নো বেচি ভাগ ঠাইত ২।৩ দিন পানী নহা কাৰণে মামৰে ধৰিছে। নিদষ্ট কৈ কত হৈছে সেইটো নাম দিলে ভাল হয়।

শ্ৰীবিপিন হাজৰিকা :— টঙনী।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— জখলাবন্ধাৰ পাবলিক হেলথ ইঞ্জিনিয়াৰিং দ্বাৰা যোগান ধৰা পানী ৰাষ্ট্ৰিয় পথত ওলাই আছে অথচ তাৰ আশে পাশে থকা ঢেকিয়াল, কটীয়ৰী, সেনচোৱা কৈৱৰ্ত্ত গাৱত পানী যোগানৰ কোনো ব্যৱস্থাই নাই। গতিকে তালৈ পাইপৰ যোগেদি

অতি সোনকালে পানী যোগানৰ ব্যৱস্থা হাতত লবনে ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— এই সমন্ধে আগতে জনা নাছিলো। মাননীয় সদস্যই এই বিষয়ে দৃষ্টি আক্ৰমণ কৰা কাৰণে ইয়াকো সামৰি লৈ পানী যোগানৰ আঁচনি লোৱা হব।

শ্ৰীনিশীথ রঞ্জন দাস :— মাননীয় অধ্যক্ষ মহোদয়, পনীয়জল সরবরাহ সংক্রান্ত ব্যাপারে যে গভীর সংকটের সৃষ্টি হয়েছে সে ব্যাপারে আমি মাননীয় স্বাস্থ্য বিভাগের মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করতে চাই।

(ভয়েস — প্রশ্ন করুন)

করছি। যোরহাট শহরে এক বিন্দু পানীয় জলের জন্য আজ হাহাকার শুরু হয়েছে। জলের পাইপ ফেটে গিয়েছে, টিউবওয়েল ভেঙ্গে গিয়েছে সুতরাং আমি মাননীয় মন্ত্রী মহোদয়কে বলতে চাই যে তিনি সেই অঞ্চলে পানীয় জল সরবরাহের দ্রুত ব্যবস্থা গ্রহণ করবেন কি ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— এইটো খবৰ আমি পাইছো। যোৰহাট টাউনৰ ভিতৰত পৰে। ইতিমধ্যে যোৰহাটত পানী অভাৱ হোৱাটো আমি গম পাওঁ। চৰকাৰে ৪।৫ টা টিউবেল তাত দিয়াৰ কাৰণে নিৰ্দেশ দিয়া হৈছে।

শ্ৰীনগেন বৰুৱা :— পাবলিক হেলথ ইঞ্জিনিয়াৰিং যিটো ডিপাৰমেণ্ট আছে সেইটোৰ দক্ষতা নোহোৱা কাৰণেই নেকি, আজি ৫-১০ বছৰৰ আগতে যিটো আঁচনি লোৱা হৈছিল সেইবিলাক দক্ষতা নোহোৱা কাৰণে কাম বিলাক সম্পূৰ্ণ হৈ উঠা নাই। এই বিভাগৰ দক্ষতা

ঘুৰাই আনিবৰ কাৰণে মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা লৈছে নেকি ?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :— দক্ষতা ঘুৰাই আনিবলৈকৈ চিন্তা কৰা হৈছে। আগতে এজন ইঞ্জিনিয়াৰে ৬খন জিলা চাব লগীয়া হৈছিল। বিভিন্ন জিলাৰ কাম কৰিব লগীয়া হৈছিল। সেইকাৰণে বহু সময়ত কামত অসুবিধা সৃষ্টি হয়। এইবিলাক নোহোৱা কৰিবৰ কাৰণেই বাজেট বক্তৃতাত উল্লেখ কৰা মতে তিনিটা দিভিজন কৰা হৈছিল। ১৪ টা চাব ডিভিজন কৰা হৈছে। চুপাৰেন-টেনডেণ্ট ইঞ্জিনিয়াৰ বঢ়াবৰ কাৰণে চিন্তা কৰা হৈছে। মই আশা ৰাখিছো, এই কামটো কৰিব পাৰিলে আমাৰ কাম বিলাক দক্ষ-তাৰে কৰিব পৰা যাব।

শ্ৰীপ্ৰেমধৰ বৰাঃ— এই খোৱা পানী যোগান ধৰা চৰকাৰৰ নৈতিক আৰু সাংবিধানিক দায়িত্ব। সেই দিশৰ পৰা কথাটো চিন্তা কৰি ৰাজ্য-খনত কিমান মানুহক খোৱাপানী যোগান ধৰা হৈছে আৰু কিমানক যোগান ধৰিব পৰা নাই তাৰ তথ্য-পাতি সংগ্ৰহ কৰি সদনৰ সদস্যসকলৰ জ্ঞাতাৰ্থে এটা প্ৰতিবেদন দাঙি ধৰিবনে ?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :— দিব পৰা যাব।

শ্ৰীচামচুল হুদা :— এই বিধান সভালৈ অহাৰ আগে আগে চৰকাৰী বিভাগটোৱে সাৰ পায় এম, এল, এ সকলক চিঠি দিছিল ১০টা টিউব ওৱেল বা ৰিং ওৱেল দিব বিচাৰিছো মাত্ৰ দাগ নং দিব লাগে। সেই টিউব ওৱেল কাৰ ঘৰৰ ওচৰত পৰিব সেইটোও দিব লাগিব। এতিয়া আমি বিধান সভাই কৰো নে মাটিৰ দাগ নং দিম ? এই টকাখিনি লেপ্‌চ কৰাৰ ব্যৱস্থা কৰিছে, নে কি ব্যৱস্থা লৈছে।

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :— এইটো লেপ্‌চ নহয়। যিটো টকা দিয়া

হৈছে সেইটো স্পীল অভাৱ হব। ইয়াৰ বাবে কমিটি কৰি দিয়া হৈছে আৰু এই কমিটিয়ে কৰিব পাৰিব।

শ্রীদীপক ভট্টাচার্য :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয় বলেছেন যে প্রত্যেক এম, এল, এর সমষ্টিতে ১০টি করে রিংওয়েল এবং টিউবওয়েল দেওয়া হয়েছে। কিন্তু যেসব যায়গয়া অনাবৃষ্টির ফলে জলসংকট দেখা দিয়েছে সেইসব এলাকায় এসবের সংখ্যা বৃদ্ধি করা হবে কি?

শ্রীকোষেশ্বর বৰা (ৰাজক স্বাস্থ্য মন্ত্রী) :— হবে।

Re : Establishment of a five portection Station at Bahari Bazar

Shri Danes Ali Ahmed asked :

* 109. Will the Chief Minister be pleased to stae

(a) Whether Government has any proposal to establish a fire protection stati n at Bahari Bazar in the Barpeta Subdivision ?

(b) If the reply to (a) above is in nigative, whether the Government will consider to establish a fire protection station there ?

Shri Golap Borbora ( Cheif Minister ) replied :

109. (a)— No.

(b)— Demands for establishment of Sub-Fire Stations are many and Government is not in a position to give any commitment in this respect at the moment.

শ্ৰীদীনেশ আলি আহমেদ :— প্ৰত্যেক বছৰে গাওঁৰ ঘৰ-দুৱাৰ বিলাকত জুই লাগে। সেই বিষয়ে তদন্ত কৰি ফায়াৰ ব্ৰিগেদ চেণ্টাৰ বহুৱাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— চৰকাৰে বিভিন্ন ঠাইৰ পৰা আপত্তি পায় আছে। এইবিলাকৰ ভিত্তিত টকা পইচাৰ সা-সুবিধালৈ চায় কৰাৰ কথা চিন্তা কৰি আছো।

শ্ৰীপ্ৰেমধৰ বৰা :— থানা আৰু পুলিচ আউট পোষ্ট বিলাকত অধিক ফায়াৰ ব্ৰিগেদ ষ্টেচন পাতি তাক উন্নত কৰাৰ কথা চৰকাৰে বিবেচনা কৰি চাব নে ?

শ্ৰীগোলাব বৰবৰা (মুখ্যমন্ত্ৰী) :— আমি সেই বিষয়ে বিবেচনা কৰি আছো।

শ্ৰীচামচুল হুদা :— ৰাইজে ঘৰত জুই লাগিলে ফায়াৰ ব্ৰিগেদৰ কাৰণে থানাক জনাই আৰু তেতিয়া চৰকাৰে থানাৰ পৰা ৰিপোৰ্ট বিচাৰে। থানাই নীল বুলি ৰিপোৰ্ট দিয়ে। ৰাজ্যৰ বিভিন্ন ঠাইৰ পৰা যিবিলাক অগ্নিকাণ্ডৰ ৰিপোৰ্ট পায়, সেইবিলাকৰ ৰেকৰ্ড ৰখাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা কৰিব নে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— সকলো থানাৰ পৰা নীল ৰিপোৰ্ট

নাহে। যিবিলাক ঠাইত মাজে মাজে জুই লাগিছে সেইবিলাকৰ পৰা ৰিপোৰ্ট পাই থকা হৈছে।

শ্ৰীভুৱনেশ্বৰ বৰ্ম্মন :— ভিতৰুৱা গাওঁত জুই লাগিলে সেই খবৰ থানাক জনাই ফায়াৰ ব্ৰিগেদ নিয়াৰ কাৰণে বৰ অসুবিধা হয়। যিহেতু কিছুমান থানাত ফোনৰ অভাৱ, সেইকাৰণে ফায়াৰ ব্ৰিগেদ গৈ পায় মানে জুয়ে ঘৰ পুৰি শেষ কৰে। গতিকে প্ৰত্যেক ব্লক এৰিয়াত একোটাকৈ ফায়াৰ ব্ৰিগেট ষ্টেচন পতাৰ কাৰণে চৰকাৰে বিবেচনা কৰিব নে ?

শ্ৰীগোলাপ বৰবৰা ( মুখমন্ত্ৰী ) :— ফায়াৰ ব্ৰিগেদ ষ্টেচন বঢ়োৱাৰ কাৰণে চিন্তা কৰি থকা হৈছে। প্ৰত্যেক গাওঁ পঞ্চায়ত এৰিয়াত ফায়াৰ ব্ৰিগেদ ষ্টেচন টকা পইচাৰ কাৰণে কৰাৰ অসুবিধা হব।

শ্ৰীইব্ৰাহিম আলি :— অসমত বৰ্ত্তমান কিমান ফায়াৰ ব্ৰিগেদ ষ্টেচন আছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— বৰ্ত্তমান অসমত ৩৪ খন ফায়াৰ ব্ৰিগেদ ষ্টেচন আছে।

## বিষয় : সোনাৰী মহকুমা

শ্ৰীবুদ্ধ বৰুৱাই সুধিছে :

* ১১০। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কোন কোন মৌজাক লৈ সোনাৰী মহকুমা গঠন কৰিবলৈ লোৱা হৈছে আৰু ইয়াৰ চাৰিসীমাৰ সম্পূৰ্ণ বৰ্ণনা চৰকাৰে জনাবনে ?

(খ) উক্ত সোনাৰী মহকুমাৰ কাম কেতিয়া আৰম্ভ হব ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১১০। (ক)— সোনাৰী মহকুমাৰ চাৰিসীমা চৰকাৰে এতিয়াও নিৰ্দ্ধাৰণ কৰা নাই। সেই বাবে কোন কোন মৌজা এই মহকুমাৰ অন্তৰ্ভুক্ত হব সেইটো এতিয়াই খাটাং ভাবে কৰ পৰা নাযায়।

(খ)-— চৰকাৰে পৰ্য্যায়ক্ৰমে মহকুমা গঠন কৰাৰ আঁচনি গ্ৰহণ কৰিছে।

শ্ৰীবুদ্ধ বৰুৱা :— দিল্লীঘাটৰ পৰা সিবসাগৰলৈ দুৰত্ব কিমান ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— ৩০ মাইল।

শ্ৰীবুদ্ধ বৰুৱা :— ৫০ মাইলৰ ওপৰ হব। এজন নিৰগুৱা যুৱকে দিল্লী ঘাটৰ পৰা শিবসাগৰলৈ ২ টকাৰ চালান পাচ কৰিবলৈ আহোতে বহুত কষ্ট ভোগ কৰিব লগা হয়। আজি ৩০ বছৰে কংগ্ৰেছ চৰকাৰে এই অসুবিধা দুৰ কৰিব নোৱাৰিলে। বৰ্ত্তমান চৰকাৰে অগ্ৰাধিকাৰৰ ভিত্তিত এই কথাটো বিবেচনা কৰিব নে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— সোনাৰীত এটা মহকুমা স্থাপন কৰিবৰ কাৰণে সিদ্ধান্ত লৈছো।

বিষয় ঃ কাৰবি আংলং জিলাত ইউৰেনিয়ামৰ সন্ধান

শ্ৰীমুকুট শৰ্ম্মাই সুধিছে:

* ১১১। মাননীয় খনি আৰু খনিজ দ্ৰব্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ কাৰ্বি আংলং জিলাত সন্ধান পোৱা আনৱিক খনিজ দ্ৰব্য 'ইউৰেনিয়াম' উদ্ধাৰ কৰিবৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(খ) এই সম্পৰ্কে আনৱিক শক্তি বিভাগৰ লগত যোগাযোগ কৰা হৈছে নেকি ?

শ্ৰীএ, এফ, গোলাম ওছমানী (খনি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১১১। (ক)— ভাৰত চৰকাৰৰ আনৱিক খনিজ শাখাই কাৰবি আংলং জিলাত 'ইউৰেনিয়াম' আৰু অনান্য আনৱিক খনিজ দ্ৰব্যৰ উদ্ধাৰনৰ বাবে প্ৰাথমিক অনুসন্ধান কাৰ্য্য চলাই আছে।

(খ)— হয়।

শ্ৰীমুকুট শৰ্ম্মা ঃ— এই প্ৰাথমিক অনুসন্ধান কৰাৰ পিচত কি ফলাফল পোৱা গ'ল অসম চৰকাৰে জানেনে ?

Shri A F Golam Osmani ( Minister ) :— Sir' this is a subject which comes strictly within the purview of the Union Government and within the portfolio of the Prime Minister we are not concerened directly the subject. The radio metric checking is going on in the Karbi Anglong district and what is the result of this, we have not been communicated because this is a classified information; and if and when it comes to us, we have to see whether this can be placed before this House.

শ্রীনুরুল হুদা ঃ— অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয় বলছেন হে ইউ-রেনিয়াম এবং অনান্য আনবিক খনিজ দ্রব্য সম্পর্কে অনুসন্ধান চলচে। মন্ত্রী মহোদয় বলবেন কি যে অনান্য আনবিক খনিজ দ্রব্য বলতে তিনি কি বোলাতে চেয়েছেন কি কি পায়ার সম্ভবনা আছে ?

শ্রীএ, এফ, গোলাম ওচমানী (মন্ত্রী) ঃ— কি কি পাওয়ার সম্ভবনা আছে আমি জানিনা। তবে রেডিওমেট্রিক চেকিং-এর দ্বারা সম্ভাব্য আন-বিক খনিজ দ্রব্যের অনুসন্ধান চালানো হচ্ছে। On the basis of the report of the Geological survey of India; আর অনান্য আনবিক দ্রব্য বলতে আমি যা জানি সেটা হলো রেডিও এ্যাকটিভমেটেরিয়েলস্।

শ্রীমুকুট শর্ম্মা ঃ— আনবিক বিভাগে যি অনুসন্ধান চলাইছে সেই ক্ষেত্রত অসমৰ ভুতত্ব আৰু খনি বিভাগৰ সাহায্য গ্ৰহণ কৰিছে নে ?

শ্রীএ, এফ গোলাম ওচমানী (মন্ত্রী) ঃ— এটমিক এনাৰ্জি বিভাগৰ অফিচ এটা চিলংত আছে। ফিজিকেল অপাৰেচনৰ কাৰণে ভুতত্ব বিভা-গৰ লগত যোগাযোগ কৰি আছে।

Starred Question No. 112 was not put, the member being absent.

Re: Opening of Weaving Centres in the Char Villages and river eroded areas of Baghbar Constituency.

Shri Md. Ibrahim Ali asked :

* 113. Will the Minister, Sericulture and Weaving be pleased to state—

(a) How many Weaving Centres have been opend by the Government in the Non-weaving areas and villages of Assam ? ( Figure may be shown district-wise ).

(b) Whether the Government is aware of the repeated prayer and petitions from public for opening Weaving Centres in the Char Villages and river eroded areas of Baghbar Constituency of Barpeta Subdivision ?

(c) If so, whether Govenment propose to open weaving centres at Alopati Char, Kadamtala Char and Ujirer Char of Baghbar Constituency ?

(d) If so, whether the said Centre will be opend during the current financial year ?

Shri Gandhi Ram Timung ( Minister, Sericulture and weaving ) replied :

113. (a)— No Weaving Training Centre has been opend in non-traditional Weavers' areas by this Department *i. e.* Sericulture and Weaving Department.

(b)— It apears that application from one party *viz.*

Alopati Mahila Charcha, P. O. Nagarbera, District Kumrup was received in the Directorate of Sericulture and Weaving, Assam, Gauhati.

(c)— There is no proposal to open Weaving Training Classes in the places mentioned.

(d)— Does not arise.

Shri Md. Ibrahim Ali— Whether the hon'ble Minister recognises the importance of weaving as a trade for alternative source of earning and that forms a part of tradition of Assam? If he dose so, will the Minister undertake some special schemes in this line?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) ঃ— চৰকাৰে বিবেচনা কৰি আছে। উইভিং চেণ্টাৰ বিলাক যাতে অধিক সক্ৰিয় কৰিব পাৰে সেই বিষয়ে বিবেচনা কৰি আছে।

শ্ৰীনৰেন দত্ত ঃ— অধ্যক্ষ মহোদয়, অসমৰ তাত শালত কিমান শিপিনি নিযুক্ত হৈছে সেইটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো।

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) ঃ— অসমত কিমান চেণ্টাৰ আছে সেইটো মই কওঁ, অসমৰ বিশেষকৈ নলবাৰী আৰু গুৱালকুছী চেণ্টাৰ হিচাবে লৈছো। নলবাৰী চেণ্টাৰত ১০ হাজাৰলৈ Intenseve Handloom Deve. project স্কীম কৰিবলৈ লৈছো। বাকী উইভিং ট্ৰেইনিং চেণ্টাৰ অসমত মোটা মোটি ২৯টা আছে। আৰু প্ৰত্যেকতে ১৫ খনকৈ তাতশাল আৰু ট্ৰেইনিং দিয়া হয়।

শ্ৰীনৰেন দত্ত :— অধ্যক্ষ মহোদয় মোৰ প্ৰশ্নটো আছিল যে অসমত কিমান শিপিনি আছে ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) :— এতিয়ালৈকে মোৰ হাতত তেনেকৈ পৰিসংখ্যা নাই। সেই সম্পৰ্কে বেলেগে সংগ্ৰহ কৰিব লাগিব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, এতিয়ালৈকে যিমান শিপিনি লোৱা হৈছে তেওঁলোকক এক মিটাৰ কাপোৰ বুলে কিমান বানচ দিয়া হয় ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) :— কাপোৰৰ বানচ, কাপোৰৰ ডিজাইন হিচাবে দিয়া হয়। যদি প্লেইন কাপোৰ হয় তেনহলে ১.০০ টকা বা ১.৫০ টকা কৈ আৰু যদি বেড চিট বা বেড কোভাৰ হয় তেনেহলে ৩ টকাৰ পৰা ৫ টকালৈকে দিয়া হয়। কাম চাই দাম দিয়া হয়।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— যিখিনি বানচ শিপিনি বিলাকক দিয়া হৈছে, সেইবিলাক অতি কম হৈছে বুলি চৰকাৰে বিবেচনা নকৰেনে ? যদি কৰে বঢ়াই দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) :— সেই বিষয়ে বিবেচনা কৰি চাম।

শ্ৰীএ, এন আক্ৰাম হুইচেন :— এই উইভিং চেণ্টাৰ বিলাকত টকা যে আত্মসাৎ হৈ আছে মন্ত্ৰী মহোদয়ে জানেনে ? আৰু যদি জানে ইয়াৰ কিবা ব্যবস্থা গ্ৰহণ কৰিছে নে ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) :— বিশেষ অভিযোগ পালে নিশ্চয় চাম।

শ্ৰীউমেচ দাস :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, ১৯৭৮ আৰু ১৯৭৯ চনৰ ভিতৰত পৰা কৈ কোনো

উইভিং চেণ্টাৰ হাতত লৈছে নেকি? বা লোৱাৰ সিদ্ধান্ত থিৰ কৰিছেনে?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) ঃ— ১৯৭৮-৭৯ চনৰ উইভিং ট্ৰেইনিং চেণ্টাৰ হিচাবে ননট্ৰেডিচনেল এৰিয়া চাৰিটা লোৱা হৈছে আৰু উইভিং ট্ৰেইনিং চেণ্টাৰ চাৰিটা হাতত লোৱা হৈছে। ইয়াৰ নাম বিলাক মই কৈ দিব পাৰো, নগৰবেৰাৰ নাম নাই। গড়গাওঁৰ আছে।

Re : Mondia Weaving Centre.

Shri M Ibrahim Ali asked :

* 114. Will the Minister, Sericulture and Weaving be pleased to state—

(a) Whether the Government is aware that a Weaving Centre has been running in Mondia of Baghbar Constituency which is purely a Non-Weaving area?

(b) Whether it is a fact that the Government has decided to give recognition to the Weaving Centres of Non-Wegving areas of Assam?

(c) If so, will the Government take necessary steps for recognition of Mondia Weaving Centre during the current financial year?

(d) If not, the reasons thereof ?

Shri Gandhi Ram Timung ( Minister, Sericultura and Weaving ) replied :

114. (a)— Yes. A training centre has been opened at Mondia Development Block Head-quarters to train the members of Mahila Mandal in Weaving, Tailoring, Embrodary and knitting of Wool.

(b)— The Sericlture and Weaving Department has not intiated any proposal to give recognition to Weaving Centres in non-traditional Weaver's areas.

(c)— Dose not arise.

(d)— There is no such scheme under the Sericulture and Weaving Department to give recongition to Weaving training Centre started by other agencies in non-traditional Weaver's areas. Moreover, the Training Centre at Mondia does not conform to the norms fixed for the Weaving Training Centre under this Department.

Shri M. Ibrahim Ali :— Will the Minister be pleased to let us know what are the norms by satisfying which

the centre can be brought under the Government Department ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) :— গোটেই নবমচটো পাচত কম ।

শ্ৰীনৰেণ দত্ত :— অধ্যক্ষ মহোদয়, অসমৰ উইভিংৰ জৰিয়তে নেপাল টাইপ লুম (Loom) বিতৰণ কৰা হৈছে নেকি ? আৰু যদি হৈছে কিমান বিতৰণ কৰা হৈছে ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) :— আগৰ কেইবছৰত এনেধৰণৰ তাঁতশাল বিতৰণ কৰা হৈছিল কিন্তু বৰ্ত্তমান অসমৰ বহুত নতুন ধৰণৰ তাঁতশাল ওলাইছে। গতিকে নেপাল টাইপ লোম কম হিচাবে বিতৰণ হৈছে।

শ্ৰীবানেশ্বৰ শইকীয়া :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, নন ট্ৰেডিচনেল চাৰিটা চেণ্টাৰ খোলাৰ সিদ্ধান্ত কৰা হৈছে। তাৰ ভিতৰত যোৱা কেইবছৰ আগতে নগাওঁ ধূপৰ-গুৰীত এটা উইভিং চেণ্টাৰ খোলাৰ কথা আছিল তাৰ কিবা ব্যৱস্থা হৈছে নেকি ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) :— এতিয়ালৈকে এই বিষয়ে মোৰ হাতত পৰা নাই ।

শ্ৰীবানেশ্বৰ শইকীয়া :— এই ব্যৱস্থাৰ কাৰণে মাটিও কিনি থোৱা আছিল সেই কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) :— সেইটো চাব লাগিব ।

শ্ৰীগোলোক ৰাজবংশী :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে এনেকুৱা উইভিং চেণ্টাৰ আছেনে য'ত তাঁতশাল

আছে, শিক্ষক আছে, থকা ঘৰ আছে অথচ শিকিবলৈ মানুহ নাই ? এনে ধৰণৰ উইভিং চেণ্টাৰ চৰকাৰৰ চকুত পৰিছে নে ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) ঃ— এতিয়াও চকুত পৰা নাই, যদি আছে পাচত চাম ।

শ্ৰীউমেশ দাস :— অধ্যক্ষ মহোদয়, আমাৰ শুৱালকুছিৰ যিটো বয়ন শিল্প সেইটো অকল অসমৰে নহয় গোটেই ভাৰতেতে তাৰ নাম আছে। বৰ্ত্তমান পৰিস্থিতিত শুৱালকুছিৰ এই বয়ন শিল্পই বিশেষকৈ যিটো গোল্ডেন থ্ৰেদ আৰু পাট অসমৰ বাহিৰৰ পৰা বা বাঙ্গালোৰৰ পৰা আনিব লগা হোৱাত এই শিল্প যথেষ্ট অসুবিধাৰ সন্মুখীন হবলগা হৈছে। এই পৰিপ্ৰেক্ষিতত শুৱালকুছিৰ গোল্ডেন থ্ৰেদ নিৰ্ম্মান কৰিবৰ কাৰণে এটা কেন্দ্ৰ স্থাপন কৰাৰ সিদ্ধান্ত চৰকাৰে গ্ৰহণ কৰিবনে ? আৰু সেই লোক সকলৰ আৰ্থিক অনাটন দূৰ কৰিবৰ কাৰণে চৰকাৰে চিন্তা কৰিবনে ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) :— এই কথা চিন্তা কৰি থকা হৈছে। গল্ডেন থ্ৰেদৰ কথাও চৰকাৰে চিন্তা কৰি আছে।

শ্ৰীনৰেন দত্ত ঃ— অধ্যক্ষ মহোদয়, নলবাৰী মহকুমাত ইনটেনচিভ দেভলপ-মেণ্ট স্কিমত ১০ হাজাৰ তাতশাল বিতৰণ কৰাৰ এটা নীতি আছিল। এই বিতৰণ বিগত চৰকাৰৰ দিনতে আৰম্ভ হৈছিল। এই ১০ হাজাৰ তাতশালৰ ভিতৰত কিমান তাতশাল এতিয়ালৈকে বিতৰণ কৰা হল ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী ঃ— এতিয়ালৈকে আমাৰ টাৰগেট ১০ হাজাৰ খন শাল। আৰু ১৯৭৬-৭৭ চনৰ পৰাই এইটো আৰম্ভ হৈছিল। এতিয়ালৈকে সঠিক ৩ হাজাৰ তাতশাল দিয়া হৈছে।

শ্ৰীভুবনেশ্বৰ বৰ্ম্মণঃ— অধ্যক্ষ মহোদয়, কাৰ যোগেদি তাতশাল বিতৰণ কৰা হৈছে। যি সকলক তাতশাল দিয়া হৈছে সেই সকলৰ মান কেনেধৰণেৰে নিৰ্দ্ধাৰণ কৰা হৈছে?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী)ঃ— সেই সেই অঞ্চলৰ বিধায়ক সকলক লগত লৈ বা আমাৰ বিষয়া সকলৰ অনুসন্ধানৰ পিচত যাকে উপযুক্ত বুলি ভাবে বা জেনিউইন বুলি ভাবে বা বিবেচনা কৰে তাকে দিয়া হয়।

বিষয়ঃ চেচাঁ-বংশৰ গড়কাপ্তানি ৰাস্তা

শ্ৰীৰবীন্দ্ৰ নাথ মালাকতে সুধিছেঃ

*১১৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চেচাঁ-বংশৰ গড়কাপ্তানী ৰাস্তা হবৰ প্ৰায় ১৫ বছৰ হোৱাৰ পিচতো এই ৰাস্তাৰ চেচাঁ নদীৰ ওপৰত দলং নোহোৱা কাৰণে ৰাস্তাটোৰ দুয়োপাৰৰ সংযোগ সূত্ৰ নোহোৱাৰ বিষয়ে চৰকাৰে জানেনে?

(খ) যদি জানে, এই দলং নিৰ্ম্মাণৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা লৈছেনে?

(গ) যদিহে লোৱা নাই, এই দলং নিৰ্ম্মাণৰ আঁচনি কেতিয়া লোৱা হব?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

১১৫। (ক)— জানে।

(খ)— পুঁজিৰ সংস্থান হলে চৰকাৰে উপযুক্ত ব্যৱস্থা লব।

(গ) — উপৰোক্ত (খ)ৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰ :— অধ্যক্ষ মহোদয়, অৱশ্যে এনেকুৱা এম, এন, পি আচনিত বহুতো ৰাষ্টা আছে যিবিলাক ৰাষ্টাত নদী আৰু ৰাষ্টা দলঙৰ দ্বাৰা সংযোগ হোৱা নাই। সেইবিলাক ৰাষ্টা এনেয়ে পৰি আছে, গতিকে সেইবিলাক ৰাষ্টাৰ বিষয়ে মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা কৰিব বুলি চিন্তা কৰিছেনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এনেধৰণৰ বহুতো ৰাষ্টা চৰকাৰৰ দৃষ্টিগোচৰ হৈছে আৰু তাৰ বিহিত ব্যৱস্থা কৰিবৰ কাৰণে চৰকাৰে এতিয়া আচনি প্ৰস্তুত কৰি আছে।

## Re : Work Charged Sectional Assistants of Public Health Engineering Organisation

Shri Nishit Ranjan Das asked :

* 116. Will the Minister of State, Health be pleased to state—

(a) Whether it is a fact that large number of Sectional Assistants of Public Health Engineering Department are treated as work-charged or casual worker ?

(b) Whether there is any proposal to make them a regular employee and give them all the benefits

of Government service similar to other categories of regular Government Servants ?

(c) If so, the steps taken by the Government to make them permanent ?

(d) Whether there is any provision for giving training to these Sectional Assistants ?

(e) If so, whether all of them get the chance for undergoing the training ?

Dr. Kosheswer Bora ( Minister of State, Health ) replied

116. (a)— There are 197 number of Sectional Assistants borne in Work-charged establisment in public Health Engineering Organisation.

(b)— It is under examination to bring all these Work-charged Sectional Assistants, under regular establishment.

(c)— On bringing theme under regular establishment, posts will be made permanent as par exisiting Government rules.

(d)— No.

(e)— Does not arise.

Starred Question No. 117 was not put, the Member being absent.

## UNSTARRED QUESTIONS AND ANSWERS

Date : 6th March, 1979

( To which answers were laid on the Table )

— — —

Re : Protection of left bank of Bhallengi River from Mondia to 'Baghbar Hill

Shri M. Ibrahim Ali asked :

7. Will the Minister, Flood Control be pleased to state—

(a) Whether the left bank of Bhalengi river from Mondia to Baghbar hill has been kept open and the right bank of the same river has been fully protected by embankment ?

(b) If so, what steps the Government propose to take for the protection of left bank ?

(c) Whether the Government have received any request from public in this regard ?

(d) If so, when ?

Shri Ramesh Mohan Kouli (Minister, Flood Control) replied.

7: (a) Yes.

(d) There is no proposal at present:

(c) Yes:

(d) A petition from Shri Aniruddin Ahmed and others on 9th June 1978:

## DISCUSSION ON THE SUPPLEMENTARY STATEMENT OF EXPENDITURE CHARGED ON THE CONSOLIDATED FUND OF THE STATE FOR 1978-79

Shri Santi Ranjan Das Gupta :— Sir, I refer to Statement 'B': There is a Sum of Rs. 7, 79, 809 demanded by the Deptt: out which except 51.204 is required to meet the decretal amount. I want to know the details of these decretal amounts of Rs. 6, 84, 382 under 477. Capital Outlay on Education, Art and Culture. 480: Capital Outlay

on Medical ............ Sir, from the explanations submitted by the Deptt. it appears that the amount of Rs. 2, 31, 703. 47 was required for making payment of the decretal amount awarded by the Honourable High Court in connection with aquisition of land for establishment of Training Centre for Chemical operator course at Bamunimaidan, Gauhati. There was no budget provision for the purpose and hence the amount was provided by taking advance from the Contingency Fund. Then again an amount of Rs. 4, 43, 477. 71 is required for payment of decretal amount awarded in Misc. case No. 25/76 to 29/76 and case No. 4/74 P.-K. Das and others-Vs-Collector Kamrup. The case is in connection with acquisition of land at Hangrabari for construction of Regional and District Offices of the Health Deptt. The Judgement of the case was not available at the time of preparation of the budget and as such no provision for the purpose could be made in the budget.

Sir, I want to know what were the original amounts sanctioned by the Revenue Deptt.

for the acquisition of land for these two cases and why the party had to go to Court on which the hon. High Court had to decree such a huge amount: I want to know the differnce in between the original amount and the decretal amount.

শ্ৰীঅতুল গোস্বামী :— অধ্যক্ষ মহোদয়, মই মাননীয় সদস্যৰ লগতে আৰু এটা কথা যোগ দিব খুজিছো। হেঙেৰাবাৰীৰ মাটি একিউজিচনৰ কাৰণে ৪ লাখ ৪৩ হাজাৰ ৪৭৭'৭১ পইচা (পেজ ৭৬) ধৰা হৈছে। এই হেঙেৰাবাৰীত মাটিৰ কাৰণে যি অৰিজিনেল প্ৰস্তাব আছিল সেই প্ৰস্তাৱত সমভূমিত থকা মাটি লোৱাৰ কথা আছিল কিন্তু কি কাৰণে পাহাৰৰ ওপৰলৈ গল আৰু এই মাটি একোৱাৰ কৰা ৰিটো ফাইল সেইটো নাইকীয়া হৈ গল ? এই যে কেলেঙ্কাৰী আছে এই বিষয়ে এই বিধানসভাত দুয়োটা অধিবেশনতে ক্লিয়েৰলি কথা কোৱা হৈছিল আৰু আমাৰ মন্ত্ৰী মহোদয়ে তদন্ত কৰিম বুলি আশ্বাস দিছিল। কিন্তু এতিয়া আমি দেখিবলৈ পাইছো যে, প্ৰথমতে যি সমান মাটি লোৱাৰ প্ৰস্তাব আছিল সেইটো এৰি এতিয়া পাহাৰৰ ওপৰৰ মাটি লোৱা হৈছে আৰু যিমান মাটি লোৱাৰ সিদ্ধান্ত কৰিছিল সেই সিদ্ধান্ত মেনিপুলেট কৰি টকা পইচা বঢ়োৱা হল সেই কথা বিলাকৰ বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা পৰিস্কাৰ কৰি জানিবলৈ বিচাৰো। হেঙেৰাবাৰীত যি মাটি অধিগ্ৰহন কৰা হৈছিল সেই মাটিৰ অৰিজিনেল ফাইল কলৈ গল ? আৰু সেই ফাইলৰ কি অৱস্থা হৈছে ? এই বিষয়ে

সকলো কথা মন্ত্ৰী মহোদয়ে আমাক পৰিস্কাৰ কৰি জনাব লাগে।

শ্ৰীগোলক ৰাজবংশী :— মাননীয় অধ্যক্ষ মহোদয়, মই এটা পইণ্টত মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিআকৰ্ষন কৰিব খজিছোঁ। ৭৬ পৃষ্ঠাৰ ক্ৰমিক ৫ত সুত সম্বন্ধে। অসমৰ অৰ্থনীতিৰ ক্ষেত্ৰত ঋনৰ বোজা দিনে দিনে বাঢ়ি গৈছে। গতিকে আমি যদি সচাকৈ উৎপাদন-শীল কামত ঋন খটাব নোৱাৰো তেনেহলে সেই ঋন বাঢ়ি যায় ভৱিষ্যতে দেশৰ অৰ্থনীতত বাধাৰ সৃষ্টি কৰিব। ঋনৰ শিতানত আছে ঋন দুটা শিতানৰ বিদ্যুৎ। এই বিদ্যুৎ বিভা-গক কিমান ঋিন দিয়া হৈছে কিমান আদায় হৈছে এই ঋন কিমান কামত খটাব পাৰিছে ইয়াৰ আউট কাম কি? তাৰ এটা সুস্পষ্ট ছবি পৰিস্কাৰকৈ দাঙি ধৰিলে ভাল হয়।

শ্ৰীচামচুল হুদা :— অধ্যক্ষ মহোদয়, পৃষ্ঠা ৭৩ ক্ৰমিক ৫ ত আছে An amount of Rs. 20, 392. 27 at page 73 was taken as advance from the Contingency Fund for payment of decretal amount and arded to the Court for payment of enhanced compensation of land acquired for the refinery. আমাৰ মনত আছে ১৯৭৬ চনৰ পৰা ৭২ চনলৈ যি বিধান সভাৰ অধিবেশন হৈছিল তাত ৰিফেইনাৰীক পৰিশোধিত প্ৰাককলন মতে তেওঁলোকক ক্ষতি পূৰণ দিয়া হৈছে। আকৌ এবাৰ তেওঁলোকক ক্ষতি পূৰন দিয়া হৈছে গতিকে আকৌ যে ক্ষতি পূৰন বিছাৰিছে এই ক্ষতি পূৰন মোকৰ্দ্দমা কেইটা হৈছিল? আদালতৰ দ্বাৰা কেইটা ক্ষতি পূৰন দিয়া হল? আৰু এই যে

টকা ধৰা হৈছে কোন পাৰ্টিক টকা দিয়া হব? পাওঁতাজনৰ নাম কি? সবিশেষ জনালে ভাল হয়।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (বিত্তমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে যিখিনি কথা উল্লেখ কৰিছে মই সদনক জনাব বিচাৰিছোঁ। সপ্তম বিত্ত আয়োগে যি এৱাৰ্ড দিছে ৩১ মাৰ্চলৈকে যিখিনি ৰিন আছে তাৰে প্ৰায় ২০০ কোটি টকাতকৈ অধিক ৰাইট অফ হৈ যাব। প্ৰতি বছৰে এনেকৈ এই লোন বিলাক ৰাইট অফ হৈ গৈ থাকিব।

শ্ৰীগজেন তাতী :— বিদ্যুৎ বৰ্ডৰ লোনৰ বিষয়েহে আমি জানিব বিচাৰিছোঁ।

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— বিদ্যুৎ বৰ্ডৰ কথাটো বেলেগ। তেওঁলোকক চৰকাৰে ৰিন দিছে। তেওঁলোকৰ পৰা এতিয়ালৈকে কোনো ৰিন ঘুৰাই পোৱা নাই আৰু সুদো পৰিশোধ কৰা নাই। সপ্তম বিত্ত আয়োগৰ পৰা আমি কিছু টকা পাম বুলি আশা কৰিছোঁ। তাৰ পিচত সুদৰ কথা কৈছে আমি যিবিলাক ঋন লওঁ তাৰ ভিতৰত স্মল চেভিংচৰ টকা দুই তৃতীয়াংশ দিয়ে তাৰ ওপৰত সুদ দিবলগীয়া হয়। কিন্তু এই সুদ ধৰিবলৈ যাওঁতে যোৱা বছৰ এনেকুৱা হল যে স্মল চেভিংচৰ পৰা বেচি ঋন পালো কিয়নো স্মল চেভিংচেই বেছি হল। যিমান সুদ ধৰিব লাগে সেই সুদেই ধৰিছো ৰুটিৰ এৱাৰ্ডৰ কথা কৈছে এইটো বহুত পুৰণা কথা। সম্পুৰ্ণ তথ্যপাতি মোৰ হাতত ফাইলসহ নাই গতিকে সদনত এতিয়া জনাব নোৱাৰিলোঁ। সদনৰ জ্ঞাতাৰ্থে সকলো নথি-পত্ৰ চাই মাননীয় সদস্য

সকলে যিবিলাক প্ৰশ্ন দাঙি ধৰিছে সেই সকলো বিলাকৰ ওপৰত মই এটা সম্পূৰ্ণ বিবৃতি সদনত দাঙি ধৰিম।

শ্ৰীগজেন তাতী :— মাননীয় সদস্য শ্ৰীদাসগুপ্ত ডাঙৰীয়াই যি টকাৰ সংখ্যা বিচাৰিছে সেইটো দিব নোৱাৰাৰ কোনো কাৰণ নাই।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :- এইটো পুৰনা কথা ফাইল মোৰ হাতত নাই। কিমান টকা আছিল কিমান টকা দিলে চাই চিঠি মই সদনত দাঙি ধৰিম।

## VOTING ON SUPPLEMENTARY DEMANDS FOR GRANTS FOR 1978-79

Mr. Speaker : Now, voting of Supplemntary Demands for grants.

### Demand No. 1.

Shri Golap Borbora (Chief Minister) :— Sir, on the recommendation of the Governor of Assam, I beg to move that an additional amount of Rs. 1,40,000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1979, in connection with the administration of the Head 211-State Legislature, 259-public Works (II)".

Mr. Speaker :- There is no Cut Motion: Now, I put the main motion. The motion is that an additional amount of Rs. 1,40,000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1979, in connection with the administration of the head "211-State Legislature, 259 public Works (II)".

(The demand No. 1. is adopted).

Now, Demand No. 2.

Shri Keshab Chandra Gogoi (Minister) :— Sir, on the recommendation of the Governor of Assam, I beg to move that an additional amount of Rs. 9, 27, 374, be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1979, in connection with the administration of the head 214 Administration of Justice.

Mr. Speaker :— Demand No. 2 is moved. Now, Shri Nepal Chandra Das is to move the Cut-motion.

Shri Nepal Chandra Das :— Sir, I beg to move that the total provision of Rs. 9, 27, 374, under Supple-

mentary Demand No. 2, Major Head 214 Administration of Justice, at pages 2-3 of the list Supplementary Demands be reduced by Rs. 100, i.e., the amount of the whole supplementary demand of Rs. 9, 27, 374, do stand reduced by Rs. 100.

Shri Golak Rajbanshi :— Mr. Speaker, Sir, I beg to move that the total provision of Rs. 9, 27, 374 under Supplementary Demand No. 2, Major head "214- Administration of Justice", at pages 2-3 of the list of Supplementary Demands, be reduced by Rs, 100 i. e., the amount of the whole Supplementary demand of Rs. 9, 27, 374 do stand reduced by Rs. 100.

Mr. Speaker :— Cut motion No. 3

Shri Sirajul Haque :— Mr. Speaker, Sir I beg to move that the total provision of Rs. 9, 27, 374, under Supplementary Demand No. 2, Major head "214- Administration of Justice", at pages 2-3 of the List of Supplementary Demands, be reduced by Rs. 100, i. e, the amount of the whole Supplementary demand of Rs. 9, 27. 374, do stand reduced by Rs. 100.

শ্রীনেপাল চন্দ্র দাস :— অধ্যক্ষ মহোদয়, বিচার বিভাগ আমাদের দেশের সবচেয়ে গুরুত্বপূর্ণ বিভাগ। অত্যাচার, অন্যায় প্রভৃত্তির বিরুদ্ধে সফল এবং সত্ব বিচার পাইবার আশায় মানুষ কোর্টের আশ্রয় নেন। কিন্তু আমাদের দেশ' এ সুবিচারের জন্য যে পদ্ধতি প্রচলিত আছে তাতে দেখা যায় ক্রমশঃ আমদের দেশে অবিচার বেড়ে যাচ্ছে। রামকৃষ্ণ পরমহংসদেব বলেছেন,—রাজা হইতে পিয়াদা বড়। অনেক সময় দেখাযায় জাজ বা ম্যাজিষ্ট্রেট যারা আছেন তারা আসামির নামে, সাক্ষীর নামে যে সমন পাঠান তা সময়মত পিয়াদা আসামী বা সাক্ষী কারোর কাছেই সময় মত পোছায় না। কোর্টে খবর করলে পিয়াদাররা বলেন যে সমন পাঠিয়ে দেওয়া হয়েছে। এই কারনে বাদী বা সাক্ষী বা বিবাদী কেউই সময় মত কোর্টে হাজির হতে পারেন না। তারা অনুপস্থিত থাকতে বাধ্য হন। পরে খবর নিয়ে জানা যায় তার কেস্ ডিসমিস্ হয়ে গেছে। স্যার, এইভাবে আমাদের দেশে সুবিচারের নামে অবিচার হচ্ছে। জানিনা এই দুর্নীতি বন্ধ করার জন্য জনতা সরকার কি পলিসি নিবেন।

Shri Keshab Chandra Gogoi (Minister) :—Mr: Spearer, Sir, the hon'ble member may not cast reflection on the judiciary.

শ্রীনেপাল চন্দ্র দাস :— স্যার, অনেক সময় দেখা যায় ম্যাজিষ্ট্রেটদের কোয়ার্টার না থাকার দরুন তাদেরে ভাড়া বাড়ীতে থাকতে হয়। তাদের কোন প্রোটেকশন না থাকায় আমাদের রাজ্য সুবিচার পাওয়া সম্ভব হচ্ছে না।

মাননীয় অধ্যক্ষ :— এক্সপ্লেনেটরী নোট দেখে বলুন। বাইরের কথা বলে সময় নষ্ট করবেন না।

শ্রীনেপাল চন্দ্র দাস :— এই ম্যাজিষ্ট্রেটদের কোয়ার্টার দেবার কথা যেন মন্ত্রী মহোদয় বিশেষভাবে চেষ্টা করেন। এই বলেই আমি আমার বক্তব্য শেষ করছি।

শ্রীএ, এন, আক্রাম হুছেইন :— অধ্যক্ষ মহোদয়, বাখ্যামূলক টোকাত আছে যে তাহানী মহাৰাণী ভিক্তোৰীয়াৰ দিনত কিছুমান আৰ, এচ এন্দ কোম্পানীয়ে ব্যৱহাৰ কৰা বঙলা কিনিবৰ কাৰণে ৬৬ হাজাৰ ৩ শ ৭৬ টকা অগ্ৰিম ধন হিচাবে এই কোম্পানীৰ মালিক সকলক দিয়া হৈছে। মই জনাত এই ঘৰ বিলাকৰ অৱস্থা অতি বেয়া।

শ্রীকেশব গগৈ (মন্ত্ৰী) :— এডভান্স দিয়াৰ কথা কোৱা নাই। ভাড়াৰ টকা বাকী আছিল। তাৰ কাৰণে এই টকা দিয়া হৈছে।

শ্রীএ, এন, আক্রাম হুছেইন :— ইমান বেয়া ঘৰ ভাড়া লোৱাতকৈ তাত আৰু অলপ টকা লগ লগাই চৰকাৰে এটা নতুন ঘৰ কৰিব পাৰিলোহেতেন। আমাৰ দেশৰ কৰ্ণধাৰ সকলৰ আত্মীয় স্বজনৰ সন্তুষ্ট কৰিবৰ কাৰণেও ঘৰ বিলাক ভাড়া লোৱা হয়। আমি যদি ঘৰ ভাড়া লোৱা ব্যৱস্থাটো এৰি দিব পাৰো আৰু নিজে ঘৰ সাজি লব পাৰো তেতিয়াহলে কোটি কোটি টকা বাচি যায়। এই বিষয়ত মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

দ্বিতীয়তে নতুনকৈ নিয়োগ কৰা নকল নবিচ সকলৰ পাৰিশ্ৰমিক আৰু বানচৰ সৈতে অতিৰিক্ত ৩ হাজাৰ টকাৰ আৱশ্যক হৈছে। এইখিনিতে মই কব বিচাৰো যে যিসকল নকল

নবিচ নিয়োগ কৰা হয় তেওঁলোকক চৰকাৰী চাকৰীয়াল সকলৰ দৰে মকৰল কৰা হয়। কিন্তু নকল নবিচ সকলৰ চাকৰি বিলাক চৰকাৰী কৰণ হোৱা নাই। ফলত তেখেত সকলৰ প্ৰায় ৭৫ ভাগেই আজি ২০-২৫ বছৰ নকল নবিচ হিচাবে কাম কৰি আছে। তেওঁলোকে প্ৰতি কপিত ৫০ পইচাকৈ পায় আৰু মাহে গড়ে ১০০-১৫০ টকা পায়। মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰো যে যিহেতু এই নকল নবিচ সকলক চৰকাৰে নিযুক্তি দিয়ে সেই কাৰণে তেওঁলোকৰ চাকৰি চৰকাৰী কৰণ কৰিব লাগে। চৰকাৰী চাকৰিয়াল সকলে যিবিলাক সা-সুবিধা পায় সেই সকলো সুবিধা তেওঁলোকক দিব লাগে। তেওঁলোকক চৰকাৰী চাকৰিয়াল হিচাবে গন্য কৰিব লাগে। এই খিনিকে কৈ মই কৰ্তন প্ৰস্তাৱটো আগবঢ়ালো।

শ্ৰীছিৰাজুল হক :— অধ্যক্ষ মহোদয়, স্বাধীন দেশ এখনত জুদিচিয়েৰী শিতানটো এটা গুৰুত্বপূৰ্ণ বিষয় আৰু এই সম্পৰ্কে আমি আগে পিছে বহুতো সুবিধা অসুবিধাৰ কথা এই শিতানত ৰাখিছিলোঁ। তাত কিছু কিছু ব্যৱস্থা হাতত লব বুলি বহুত দিনৰ আগৰ পৰা আমাক কৈ আছিল। কিন্তু বৰ দুৰ্ভাগ্যৰ বিষয় যে আমাৰ মূল বাজেটত যি ৯৫, ৩৮৫০০ খৰচ দেখুৱা হৈছিল, এই টকা খিনি খৰচ কৰি চৰকাৰে কি কি গঠনমূলক কাম কৰিলে তাৰ এটা পৃথক হিচাপ আমি দেখিবলৈ পোৱা নাই। সেই টকাৰ উপৰিও চৰকাৰে ৯, ২৭, ৩৭৪ টকা অতিৰিক্ত মঞ্জুৰীৰ দাবী আনিছে। বাধ্যামূলক টোকাত কোৱা হৈছে যে এই শিতানত চৰকাৰী কৰ্ম্মচাৰী সকলক ঘৰ ভাৰা অৰু অতিৰিক্ত মৰগীয়া বানচ দিয়াৰ কাৰণে

আৰু উত্তৰ লক্ষীপুৰ, নগাওঁ কৰিমগঞ্জ আদিত নতুনকৈ স্থাপন কৰা সহকাৰী জিলা আৰু চেচন আদালত আদিত ব্যয় বহন কৰিব লগাত অতিৰিক্ত ৮,৫০,০০ টকাৰ আৱশ্যক হৈছে।

অধ্যক্ষ মহোদয়, আমি এই সদনত এইখিনি কথা শুনাৰ পৰা বঞ্চিত হৈছোঁ। প্ৰকৃত পক্ষে ঘৰ ভাৰাৰ কাৰণে কিমান টকা খৰচ হব মৰগীয়া বানচৰ কাৰণে কিমান টকা দিবলগীয়া হৈছে, উত্তৰ লক্ষীমপুৰ, নগাওঁ আৰু কৰিমগঞ্জ আদিত নতুনকৈ আদালত কৰাৰ কাৰণে কিমান টকা খৰচ কৰিব সেইখিনিৰ বিতং হিচাপ আমাক জনাব পৰা নাই মোৰ বিশ্বাস সঠিককৈ কব নোৱাৰিলেও ঘৰ ভাৰাৰ কাৰণে নিশ্চয় অধিক টকা খৰচ হ'ব। অধ্যক্ষ মহোদয়, বৰ পৰিতাপৰ বিষয়, জুদিচিয়েৰী কৰ্মচাৰী সকল মুনচিফ, মেজিষ্টেট এখেত সকলৰ ঘৰ আদি নথকাৰ কাৰণে হোৱা অসুবিধাৰ কথা আমি ইতিপুৰ্বে সদনত বহুতো আলোচনা হৈছো। এজন মেজিষ্ট্ৰেট, মুনচিফ বা জাজৰ কৰ্মধাৰা সাধাৰণ কৰ্মচাৰীতকৈ পৃথক। সেইকাৰণে এই সকল সাধাৰণ মানুহতকৈ পৃথক ভাবে থাকিব লগা হয়। এই কাৰণে যে যাতে তেখেত সকলে বৈষম্যমুলক ভাবধাৰা লৈ অন্যান্য মানুহৰ লগত আলোচনা বা সম্পৰ্ক নাৰাখি নাইবা দুৰ্বলতা বশতঃ অন্যায় কাম কৰিব পৰা অৱস্থা নহয় তাৰ পৰা আতঁৰত থাকিব লগা হয়। কিন্তু অতি পৰিতাপৰ বিষয় যে এই সকল জুদিচিয়েল কৰ্মচাৰীৰ কাৰণে থকা ঘৰ আদিৰ কোনো ব্যৱস্থা নাই। পোণতে গৈয়েই তেওঁলোক হোটেলত নাইবা বন্ধু-বান্ধৱ আদিৰ ঘৰত উঠিব লগা হয় আৰু ইয়াৰ ফলত সাধাৰণ মানুহৰ লগত মিলা-মিচা কৰিবলৈ বাধ্য হৈ পৰে। ঠিক তেনেকুৱা অৱস্থাৰ এটা উদাহৰণ মই দিব

খুজিছোঁ। শ্ৰীমুৰাৰী মোহন চৰকাৰ নামৰ এজন লোকে প্ৰথমে গৈ এটা তৃতীয় শ্ৰেণীৰ হোটেলত থাকিব লগা হৈছিল আৰু এওঁৰ লগত সাধাৰণ মানুহ বিলাকে পৰিচয় গ্ৰহণ কৰিবলৈ সুযোগ বিচাৰিছিল। সেইকাৰণে মই অধ্যক্ষ মহোদয়, আপোনাৰ জড়িয়তে বিভাগীয় কতৃপক্ষক জনাবলৈ বাধ্য হৈছোঁ যে ইয়াত যি ৮,৫০,০০০ অতিৰিক্ত খৰচ দেখুৱা হৈছে ঘৰ ভাৰাৰ কাৰণে কিমান টকা খৰচ কৰা হব বা কৰা হৈছে এই সম্পৰ্কে যদি জনা গলহেতেন মই নিশ্চয় পতিয়ন গলোহেতেন যে ঘৰ ভাৰাৰ কাৰণে বেছি টকা খৰচ কৰিব লগা হৈছে। এইখিনি টকা সুনিশ্চিত ভাবে যদি পৰিকল্পনা কৰিব পৰা গলহেতেন সেই সকলো মানুহৰ বাবে ঘৰ বা কোৱাৰ্টাৰ হলহেতেন আৰু জুদিচিয়েল অফিচাৰ সকলৰ দুৰৱস্থা দুৰ কৰিব পৰা গলহেতেন। দ্বিতীয়তে প্ৰশ্ন হৈছে আৰু তিনি হেজাৰ টকা নকল নবিচ সকলক আৰু অতিৰিক্ত দৰমহা দিয়াৰ কাৰণে খৰচ কৰিব লগা হৈছে।

অধ্যক্ষ মহোদয়, আপুনি জানে ১৯৬৬ চনত একোটা ফলি'অত মাত্ৰ ২৫ পইচা আছিল কিন্তু আজি সাধাৰণ মানুহে একোটা ন্যায় বিচাৰ পোৱাৰ কাৰনে সাধাৰণ একোটা নকল ফলিঅ'ত ৭৫ পইচা দিব লগা হয় আৰু একোটা ফলি'অত মাত্ৰ ৪০ টা আখৰহে লিখিব পৰা হয় আৰু জৰুৰী নকলৰ বাবে প্ৰতি ফলিওত আৰু প্ৰতিটো পাৰ্টি বা পক্ষৰ বাবে অতিৰিক্ত ৫০ পইচা দিব লগা হয়। গতিকে ১.১৫ টকা খৰচ কৰি ৪০ টা আখৰৰ খবৰহে এজন মানুহে পায়। আনহাতে এজন মানুহে হুকুমৰ এটা খবৰ পাবলগা হলে ৪০-৫০ টকা খৰচ কৰিব লগা হয় আৰু একোটা বিচাৰ পাবৰ হলে ৬০-৭০ টকা খৰচ কৰিব লগা হয়।

নকল নবিচৰ কাৰণে ৩, ৬০০ টকা খৰচ কৰিব লগা হৈছে, কিন্তু তাৰ কাৰণে কিমান টকা খৰচ হয় তাৰ একো উল্লেখ নাই। এই হিচাপ জনাৰ পৰা আমি বঞ্চিত হৈছোঁ। জুদিচিয়েৰী শিতানত যিখিনি টকা পোৱা হৈছে সেইখিনি যদি জুদিচিয়েৰীৰ কাৰণে খৰচ কৰা হলহেতেন তেনেহলে অন্ততঃ ফেয়াৰ জাচটিচ পোৱাৰ কাৰণে আমি আশা কৰিব পাৰিলোহেতেন। জুদিচিয়েৰীৰ কাৰণে যোৱা বছৰৰ হিচাবত কেৱল কামৰূপ জিলাৰ কৰ্ট ফি আৰু অন্যান্য শিতানত ৯॥ ন লাখ টকা আয় দেখুৱাইছে। আৰু নগৰ নবিচৰ কাৰণে ৭॥ লাখ টকা আয় দেখুৱাইছে। ইমান খিনি থকা স্বত্তেও জুদিচিয়েৰী কৰ্মচাৰীৰ যি কৰুণ অৱস্থা এই অৱস্থাত আমি আটাইতকৈ মৰ্মাহত হৈছো। ইতিপূৰ্বে যোৱা ৩০ টা বছৰত বহুত কোৱা হল, কিন্তু দুৰ্গতি দুৰ কৰিব পৰা নহল। জনতা চৰকাৰে যি চৰকাৰে জুদিচিয়েৰীক প্ৰাধান্য দিব বিচাৰিছে, ৰুল অৱ ল'ক প্ৰাধান্য দিব বিচাৰিছে এই ক্ষেত্ৰত ইয়াৰ উন্নয়ন মূলক ৰেকৰ্ড নীল বুলি কবৰ কাৰণে মোৰ অন্তৰত অকনো দুখ নাই।

মই বৰ আশাৰে জানিব বিচাৰিছো যে ল' মিনিষ্টাৰে দেখুৱা জুডিচিয়েৰীৰ মানুহৰ যি দুৰৱস্থা দুৰ কৰাৰ কাৰণে আজি এক বছৰ বা দুই বছৰৰ ভিতৰত কোনো কামেই কৰা হোৱা নাই। কিন্তু মই সুখী হৈছো যে নগাওঁ, কৰিমগঞ্জ, লক্ষিমপুৰ আদি ব্যপ্ত মহকুমাৰ অতিৰিক্ত জিলা সদৰত অতিৰিক্ত আদালত স্থাপন কৰিছে। তাৰ কাৰণে ৰাইজে সকাহ পাইছে। কিন্তু তাৰ লগে লগে যিবিলাক কৰ্মচাৰী নিয়োগ কৰা হ'ল তেওঁলোকে যাতে পৱিত্ৰ ভাবে কাম কৰিব পাৰে তাৰ কাৰণে জনতা চৰকাৰে এক বছৰৰ ভিতৰত যি কাম কৰিছে তাৰ খাতিয়ান বিচৰাতো মোৰ নিশ্চয়

অন্যায় নহব। সেইকাৰণে মই দাবী ৰাখিব বিচাৰিছো যে আজি যি সকলৰ পৰা আমি ইমান আয় পাইছো সেই আয়ৰ ফালৰ পৰা লক্ষ্য নকৰি জুডিচিয়েৰীক পৱিত্ৰ হিচাবে ৰখাৰ কাৰণে জনতা চৰকাৰৰ যি প্ৰতিশ্ৰুতি এই প্ৰতিশ্ৰুতি ৰক্ষা কৰাৰ কাৰণে কৰ্মচাৰী সকলক সমাজৰ পৰা আতৰাই ৰাখি কৰ্মচাৰী সকলে পৱিত্ৰ ভাবে কাম কৰাৰ কাৰণে যিখিনি সা-সুবিধা দিয়াৰ দৰকাৰ সেইখিনিৰ প্ৰতি যদি লক্ষ্য ৰাখি দিয়ে তেতিয়াহলে অতিৰিক্ত মঞ্জুৰী দাবীৰ সমৰ্থন কৰাত দ্বিধাবোধ নাথাকে।

অধ্যক্ষ মহোদয়, অতি পৰিতাপৰ বিষয় যে এচ, এন, বাংলা সমূহত বাকী ঘৰ ভাড়া আদায় দিয়াৰ কাৰণে ৬৬, ৩৬৪ টকা চৰকাৰে অতিৰিক্ত বাজেটৰ পৰা দিবলগীয়া হৈছে। আমি কব নোৱাৰো এচ, এন, বাংলাৰ মালিক সকলৰ যি ঘৰ ভাড়া হৈছিল সেই ঘৰ ভাড়া আজি এক বছৰে কিয় পৰি আছে? যদি এইটো পুৰণি ঘৰ হিচাবে আগৰ চৰকাৰক চলোৱাৰ কাৰণে দিয়া হৈছিল, জুডিচিয়েৰী কৰ্মচাৰী সকলৰ কাৰণে কিয় খৰচ নকৰিলে তাৰ কাৰণে জগৰীয়া কৰিছো। কিন্তু আমি বুজি নাপাও এই টকা কাৰ দোষৰ কাৰণে ইমান দিন বাকী পৰি আছে সেইটো ইয়াত উল্লেখ নাই। মই এইটো কথা জানিব বিচাৰিছো যে যিবিলাক পুৰণি বাংলা জুডিচিয়েৰী মেজিষ্ট্ৰেটক থাকিবলৈ দিয়া হৈছে সেই বিলাকত তেওঁলোক থকাৰ কাৰণে ঘৰ বিলাক উপযোগী নহয়। সেইবিলাক ঘৰত তেওঁলোকক থাকিবলৈ দি তেওঁলোকৰ পদমৰ্য্যদাৰ অৱমাননা কৰা হৈছে। অথচ এইবিলাক বাংলা ৰাজনৈতিক উদ্দেশ্যৰে প্ৰণোদিত হৈ মালিক সকলক সুবিধা দিবৰ কাৰণেই ৰাজনৈতিক ভাবে অধিক ধন খৰচ কৰি লোৱা হৈছে।

আজি কালি যিবিলাক নতুন নতুন ঘৰ প্ৰাইভেট মানুহে বান্ধিছে সেইবিলাক চৰকাৰে লোৱা হলে, তাতোকৈ কম ভাড়াতে পালোহেতেন আৰু কৰ্মচাৰী সকলোৰো পদমৰ্য্যাদাৰ অৱমাননা নহলহেতেন আৰু থাকিবলৈও সুবিধা পালেহেতেন। এইখিনি নকৰি চৰকাৰে পুৰণি বাংলা বিলাক লৈ জুডিচিয়েৰীত অধিক ধন খৰচ কৰা হৈছে। সেই কাৰণে অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই সুধিব বিচাৰিছোঁ সেইবিলাক পুৰণি ঘৰ বেচি পইচা ভাড়া দি ধনাই পইচা খৰচ কৰি মেৰামতি কৰি থকাতকৈ তাতকৈ কম দামত নতুন ঘৰ ভাড়া লৈ তেওঁলোকৰ পদমৰ্য্যদা যাতে ৰক্ষা কৰিব পাৰে তাৰ কাৰণে ব্যৱস্থা লবলৈ যত্ন কৰক। অধ্যক্ষ মহোদয়, মই এটা দাবী প্ৰায়েই জনাই আহিছো। এই দাবীৰ সম্পৰ্কত এক বছৰেই হৈ গ'ল। মই অকলশৰীয়া কাৰনেই জনতা চৰকাৰে মোৰ এই দাবী সম্পৰ্কত আলোচনা কৰিবলৈ যত্ন কৰা নাই। এই সুযোগতে মই এই দাবীটো দোহাৰিছো। দোহাৰিছো এই কাৰণেই যে আমি জানো যে আমাৰ ৰাইজ দৰিদ্ৰ। এই দৰিদ্ৰ ৰাইজে বিচাৰ পাবলৈ হলে, জাচটিচ পাবলৈ হলে যিমান খৰচ কৰিব লগীয়া হয় সেইখিনি খৰচ কৰিবলৈ আমাৰ ৰাইজৰ সামৰ্থ নাই। আমাৰ ৰাইজ গৰীব হোৱা স্বত্তেও অন্যান্য ৰাজ্যত বিচাৰ পাবৰ কাৰণে যিমান টকা খৰচ কৰিবলগীয়া হয় আমাৰ ইয়াত তাতকৈ বেছি টকা খৰচ কৰিবলগীয়া হয়। উদাহৰণ স্বৰুপে মই জনাব বিচাৰিছো যে পশ্চিমবঙ্গত এক হাজাৰ টকাৰ কোৰ্টফিচ একশতকৈ কম দিবলগীয়া হয়। কিন্তু আমাৰ ইয়াত এক হাজাৰ টকাৰ বিচাৰ পাবলগীয়া হলে ১৩২.৮৫ টকা দিব লাগে। ঠিক তেনেকৈ কৃ'লিওৰ ক্ষেত্ৰতো

অসমৰ বাইজে য'ত :৭৫ টকা দিয়ে, পশ্চিম বঙ্গত '২৫ টকা আৰু ইউ, পি, ত :২০ টকা। ইউ, পি, ত এক হাজাৰ টকাৰ কোর্ট-ফিচ ৮০:০০ টকা। এই সম্পৰ্কে মই আপত্তি দিছো যে অন্ততঃ অন্যান্য ৰাজ্যৰ লগত সম্পৰ্ক ৰাখি অসমত যাতে কোর্টফিছ হেচা বেছিকৈ দিয়া নহয় তাৰ কাৰণে কোর্টফিচ কমাই দিয়া উচিত। আজি বহুতো মানুহে যি বিলাক বিচাৰ বিচাৰে সেই বিচাৰ বিলাক পাবলৈ যিমান কর্টফিচ যোগাৰ কৰিব লাগে সেইখিনি যোগাৰ কৰিব নোৱাৰাৰ কাৰণেই তেওঁলোকে গোচৰ কৰিব নোৱাৰে। তেনেকুৱা বহুত উদাহৰণ মই দিব পাৰো। আৰু ফৰ্মও বিলাক বেচি দামত বিক্ৰী কৰি থকা হৈছে।

মাননীয় অধ্যক্ষ :— মাননীয় সদস্যই ৰিপিট নকৰিব।

শ্ৰীচিৰাজুল হক :— মই নকৰো। আজি কোর্ট বিলাকত এক্সপ্লইটেচন চলিছে। অধ্যক্ষ মহোদয় আপুনিও আগতে প্ৰেক্টিচ কৰিছিল। ৬৬ ধাৰা মতে চিভিল কোর্টৰ ফৰম, নাইবা চমন, নোটিচ ইত্যাদিৰ যিবিলাক ফৰম সেইবিলাক ৰাজ্য চৰকাৰে যোগান ধৰিব লাগে এইবিলাক কম দামত আৰু নিয়ম অনুযায়ী যাতে বিচাৰ পাব পাৰে তাৰ কাৰণে যোগান ধৰাৰ ব্যৱস্থা আছিল। এই ফৰম বিলাক কম দামত পোৱা হেতেন ৰাইজে সকাহ পালেহেঁতেন। আৰু প্ৰকৃত বিচাৰ পালেহেঁতেন। আজি ১০ বছৰ মানৰ পৰা লক্ষ্য কৰি আহিছো যে ফৰম বিলাক আগৰ দৰেই আছে নতুনকৈ ছপা কৰা হোৱা নাই। তাৰ কাৰণে বাৰ লাইব্ৰেৰী বা মহৰীৰ পৰা অধিক মূল্যত এই ফৰম বিলাক কিনিব লগা হৈছে। এই বিলাক ফৰম আইনৰ ভিত্তিত ছপা নোহোৱাৰ কাৰণে এই

বিলাক বহু ক্ষেত্ৰত ডিচমিচ হৈছে।

গতিকে মই সনিৰ্ব্বন্ধ অনুৰোধ জনালো যাতে এই সক্ক সক্ক কথা বিলাক যেনে ফৰ্মচাপ্লাই দিয়া আদি কথা বিলাক ভাল-দৰে চায়। কিয়নো এই ফৰ্মচাপ্লাই দিয়াৰ সময় পলম হোৱা কাৰণেও বহুতো কেচ নাকচ হৈ যায় আৰু কলা বজাৰত অধিক মূল্যতো এই ফৰ্ম কিনিবলগীয়া হয়। তাৰ দ্বাৰা ৰাইজ হাৰাশাস্তি প্ৰাপ্ত হয়। মোৰ বিশ্বাস এই ক্ষেত্ৰত বৰ্ত্তমান চৰকাৰে অলপ নজৰ ৰাখিব।

অধ্যক্ষ মহোদয়, মই আকৌ এবাৰ দোহাৰীব খোজা নাই। বহুতো কথা কবলগীয়া আছিল যদিও এটা কথা মাত্ৰ কওঁ যে মুখ্য কথা হ'ল ন্যায় পালিকা, মুন্সিভ আদি বিষয়া সকলে যাতে সন্মানেৰে কাম কৰিব পাৰে তাৰ পৰিবেশ সৃষ্টি কৰিব বুলি মই চৰকাৰৰ ওচৰত আশা ৰাখিলো। আমাৰ আইন মন্ত্ৰী এজন আইনজ্ঞ। তেখেত বহুদিনৰ পৰা এই অফিচাৰ সকলৰ লগত থাকি আৰু ব্যক্তিগত অভিজ্ঞতাও গোটাবলৈ সুবিধা পাইছিল গতিকে এই বিষয়ত তেখেতক পৰামৰ্শ বিশেষ একো দিব নোখোজো। কিন্তু তেখেত বিত্ত আৰু আইন দুয়োটা দপ্তৰৰ মন্ত্ৰীৰ দায়িত্বত থকা সত্বেও ইমান দিনৰ ভিতৰত কোনো ধৰণৰ প্ৰগ্ৰেছ ৰিপোৰ্ট নোপোৱা কাৰনে বৰ দুখ পাইছো। আশাকৰো তেখেতে নিজৰ অভিজ্ঞতা কামত খটুৱাই কামত আগুৱাই যাব জুডিচিয়েল বিভাগটোৰ উন্নতিৰ কাৰণে। এই খিনি কথাকে আগত ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীদানেশ আলী অহমেদ :— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰশাসনীয়

ন্যায় বিভাগৰ কাৰণে যিটো অতিৰিক্ত মঞ্জুৰী দাবী বিত্তমন্ত্রী শ্ৰীকেশৱ চন্দ্র গগৈ ডাঙৰীয়াই আনিছে আৰু তাৰ ওপৰত মাননীয় সদস্য শ্ৰীমুকুট শৰ্ম্মা ডাঙৰীয়াই যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে সেইটো সমৰ্থন কৰি দুষাবমান কব খুজিছো। ইয়াত ন লাখ সাতাইশ হাজাৰ তিনিশ চৌসত্তৰ টকাৰ অতিৰিক্ত দাবী মঞ্জুৰী বিচাৰিছে। এইটো চাৰিটা বিভাগৰ কাৰণে বিচাৰিছে। মই বাকী তিনিটাৰ কথা কব বিচৰা নাই। প্ৰথমটো হ'ল দৰমহা। ইয়াত দৰমহাৰ কাৰনে সাত লাখ বাৱন্ন হাজাৰ তিনিশ পঞ্চাশ টকা, আকৌ তিনি লাখ টকা আৰু বাকী অৱশিষ্ট খিনি আৰ-এচ-এচৰ কাৰণে তিনিশ চৌসত্তৰ টকা আৰু তিনিচুকীয়াৰ ভাড়াঘৰৰ বাবদ আৰু কিছু টকাৰ আৱশ্যক বুলি কোৱা হৈছে। দৰমহা দিয়াত আমাৰ আপত্তি নাই। কিয়নো দৰমহা দিবই লাগিব। বিভিন্ন বিভাগলৈ যিটো টকা পাইছে সেইটো জুডিচিয়েল বিভাগতো দিব লাগিব। কৰ্ম্মী সকলক দৰমহা দিব লাগিব। দুষ্টক দমন শিষ্টক পালন কৰাই এই বিভাগৰ কাৰ্য্য। কিন্তু সাধাৰণতে কোৱা হয় যে জাষ্টিচ্ ডিলেইড্ জাষ্টিচ্ ডিনাইড। কিন্তু কৰ্ম্মচাৰী সকলে যাতে কেৱল দৰমহা খায়েই বহি থাকিব নালাগে কাম কৰিবলৈ সুযোগ পাব পাৰে তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। কাম কৰিবলৈ সুযোগ দিয়া উচিত। মোৰ আগতে এজন মাননীয় সদস্যই এইটো কথা কৈ গৈছে যে ভাড়া ঘৰত থকা কাৰণে মেজিষ্ট্ৰেট মুন্সিফ আদি সকলে ব্যক্তিগত ভাৱে সাধাৰণ ৰাইজৰ পৰা দূৰত থাকিবলগীয়া হয় কিন্তু থাকিব নোৱাৰাৰ বাবে, ইয়েই কাম কৰাৰ পৰি-পন্থি অৱস্থাৰ সৃষ্টি কৰে। ইয়াৰ কাৰণে চৰকাৰৰ ফালৰ পৰা আশু ব্যৱস্থা লোৱা প্ৰয়োজন। লক্ষীমপুৰ কৰিমগঞ্জত নতুনকৈ চেচন

আদালত কৰা কাৰণে অতি- ৰিক্ত টকাৰ প্ৰয়োজনৰ কথা লিখা হৈছে। কিছু টকা এ-ডি-এ, ডি এৰ কাৰণে ৰখা হৈছে। টকা দিয়া হওক কিন্তু নিযুক্তিদিয়াত ঠিক হব লাগে। নকল নবিচ সকলৰ ক্ষেত্ৰত আজি বহুত দিনৰ পৰা বৈষম্য চলি আছে। পুলিচ বিলাকৰ ডায়েৰী নকল কৰি দিয়াৰ কাৰণেও প্ৰতি পৃষ্ঠাৰ বাবদ টকা পায়। ইয়াত এডিচনেল ওৱেজৰ কথাও কোৱা হৈছে। আন ফালেও ফলিত লিখা নকল নবিচ সবলৰ কাৰণে দিয়া হোৱা নাই। গতিকে দুয়োটা বিভাগৰ যাতে বৈষম্য নাথাকে তাৰ কাৰণে মই আইন মন্ত্ৰীৰ ওচৰত অনুৰোধ ৰাখিলো। আৰ-এচ-এম কোম্পানীৰ পৰা কিহৰ টকা ধাৰে লোৱা হৈছিল সেইটো ইয়াত নজনালে। জনালে ভাল পালোহেতেন। আশাকৰো এই কথাটো পবিত্ৰ সদনত জনাই আমাক জনাৰ সুবিধা দিব। ইয়াৰ বাহিৰেও দেনা পৰিশোধ কৰি-বৰ কাৰণে কিছু টকা ৰখা হৈছে কিন্তু কিহৰ দেনা সেইটো পৰি-ষ্কাৰ ভাৱে জনোৱা হোৱা নাই। আমাৰ ন্যায় পালিকাৰ কাৰণে কোনো ঘৰ দুৱাৰ নাই ফলত ভাড়া ঘৰত থাকিবলগীয়া হয় সেইটো ডাঙৰ কথা। চৰকাৰৰ ফালৰ পৰা তেওঁলোকৰ বাবে থকা ঘৰৰ ব্যৱস্থা কৰিব লাগে। তেতিয়াহলে উন্নত ন্যায় বিচাৰ আশা কৰিব পাৰি। এইখিনি কথা কৈয়েই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (আইন মন্ত্ৰী):— মাননীয় অধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাৱত ভাগ লৈ মাননীয় সদস্য সকলে যি কেইটা কথা উত্থাপন কৰিছে তাৰ উত্তৰত তেখেতসকলক জনাব খোজো যে প্ৰথমতে মোক কোৱা হৈছে যে এই বছৰত Judiciary ত কি ইম্-

প্ৰোভ কৰা হৈছে, সেই বিষয়ে জনাব খুজিছো। মাননীয় সদস্য সকলে জানে যে আমাৰ তিনিটা অংশ। লেজিলেটিভ, এক্সিকিউ-টিভ আৰু জুডিচিয়াৰি। এই তিনিওটা পৃথক বিভাগ। Judicial বিভাগত চৰকাৰৰ ফালৰ পৰা দৰমহা আদি দি থকাৰ বাহিৰে কামৰ ওপৰত চৰকাৰে হাত দিবলগীয়া একো নাই। হাউচৰেন্ট এলাউন্স আদি দিয়া হয়। কি ভাবে নিযুক্তি দিয়ে বা কাৰ্য্যাদি কৰে সেইটো নিৰ্ভৰ কৰে হাইকোৰ্টৰ ওপৰত। এই Deptt. হাইকোৰ্টৰ ডিৰেক্ট কন্ট্ৰলৰ ওপৰত চলে। গতিকে মন্ত্ৰী হিচাবে এই জুডিচিয়েল বিভাগৰ ওপৰত মোৰ কোনো কন্ট্ৰল নাই।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ— ফেচিলিটি আদিৰ কথাহে কোৱা হৈছিল।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (আইন মন্ত্ৰী) ঃ— এই কথা প্ৰসঙ্গতেই সেইটো কৈছো। মাননীয় সদস্য সকলৰ নিশ্চয় মনত আছে যে যোৱা বাৰ অধিবেশনত পবিত্ৰ সদনৰ মজিয়াত মই কৈছিলো যে লোৱাৰ জুডিচিয়েল অফি-চাৰ সকলৰ কাৰণে সা-সুবিধা আদি দিয়া আমাৰ চৰকাৰৰ কৰ্ত্তব্য। মই নিজে ত্ৰিশ বছৰ ধৰি নিম্ন জুডিচিয়েল বিষয়া সকলৰ লগত থাকি তেখেত সকলৰ অভাৱ-অভিযোগ, কাম কাজ সকলো নিজে উপলব্ধি কৰিব পাৰিছিলো। এই কথাও স্বীকাৰ কৰো যে তেখেত-সকলৰ কাৰণে যি সা-সুবিধাৰ দৰকাৰ সেইখিনি তেখেতসকললৈ আগবঢ়োৱাতো নিতান্ত প্ৰয়োজনীয় কথা। তেতিয়াহে তেখেতসকলে ইণ্ডিপেণ্ডেণ্ট জুডিচিয়াৰি হিচাবে কাম কৰিবলৈ সুবিধা পাব। ইতি-মধ্যে আমি জিলা ন্যায়াধীশ সকলৰ (ডিষ্ট্ৰিক্ট জাজ) কাৰণে ঘৰৰ ব্যৱস্থা কৰিছো। একমাত্ৰ ধুবুৰীৰ বাহিৰে কেইবা ঠাইতো ঘৰ সজা কাম হৈছে। ধুবুৰীত মাটিৰ অভাৱত কাম কৰিব পৰা

নাই। টকাৰ অভাৱ হোৱা নাই। টকা ৰখা হৈছে কিন্তু মাটিৰ অভাৱৰ কাৰণে কাম আৰম্ভ কৰিব পৰা নাই। বাকী চৰকাৰী চাকৰিয়াল সকলৰ লগত জুডিচিয়েল অফিচাৰ সকলেও যাতে সমানে ঘৰ আদিৰ সুবিধা পাব পাৰে, চৰকাৰী ঘৰৰ আবণ্টন পাব পাৰে তাৰ কাৰণে ব্যৱস্থা কৰা হৈছে।

জিলা সদৰৰ প্ৰথম ঘৰটো বিষয়া হিচাবে দি, চিয়ে পাব। দ্বিতীয়তো পাব District Judge সেইদৰে বেলেগ বেলেগ চাব-ডিভিজনত প্ৰথমটো এচ, ডি, অ' আৰু দ্বিতীয়টো Sub-Div: Judicial Magistrate য়ে পাব। আগতে অসুবিধা আছিল জোদিচিয়েল Department বেলেগ হৈ গল। তেতিয়া যদিও অসুবিধা হৈছিল এতিয়া সুবিধা বিলাক দিয়া হৈছে। আমি একজিকিউটিভ আৰু জোদিচিয়েৰিৰ মাজত যাতে ঘৰ দিয়াৰ বিষয়ত কোনো তাৰ-তম্য নেথাকে তালৈ লক্ষ্য ৰাখি সকলোকে ঘৰৰ সুবিধা দিয়াৰ কাৰণে চিন্তা কৰিছো। এই ক্ষেত্ৰত জোদিচিয়েল অফিচাৰ সকলৰ এখন সমবায় গঠন কৰা কথা ভবা হৈছিল। এটা এপেক্স বডি কৰি লৈ টকা পইচা সংগ্ৰহ কৰি এই দিশত আগবাঢ়ি যাবলৈ চিন্তা কৰিছিলো। কিন্তু সেইটো হৈ উঠা নাই। এতিয়া আমি ফেইজ মেনাৰত ঘৰ বান্ধি দিবলৈ চেষ্টা চলাই আছো। সেইমতে ঘৰ বনোৱা হলে তেওঁলোকক দিবলৈ চেষ্টা কৰা হয়। ষষ্ঠ বিত্তীয় আয়োগে Judiciaryৰ আপ গ্ৰেদিঙৰ ক্ষেত্ৰত এটা টকা দিছিল। কিন্তু আগৰ চৰকাৰে জেনেৰেল বাজেটত সামৰি তেনে টকা খৰচ কৰিছিল জোদিচিয়েৰীৰ কাৰণে যি টকা খৰচ কৰিছিল তাৰ কোনো বেলেগ হিচাব নাই। সেইদৰে সপ্তম বিত্তীয় আয়োগেও আপ গ্ৰেডেচনৰ কাৰণে টকা দিছে।

সেই টকা কি ধৰণে খৰচ কৰা হব সেইটো আমি বছৰে বছৰে দিব পাৰিম। এইখিনিত মাননীয় সদস্য সকলে টকা খিনি কি ধৰণে খৰচ হৈছে সেইটো জানিবলৈ বিছাৰিছে। মই জনাওঁ মুঠটকা ৮ লাখ ৫০ হেজাৰ তাৰ ৬ লাখ ৫০ হেজাৰ টকাৰ ভিতৰত ১ লাখ ৩০ হেজাৰ ইন্টাৰিম ৰিলিফৰ নামত আৰু তাৰ পাচত ৪ লাখ ৩০ হেজাৰ খৰচ হব দি, এৰ কাৰণে আৰু ৯০ হেজাৰ হব হাউচ ৰেন্টৰ allowance ৰ কাৰণে মুঠ ৬ লাখ ৫০ হেজাৰ। বাকী যি ২ লাখ টকা আছে সেইটো নগাওঁ, কাছাৰ, আৰু নৰ্থ লক্ষীমপুৰ ASStt ডিষ্টিক জাজৰ কর্ট কৰা হল। ইয়াৰ বাহিৰেও আছিল ২ খন এডিচনেল ডিষ্টিক জাজৰ কর্ট কৰা কথা। টকাটো এতিয়াও নোপোৱাৰ কাৰণে এতিয়াও কৰিব পৰা হোৱা নাই। ইয়াৰ পিচত আৰু এটা কথা হল আ, এচ, এন, কোম্পানী ঘৰ ভাড়া লোৱা কথা। বহু ভাড়ালৈ ঘৰটো লব লগীয়া হৈছিল। ধুবুৰীত এইঘৰ District Judge ৰ কাৰণে লোৱা হৈছিল। তেতিয়া কিন্তু এই ঘৰৰ কোনো ভাড়া নিৰিখ ফিকচেচন কৰা হোৱা নাছিল। তেতিয়া আগৰ চৰকাৰ আছিল। এতিয়া এই ঘৰৰ ভাড়া ফিকচেচন কৰা হল। গতিকেই আগৰ চৰকাৰে যিটো ভাড়া দিবলগীয়া আছিল অৰ্থাৎ এৰিয়াৰ সেই টকাটো আমি দি দিছো। আ, এচ, এণ্ড কোম্পানীক ঘৰটো এৰি দিয়া হল। কপিষ্টৰ কথা মাননীয় সদস্য সকলে যিটো কথা কৈছে সেইটো ক্ৰিমিনেল পচিডিউৰ সংশোধনী হোৱা পিচত পুলিচে দায়েৰীৰ নকল দিবলগীয়া হল। গতিকেই নতুনকৈ কপিষ্ট নিয়োগ কৰিব লগীয়া হল। আগেয়ে পুলিচে নিজে কপি কৰি দিছিল। কিন্তু এতিয়া তেওঁলোকে নকৰা হল। গতিকে এই নতুন কপিষ্ট

সকলক লৈ এই কাম কৰিব লগীয়া হৈছে। ইয়াৰ দুটা ভাগ আছে। এটা কপি হল দৰখাস্ত কৰি কপি কৰিব পাৰি। আৰু আনটো আইনৰ দ্বাৰা দিব লাগে। এপলাই কৰিলবলৈ হলে ৰেটটো বাঢ়ি যায়। তাৰ পিচত আৰু এটা কথা কবলৈ বিচাৰিছো নকল কপি কাৰণে বহুতো টকা খৰচ হয়। গতিকে এই বিষয়েও যাতে অসুবিধাত পৰা নেযায় তাৰ কাৰণে চিন্তা কৰা হৈছে। এই কৰ্টফীজ ষ্টাম্প যিটো ৰেট সেইটো আগতে বঢ়াই দিয়া হল আৰু এতিয়াও সেইমতেই চলি আছে। ৰেট কমাবৰ কাৰণে আমি বিবেচনা কৰি আছিলো, কিন্তু আমাৰ বাজেটৰ যিটো অৱস্থা তাতে চাই কৰ্টফিচ ষ্টাম্পৰ ডিউটিটো কমাব পৰা নগল। আগৰ যিটো ৰেট সেইমতেই ৰাইজে ভৰিব লগা হৈছে। চৰকাৰে অনুভৱ কৰে বৰ্ত্তমান বাজেটৰ পৰিপ্ৰেক্ষিতত এই সকাহ দিবলৈ সুবিধা কৰিব পৰা নাই। আমাৰ যিবিলাক ফৰমচ আছে সেইবিলাক ছপা কৰা কাৰণে আমি প্ৰিন্টিং মন্ত্ৰীৰ লগত আলোচনা কৰিছিলো সেইবিলাক চৰকাৰী প্ৰেছত অসুবিধা হলে প্ৰাইভেট প্ৰেছটো প্ৰিণ্ট কৰিবলৈ ব্যৱস্থা কৰা হৈছে। সেই বিলাক যাতে ফ্ৰি দিব পাৰি তাৰ কাৰণে চিন্তা কৰা হৈছে। অৱশ্য ডিব্ৰুগড় বাৰ এচচিয়েনৰ মই মেম্বাৰ আছিলো। তেওঁলোকে লাইব্ৰেৰী কিতাপ-পত্ৰ কিনিবৰ কাৰণে এই ধৰণে কিছুমান ছপা কৰি উলিয়াই তাক বেচি টকা পইচা অৰ্জন কৰিছে। এতিয়া অৱশ্যে চৰকাৰে ৰাইজক বিনা পইচাই দিবলৈ দায়িত্ব বহন কৰিব। মই এই কেইটা কথা কৈ মাননীয় সদস্য সকলৰ ওচৰত দাঙি ধৰিলো। আৰু আশ্বাস দিলো। যাতে সদনত যি কৰ্ত্তন প্ৰস্তাব দাঙি ধৰিছে তাক যাতে উঠাই লয়।

শ্ৰীপ্ৰেম বৰা ঃ— নীতিগত ভাৱে হাকিম সকলে ভাড়া ঘৰত থকাটো সমৰ্থন কৰেনে নকৰে। আৰু তেওঁলোকক ঘৰ সাজি দিব কাৰণে চেষ্টা কৰিছেনে?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) ঃ— চৰকাৰে নীতিগত ভাবে নিবিচাৰে। কোনোবাই অফিচাৰ ট্ৰেন্সফাৰ হৈ যোৱাৰ পিচত ভাড়া ঘৰ বিচাৰি ফুৰাটো দুৰ্ভাগ্যজনক কথা।

শ্ৰীগজেন তাঁতী ঃ— আৰ, এচ, কোম্পানী যিটো কথা কৈছে এইটো ভাৰতবৰ্ষৰ বাহিৰত নহয় জানো? গতিকে টকাটো কাক দিব।

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) ঃ— মাটি বাৰী তাত আছে। মালিক পালে আইন সংগত ভাবে স্বীকৃতি পাব। চৰকাৰে সেইটো তেওঁক দিব।

শ্ৰীপ্ৰেম বৰা ঃ— ঘৰ সজা হবনে?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— ঘৰ সজা নিশ্চয় হব।

Mr. Speaker :— I put to the vote the Cut Motion Nos 1, 2 & 3 moved by the respective Hon'ble Members that the total provision of Rs. 9, 27, 374 under Supplementary Demand No. 2, Major Head "214-Administration of Justice", at pages 2-3 of the list of Supplementary Demands be reduced by Rs. 100, i. e. the amount of the whole Supplementary Demand of Rs. 9, 27, 374 do stand reduced by Rs. 100.

( The Cut Motion is lost )

Now, I put Demand No: 2 that on the recommendation of the Governor of Assam an additional amount of Rs. 9, 27, 374 be granted to the Minister-in-charge to defay certain charges which will come in the course of payment during the year ending 31st March, 1979 in connection with the administration of the head "714-Administration of Justice".

( The Demand is passed )

Mr: Speaker :— Now Demand No: 3:

শ্রীলক্ষেশ্বৰ গোহাঁই ( মন্ত্রী ) :— মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্রমে মই প্রস্তাৱ কৰিব খোজো যে ১৯৭৯ চনৰ ৩১ মার্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ ২২৯-ভূমি ৰাজহ, ৫০৪ অন্যান্য সাধাৰণ অর্থনৈতিক সেৱা, ভূমি সীমিত কৰণ ৫০৪ অন্যান্য সাধাৰণ অর্থনৈতিক সেৱাৰ বাবে মূলধন ব্যয় সম্পৰ্কীয় শিতানৰ প্রশাসনৰ অর্থে ভাৰপ্রাপ্ত মন্ত্রীক ৫ লাখ অতিৰিক্ত টকা মঞ্জুৰ কৰিব লাগে।

Mr: Speaker :— Before I proceed I want to know from the hon'ble members whether you are prepared to sit after 5 P. M. because Appropriation Bill is there and more time will be required.

( Voics- yes; yes. )

( Mr. Speaker vocated and Mr. Deputy Speaker occupied the Chair at 12.05 P. M. )

Shri Mukut Sarma :— Mr. Deputy Speaker, Sir. I rise to move the cut motion that the total provision of Rs. 500,000/- under Supplementary Demand No. 3 Major head "229-Land Revenue, 304-Other General Economic Services - III - Land Ceiling, 504- Capital Outlay on other General Economic Services" at page 4 of the List of Supplementary Demands be reduced by Rs. 100 that is the amount of the whole Supplementary demand of Rs. 500,000 do stand reduced by Rs. 100.

Shri Sirazul Haque :— Mr. Deputy Speaker, Sir. I beg to move that the total provision of Rs. 500,000 under Supplementary Demand No. 3, Major head "229-Land revenue, 304-Other General Economic Service-III-Land Ceiling, 504-Capital Outlay on other General Economic Services, page 4 of the List of Supplementary Demands be reduced by Rs. 100, that is the amount of the whole supplementary demand of Rs. 500,000, do stand

reduced by Rs. 100.

মঃ ইব্ৰাহিম আলি ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজহ অন্যান্য সাধাৰণ অৰ্থনৈতিক সেৱা, ভুমিহীন আৰু অন্যান্য অৰ্থনৈতিক সেৱা শিতানত যোৱা বছৰটোৰ কালছোৱাত অধিক সংখ্যক গোচৰ নিস্পত্তি কৰাৰ অজুহাতত ৫ লাখ টকাৰ অতিৰিক্ত দাবী মঞ্জুৰীৰ ক্ষতিপূৰণৰ বাবে প্ৰয়োজন হৈছে আৰু সেই হিচাবে দাবী মঞ্জুৰীলৈ আহিছে।

উপাধ্যক্ষ মহোদয়, অসমৰ নিচিনা দুখীয়া ৰাজ্য এখনৰ ৰাজহ বিভাগৰ নীতি আৰু ইয়াৰ কাৰ্য্য-কলাপৰ যি প্ৰভাব এই প্ৰভাব অসমৰ মানুহৰ কাৰণে জীৱন মৰণ সমস্যাৰ লগত জড়িত। গতিকে মই এই বিষয়টোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে কেচ নিস্পত্তি সম্পৰ্কে কণ্ট্ৰ‌লাৰ অডিটৰ জেনেৰেলৰ পেজ নং ৩৯ ৰ তলৰ কথা খিনিলৈ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো 'According to the provisions of the Land Acquisition Act, 1964, compensation for the acquired land is to be determined on the basis of average sale rates of neighbouring lands for 5 years preceding the date of acquisition. In 8 cases of land acquisition, a supervisor kanungo was alleged to have supplied to the Land Acquisition Officer, Karimganj wrong figures of sale deed and prices, resulting in determination of compensation in excess by Rs. 0.82 lakh'.

এই শাখাৰ জৰিয়তে এটা কথা জানিলে সুখী হলোহেতেন, যোৱা বছৰ এই বিভাগত কিমান বিলাক নিৰীহ খেতিয়কক উচ্ছেদ কৰা হৈছে তাৰ এটা লিষ্ট এই বিভাগে দিব লাগিছিল। এই দৰিদ্ৰ কৃষকসকলৰ হাজাৰ হাজাৰ বিঘা মাটিৰ শস্য নষ্ট কৰিছে। মাননীয় সদস্য সকলে জানে গোবিন্দপুৰ ৰিজাৰ্ভত বেদখলকাৰী আঠৈ হাজাৰ পৰিয়ালে প্ৰায় ৪ হাজাৰ বিঘা মাটি অবাদ কৰিছে। তাত যি সৰিয়হ খেতি কৰিছিল আপোনালোকে আচৰিত হব ডিঙিলৈকে ওখ হৈছিল। আনকি সেই সৰিয়হ পকিবৰ হৈছিল। চৰকাৰৰ পৰা খেতি কৰা হলে হয়তো হাজাৰ হাজাৰ টকা খৰছ কৰিও এনেকুৱা সৰিয়হৰ খেতি কৰিব নোৱাৰিলেহেতেন। কিন্তু ৰাইজে কৰিছিল সেই সৰিয়হ ৰক্ষা কৰাৰ কাৰণে ৰাজহ মন্ত্ৰীক মই নিজে অনুৰোধ কৰিছিলো। কিন্তু মন্ত্ৰী মহোদয়ৰ অনুভূতি থাকিলেও ৰাজহ বিভাগৰ যি আইন সেই আইনৰ মেৰ পাক হাতীয়ে চেৰাব নোৱাৰিলে। যাৰ ফলত সুজলা সুফলা শস্য শ্যামলা এই পথাৰ থন ৰক্ষা কৰিব নোৱাৰিলে। ৰাজহ মন্ত্ৰী মহোদয়ে এতিয়াও ভয়াবহ অৱস্থা গলেই দেখিব। উপাধ্যক্ষ মহোদয়, ৰেভিনিউ বিভাগে ৰাজহ সংগ্ৰহ কৰে। আৰু ৰাজহ সংগ্ৰহ কৰিবলৈ যাওঁতে কাৰোবাৰ কাৰোবাৰ ৰাজহ মাফ দিয়ে অৱশ্যে এই চৰকাৰে ১০ বিঘালৈকে মাটিৰ খাজনা মাফ দিছে তাৰ কাৰণে আমি ভাল পাইছোঁ। ৩০ বছৰীয়া শাসনৰ পৰিবৰ্ত্তন আনি আজি নতুন চৰকাৰ গাদীত আহিছে। আমাৰ সদস্য সকলে আমাক নকল কংগ্ৰেছ বুলি কৈ গৈছে কিন্তু নকল হওক ভাল হওক আমি ভালেই কৰিছিলো। ১০ বিঘালৈকে খাজনা মাফ দিছে কিন্তু তাৰ লগে লগে আচৰিত কথা পাৰ্টিচন ডীড বন্ধ কৰিছে। মই নিজে বাঘবৰ চাৰ্কোল অফিছলৈ গৈছিলো। তেখেত সকলে

কলে নতুন কিবা চাৰ্কোলাৰ নহালৈকে আমি পাৰ্টিচন ডীড বন্ধ কৰিবলৈ বাধ্য হৈছোঁ। ৰাজহ বিভাগৰ নিয়ম নীতি ৰৈছি। তাক উলঙ্ঘা কৰিবলৈ দাবী নকৰোঁ। ১০ বিঘালৈকে মাটিৰ হিচাপ উলিয়াবলৈ পাৰ্টিচন ডীড কিয় বন্ধ কৰিব লগা হল আমি বুজিব নোৱাৰিলোঁ। মাননীয় সদস্য শ্ৰীঅতুল গোস্বামী ডাঙৰীয়াৰ গা খজুৱাইছে ছাগে কোনফালে কব ঠিক নাই। ধৈৰ্য্য ধৰিবলৈ অনুৰোধ কৰিলোঁ। ৰাজহ বিভাগত এটা লেণ্ড ৰিফৰ্মছ কমিছন হৈছে। তাৰ কাৰণে ভাল পাইছোঁ। কমিছন হৈছে যেতিয়া সুচিন্তত ভাবে অধিক ব্যৱস্থা লব পাৰিছিল। আৰু কিছু খেলি মেলি দূৰ হব বুলি আশা কৰিছিলো। তেখেতসকলে ১ বছৰ সুচিন্তিত ভাবে কাম কৰাৰ পিচত আমাৰ ধাৰণা হৈছিল যে বেদখলকাৰী সকলক পট্টন দিয়া হব। সেই হিচপে বিভাগৰ তৰফৰ পৰা বেদখলকাৰী সকলক পট্টন দিয়াৰ ব্যৱস্থা কৰিছিল। কিন্তু পিচদিনাই খবৰ কাগজত ৰাজহ বিভাগৰ এই নীতি বেয়া হৈছে বুলি ওলোৱাত পিচদিনাই তাৰ ব্যৱস্থা একেবাৰে তল পেলাই দিয়া হল বা স্থগিত হল। ৰাজহ বিভাগৰ এই অস্থিৰ নীতিৰ কাৰণে দেশৰ অস্থিৰ অৱস্থা হল। ইচ্ছা থকাস্বত্বেও গৰীৱ সকল আইনৰ ফাকত তল পৰি যায়। মই এটা সৰু কথা কব খুজিছো অধিগ্ৰহণৰ ক্ষেত্ৰত বিভিন্ন বিভাগে মাটি অধিগ্ৰহণ কৰি ৰাজহ বিভাগৰ অনুমোদনৰ কাৰণে বৈ থাকে। গড়কাপ্তানী বিভাগ, ই এণ্ড ডি বিভাগে কয় যে ৰাজহ বিভাগৰ ৰিপোৰ্ট পালেই আমি দি দিম। আচলতে ৰাজহ বিভাগৰ কাৰণে এই দৰিদ্ৰ লোক দেৰী হোৱা বুলি কয়। আৰু এই বিভাগৰ দোষৰ কাৰণে অইন বিলাক বিভাগ বঞ্চিত হয়। আৰু আকৌ ৰাজহ বিভাগৰ ৰিপোৰ্টৰ কাৰনেই অইন বিলাক বিভাগ

বদনামৰ ভাগী হয়। আমাৰ ৰাঘবৰ বহৰী যিটো ই এণ্ড ডি বান্ধ আছে ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে সেইটো এটা বিখ্যাত আৰু পুৰণা বান্ধ। এই বান্ধটোৰ কাৰণে বহুত মানুহ ক্ষতিগ্ৰস্ত হৈছে। কিন্তু তেওঁলোকৰ ন্যায্য প্ৰাপ্য খিনিও আজিলৈকে পোৱা নাই। সুধিলে এটাই উত্তৰ ৰাজহ বিভাগৰ ৰিৰ্পোট নাহিলে আমি কেনেকৈ টকা দিম। গতিকে ৰাজহ বিভাগৰ দক্ষতাৰ ওপৰত সকলোখিনি নিৰ্ভৰ কৰে। অৱশ্যে আমাৰ মন্ত্ৰী মহোদয় এজন সুদক্ষ লোক তাত মোৰ সন্দেহ নাই। কিন্তু তেওঁৰ তলৰ এই বিভাগটোকো সেই আহিত গঢ়ি তুলিব বুলি আশা কৰিলোঁ। এই দক্ষতা দেখুৱাব পাৰিলে ৫ লাখ কিয় তাতকৈ বেচি বিচাৰিলেও দিব। আৰু সেইটো নহলে ৫ টকাও নিদিয়ে। এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰনী মাৰিলোঁ।

শ্ৰীচিৰাজুল হক ঃ— এই দাবী সম্পৰ্কত মই কেইটামান কথা কব খুজিছো। ইয়াত চিলিং গোচৰ নিস্পত্তিৰ কাৰণে বহুতো খৰচ হৈছে। তাৰ কথাটো উঠিছে। কিমান চিলিং গোচৰ নিস্পত্তি হ'ল তাৰ কাৰণে কিমান খৰচ হব এইটো নাজানো। মই এটা অনুৰোধ ৰাখিব বিচাৰিছো এই অনুৰোধটো হৈছে যে চিলিং কেচবিলাক গুৰুত্বসহকাৰে চোৱা হয়নে নহয়? আৰু পুৰণি কেচবিলাক অতি সোনকালে নিস্পত্তি কৰাৰ কাৰণে আগৰ চৰকাৰৰ কথা বাদেই নতুন চৰকাৰে কি কৰিছে? মই তিনি খন মৌজাৰ কথা উল্লেখ কৰিব বিচাৰিছো। ১৯৫৬ চনত চিলিং এক্ট ৰুজু হোৱাৰ পিচতে এই কেচ হৈছিল। ভৱানীপুৰ আৰু বেতবাৰীত জমিদাৰৰ ৰাজত্ব আছিল। আৰু সেইকাৰণে চিলিং কেচ হৈছিল। আজি ভালেমান দিন হ'ল হাইকোৰ্টৰ পৰা কেচ চুপ্ৰিম কোৰ্ট পালে। তাৰ পৰা

আৰো কেচ ঘুৰি আহিছে। যাতে অন্যান্য এলেকাত যিবিলাক পৰ্বতীয়া গোহাঁইৰ মাটি আছিল সেইবিলাকতো বহুতো চিলিংকেচ আছিল। কিন্তু অতি পৰিতাপৰ কথা যে চিলিং আইনৰ (৪) আৰু (১৬) চেক্‌চন মতে এই মৌজাদাৰ সকলৰ তলত যিসকলে মাটি দখল কৰি আছিল তেওঁলোকক ৫০ বিঘাকৈ মাটি দিয়াৰ লিখি আছে। উপাধ্যক্ষ মহোদয়, আপুনি জানেনে চেকচন (১৬) মতে এটা বিচাৰ কৰা হয় আৰু সেই মৰ্মে অন্যান্য জামিদাৰ আৰু পৰ্বতীয়া গোহাঁইৰ মাটি দখল কৰি থকা ৰায়তসকলে চিলিং আইন মতে ডেৰ শ বিঘা, ৭৫ বিঘাকৈ মাটি পাইছে। কিন্তু জৰুৰীকালিন অৱস্থাৰ সময়ত, আমাৰ সো-ফালে বহি থকা সদস্য সকলে আমাৰ এই তুখন মৌজাৰ কাৰণে নতুন নিয়ম কৰিলে যে এই মৌজাৰ ৰায়ত সকলে ৯ বিঘ কৈহে মাটি পাব লাগে। কিন্তু এইটো কি নিয়ম ? আমাৰ ওচৰতেই বহুতে ৫০ বিঘা, ৭৫ বিঘাকৈ মাটি পাইছে। কিন্তু এই তুখন মৌজাৰ মানুহে পাব মাত্ৰ ৯ বিঘা মাটি। এই সংক্ৰান্তত মুখ্যমন্ত্ৰী আৰু ৰাজহ মন্ত্ৰী ওচৰত ৰিপ্ৰেজেনটেশ্যনো দিছিলো মুখ্যমন্ত্ৰীয়ে চাহ-তাহ খুৱাই কলে যে ৯ বিঘাৰ ওপৰত মাটি দিব নোৱাৰো জৰুৰী-কালিন অৱস্থাৰ সময়ত জেল খোৱাৰো ভয় আছিল যদিও কিমান দিন জেলত ৰাখিব। এই সাহসতে দিল্লী পালো আৰু স্বৰ্গীয় ফখৰুদ্দিন আলী আহমদৰ লগত আলোচনা কৰি কেচ কৰা হল আৰু তাৰ পিচতহে সেইটো মঞ্জুৰ হ'ল। তাত তেতিয়া মুখ্য-মন্ত্ৰী আৰু পুলিচ বিভাগৰ মন্ত্ৰীও উপস্থিত আছিল। একেখন আইনতে যদি কোনোবাই ৫০ বিঘা পাব পাৰে, একেখন আই-নেৰেই বেনেকৈ মাত্ৰ ৯ বিঘাকৈ পাব। এইবিলাক অৰ্ডিনেন্স

বেক কৰাৰ কাৰণে মোক আনকি এৰেষ্টও কৰিব বিচাৰিছিল আৰু মোৰ পিচত চি, আই, ডি, লাগিছিল। উপাধ্যক্ষ্য মহোদয় এতিয়া সেই মোকৰ্দ্দমা বিলাক ঘুৰি অহাৰ পিচত যোৱা ২৭ ফেব্রুৱাৰীত বোধহয়, তাৰিখতো মোৰ মনত নাই, যেতিয়া তেখেত-সকলৰ গাদী যাওঁ যাওঁ অৱস্থা হ'ল ঠিক সেই সময়ত অৰ্ডাৰ দিলে যে চিলিং আইনৰ (১৬) ধাৰা মতে ৫৪ বিঘাকৈ মাটি পাব। এইটো হুকুম হৈছিল কংগ্রেছ চৰকাৰৰ দিনত। কিন্তু জনতা চৰকাৰৰ দিনত আজি এক বছৰেই এই কেচ বিলাক পৰি আছে। গতিকে ৰাজহ বিভাগে যদি এই কথাবিলাক ভালদৰে ভাবি চালেহেতেন ৰাইজেও ভাল পালেহেতেন। আৰু এই সং-ক্রান্তত যিটো অতিৰিক্ত ঘাটি মঞ্জুৰী দাবী আনিছে এইটোত পুৰণি কেচ বিলাক ধৰা হেতেন আনন্দিত হলোহেতেন। মই আশা ৰাখিছো যে এই দুখন মৌজাৰ যিবিলাক মানুহে ১৯৫৬ চনৰ পৰা আজি ২২ বছৰে নামজাৰি পোৱা নাই। তেওঁলোকৰ সতি সন্ততি বোৰে তাৰ ফলত নানা ধৰণৰ অসুবিধা ভোগ কৰি আছিছে। কিন্তু নামজাৰি নোহোৱাৰ ফলত কাৰ ভাগত কিমান মাটি পৰিব কব নোৱাৰে। গতিকে মই এই কথাখিনি কৈ বেত্তবাৰী আৰু ভৱানীপুৰ মৌজাৰ শ্ৰীঅজয় কুমাৰ মুখৰ্জী আৰু শ্ৰীউপেন্দ্ৰ নাথ শীলৰ কেচ দুটাৰ ব্যৱস্থা কৰিলে ভাল পাম।

* শ্ৰীলক্ষেশ্বৰ গোঁহাই (ৰাজহ মন্ত্ৰী) :— মাননীয় উপাধ্যক্ষ মহোদয়, এই অতিৰিক্ত ৫ লাখ টকা বিচৰা হৈছে মাটি অধিগ্ৰহন কৰা আৰু ক্ষতি-পুৰণৰ কাৰণে। ইতিমধ্যে আমাৰ মাননীয় সদস্য শ্ৰীইব্ৰাহিম

* Speech not corrected

আলিয়ে কেইটামান অভিযোগ আনিছে বিশেষকৈ এইটো কৰিমগঞ্জত দুৰ্নীতি পৰায়ণ কৰ্মচাৰীৰ কথা উঠাইছে। এই সম্পৰ্কত আমি তদন্ত কৰাৰ ব্যৱস্থা কৰিম বুলি ভাবিছো। তেখেতে কৈছে দৰিদ্ৰ লোক সকলৰ মাজত মাটি বিতৰণ কৰোতে চৰকাৰে যিমান তৎপৰতাৰে ব্যৱস্থা কৰিব লাগে তাতকৈ ধনী মানুহৰ মাটি অধিগ্ৰহন কৰোতে টকা দিবৰ সময়ত বেছি তৎপৰতা দেখুৱা হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, এইখিনিতে কওঁ যে চিলিং আইনৰ কেচ নিস্পত্তি কৰি আমি মাটিৰ মূল্য দিবলগীয়া হৈছে। এই অধিগ্ৰহনৰ সম্পৰ্ক ইয়াত নাই। তথাপিও মই কব খুজিছো যে আমাৰ ৰাজহুৱা স্বাৰ্থৰ কাৰণে, মাটি অধিগ্ৰহণ কৰিছো মথাউৰিৰ কাৰণে, ৰাস্তাৰ কাৰণে। ইয়াৰ কাৰণে মহকুমা ভিত্তিত এখন কমিটি গঠন কৰি দিয়া হৈছে আৰু এই কমিটিয়ে খুব খৰতকীয়া ভাবে টকা আদি দিয়াৰ চেষ্টা কৰিছে। আৰু তেখেতে পৰামৰ্শ দিছে যে মূল্য নিৰ্দ্ধাৰণ কৰোতে সময় বান্ধি দিবলৈ কৈছে। আমি এইটো চাই আছো। ভুমি সংস্কাৰৰ কথাও তেখেতে কৈছে। এই ক্ষেত্ৰত আমি ভালেখিনি আগবাঢ়ি গৈছো। বিভিন্ন অনুষ্ঠান আৰু বিভিন্ন ব্যক্তিৰ পৰা আমি পৰামৰ্শ লৈছো। আৰু এটা কথা উঠিছে। নামজাৰি সম্পৰ্কত ১০ বিঘা মাটিলৈকে নামজাৰি কৰাৰ ক্ষেত্ৰত তেখেতে এটা কথা কৈছে। আমি চৰকাৰৰ ফালৰ পৰা এটা নিৰ্দ্দেশ এই সম্পৰ্কত দিছো। আমি চিলিং আইন মতে যিটো পৰিয়াল বুলি ধৰো সেইমতে আমি নামজাৰি কৰিবলৈ নিৰ্দিষ্ট। ঘৰ বিলাক বেলেগে বেলেগে থাকিলে উপকৃত হব।

মাননীয় সদস্য শ্ৰীচিৰাজুল হক ডাঙৰীয়াই যিখিনি পৰামৰ্শ দিছে আমি এই বছৰ এতিয়ালৈকে চিলিং কেচ ৰুজু কৰা

হৈছে ২১, ৪৭১ টা। তাৰ ভিতৰত নিস্পত্তি হৈছে ২১, ০৯০ টা। পুনৰ বিবেচনাৰ কাৰণে দৰখাস্ত পাইছো চাহবাগানৰ পৰা ৯২ খন আৰু ব্যক্তিগত মানুহৰ পৰা ২০৫৬ খন। মুঠ ২১,৪৮ খন। নিস্পত্তি হৈছে বাগানৰ ৩১ টা পট্টাদাৰৰ ১৫৯৫ খন।যখিনি কেচ এতিয়ালৈকে নিস্পত্তি হোৱা নাই সেইখিনি নিস্পত্তি কৰিবৰ কাৰণে আমি ব্যৱস্থা লৈছো। তেখেতে যি কেইটা পৰামৰ্শ আগবঢ়াইছে সেইকেইটা আমি বিবেচনা কৰি চাম। গতিকে মই মাননীয় সদস্য সকলক কৰ্ত্তন উঠাই লবলৈ আৰু প্ৰস্তাবটো পৰিপূৰক দাবীটো সমৰ্থণ জনাবলৈ অনুৰোধ জনাইছো।

Mr. Deputy Spearker :— Are the hon'ble members pressing their cut motions ? ( voices-we are not presing )

শ্ৰীপ্ৰেম বৰা :— চিলিঙৰ গোচৰ বিলাক দিলে সোনাপুৰৰ বাগিচাৰ নিচিনাকৈ তত্তাতৈয়াকৈ সৰু সৰু মানুহৰ ক্ষেত্ৰতো মথাউৰী বা ৰাস্তাৰ কাৰণে খতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিলে ভাল হয়।

শ্ৰীলক্ষেশ্বৰ গোহাই ( মন্ত্ৰী ) :— আমি ইতিমধ্যে মহকুমা ভিত্তিত আৰু প্ৰাদেশিক ভিত্তিত কমিটি গঠন কৰি দিছো খৰটকীয়া ব্যৱস্থা লবৰ বাবে। ৰাজহ বিভাগলৈ যিমান বিলাক আপত্তি আহিছে সেই বিলাক আমি নিস্পত্তি কৰিবলৈ চেষ্টা কৰিছো। তেখেতে সোনাপুৰ চাহ বাগিচাৰ যিটো কথা কৈছে তেনেকুৱা কিবা কেলেং কাৰী থাকিলে আমি সেই বিলাক ভালদৰে ভাবি চাম।

মাননীয় উপাধ্যক্ষ :— অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৭৯ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ

কালচোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ ২২৯-ভূমি ৰাজহ, ৫০৪ অন্যান্য সাধাৰণ অৰ্থনৈতিক সেৱা ।।। ভূমি সীমিত কৰণ ৫০৪-অন্যান্য সাধাৰণ অৰ্থনৈতিক সেৱাৰ বাবে মূলধন ব্যয় সম্পৰ্কীয় শিতানত প্ৰশাসনৰ অৰ্থে ভাৰপ্ৰাপ্ত মন্ত্ৰীক ৫,০০,০০০ অতিৰিক্ত টকা মঞ্জুৰ কৰিব লাগে। The Demand is passed. Now the house stands adjourned till 2-30 p.M:

( After lunch )

Demand No. 4.

Dr. Kosheswar Bora: ( Minister of state ) :— Sir, on the recommendation of the Governor of Assam, I beg to move that an additonal amount of Rs. 1,70,-500 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending 31st March, 1979 for the administration of the heads "239 State Excise, 283-Housing-C-Govt, Residential Buildings (II)".

Mr. Deputy Speaker :— Shri Nepal Chandra Das is to move the cut motion. He is absent. So, I put the demand before the House, that an additional amount of Rs. 1, 70, 500 be granted to the Minister-in charge to defray certain charges which will come in the course of payment during the

year ending the 31st March, 1979 for the administration of the heads "239-State Excise, 283-Housing-C-Govt., residential buildings (II)".

( The motion is adopted ).

Demand No. 5:

Shri Golap Barbora ( Chief Minister ):— Sir, on the recommendation of the Governor of Assam, I beg to move that an additional omount of Rs. 3,32,-01,349 be granted to the Minister-in-charge to defray certain charge which will come in the course of payment during the year ending the 31st March, 1979 for the administration of the head "256-Police".

Mr. Deputy Speaker :— There are 5 Cut motions. Shri Shamsul Huda to move first

Shri Shamsul Huda :— Sir, I beg to move that the total provision of Rs. 3,32,01,349, under Supplementary Demand No. 5, Major Head "255-Police," at pages 6-8 of the List of Suqplementary Demands be reduced by Rs. 100, i. e. the amount of the whole suppl mentary demand of Rs. 3, 2,01,349 do stand reduced by Rs. 100.

Mr. Deputy Speaker :— No. 2. Shri Nepal Das is absent. Cut Motion No. 3. Shri Golok Rajbangshi, and Shri Mukut Sarmah.

Shri Mukt Sarmah :— Sir, I beg to move the total provision of Rs 3,32,01,349 under Supplementary Demand No. 5, Major head "255-Police", at page 6-8 of the List of Supplementary Demands, be reduced by Rs. 100 i. e., the amount of the whole supplementary demand of Rs. 3,32, 01,349 stand reduced by Rs. 100.

Shri Bipin Hazarika :— Sir, I beg to move the total provision of Rs. 3,32,01,349/- under Supplementary No. 5, Major head "255-Police", at pages 6-8 of the List of Supplementary Demands, be reduced by Rs. 100 i. e. the amount of the whole supplementary demand of Rs. 3,32,01,349/- stand reduced by Rs. 100.

Shri Atul Goswami :— Sir, I beg to move that the total provision of Rs. 3,32,01,349/- under Supplementary Demand No. 4, Major head "255-Police", at pages 6-8 of the List of susplementary demands, be reduced by Rs. 100 i. e. the amount of the whole supplementary demand of Rs. 3,32,01,349/-

stand reduced by Rs. 100.

* শ্ৰীচামচুল হুদা ঃ— উপাধ্যক্ষ মহোদয়, চাপলিমেণ্টৰী দিমান্দৰ ওপতৰ কৰ্ত্তন প্ৰস্তাব দাঙি ধৰি মই দুটামান কথা সংক্ষেপে কবলৈ বিচাৰিছো। আজি স্বধীন ভাৰতত পুলিশ বাহিনী ৰাইজৰ শৃংখলাৰ কাৰণে কেনেভাবে ব্যৱহাৰ কৰিবলৈ বিচৰা হৈছে সেইটো চাব লগীয়া হৈছে। কিয়নো স্বাধীন হোৱাৰ আগৰে পৰা কংগ্ৰেছ চৰকাৰে এই পুলিচ বাহিনীক কেনেভাবে ব্যৱহাৰ কৰিছিল আৰু এতিয়া সেই পুলিচ বাহিনীক ফাৰ্ণিচাৰ বনাবৰ আগতে বান্দা মাৰি লোৱাৰ নিচিনাকৈ পুলিচ বাহিনীটো বান্দা মাৰি লব লাগি। পুলিচ বাহিনী আজিৰ নহয় যোৱা ৩১ বছৰ কংগ্ৰেছৰ আমোলত যোৱা ১৯ মাহ জনতা চৰকাৰৰ আমোলত অসমৰ জনতা ১১ মাহৰ আমোলত দিল্লিশ্বৰ আৰু অসমৰ সোনেশ্বৰ, কোছেশ্বৰ, আৰু লক্ষ্যেশ্বৰ এই তিনিশ্বৰক লৈ বৰবৰা ডাঙৰীয়াই পুলিচ বাহিনী গঠন মূলক কামত তেনে ভাৱে লগাব বিচাৰিছে। সেইটোৱেহে আলোচনাৰে বিষয় হৈ পাৰিছে।

Shri Santi Ranjan Das Gupta :— Sir, on a point of information I want to intervene. Hon. member Shri Goswmi has moved the Cut motion.. May I know whether he belongs to Janata Party or to any other party ?

Shri Atul Goswami :— The hon. member knows that I

* Speech not corrected

do not belong to the Official Janata Party and so, I have every right to move a cut motion.

* শ্ৰীমুকুট শৰ্ম্মা ঃ— মই যিটো খবৰ পাইছো মাননীয় সদস্য অতুল গোস্বামী ডাঙৰীয়াই ইতিমধ্যে প্ৰাদেশিক জনতা পাৰ্টিলৈ নিৰ্ব্বাচিত হৈ আহিছে, সদস্য হিচাবে আহিছে। গতিকে তেখেতৰ পৰা জানিব বিছাৰিছো তেখেতে কোনফালে বহিছে।

শ্ৰীঅতুল গোস্বামী ঃ— মুকুট শৰ্মা ডাঙৰীয়াই জানে। ভাৰতৰ জনতা পাৰ্টিয়ে মোক যদি বহিস্কাৰ কৰিবলৈ বিছাৰিছে তথাপিতো কলিয়াৰ সমষ্টিত আঠ ইতকৈ সৰহ ভোট দি নিৰ্ব্বাচিত কৰিছে। এতিয়া বলটে তেওঁলোকৰ কটত আছে। গতিকে তেওঁলোকে কি কৰে মই কেনেকৈ জানো।

* শ্ৰীচামচুল হুদা ঃ— মই আগতেই কৈছো যে তিনিশ্বৰক লৈ এই পুলিচ বাহিনীক গঠন মূলক কামত ব্যৱহাৰ কৰা এতিয়ালৈকে দেখা পোৱা নাই। এই চৰকাৰৰ আমোলত পুলিচ বাহিনী তেওঁলোকৰ ক্ষমতা ৰক্ষা এটা উপাদান হিচাবে ব্যৱহাৰ কৰিবলৈ লৈছে। বাতৰি কাকতত ওলাইছে যে জনতা পাৰ্টিৰ ভিতৰতে আভ্যন্তৰীণ কাজিয়াৰ সৃষ্টি হৈছে।

শ্ৰীদুলাল বৰুৱা (মন্ত্ৰী) ঃ— আমাৰ ভিতৰুৱা কোনো কন্দল নাই।

শ্ৰীমুকুট শৰ্মা ঃ— ১১ তাৰিখেহে গম পোৱা হব।

* শ্ৰীচামচুল হুদা ঃ— সেই কাৰণে কৈছো যে ঈয়াৰ প্ৰতিফলন প্ৰসাসনৰ

* Speecs not corrcted

ওপৰত পৰিছে। আজি লাহে লাহে পৰিস্কাৰ হৈ পৰিছে যে পাৰ্টিৰ ভিতৰত দন্দ লাগিলে আৰু তাৰ ফলত পুলিচ বাহিনীৰ ভিতৰতো, আই, এ, এচ আৰু আই, পি, এচৰ মাজত খাম খেয়ালীৰ সৃষ্টি হৈছে।

শ্ৰীতুলাল বৰুৱা ঃ— তেখেত পুৰণা সদস্য। যি কেইটা হেড আছে তাৰ ওপৰত কওঁক।

* শ্ৰীচামচুল হুদা ঃ— যোৱা কাল চোৱাৰ ভিতৰত পুলিচ বিভাগৰ কাম সুচাৰু ৰূপে চলা নাই। বিধান সভাৰ সদস্য সকল দিশপুৰত গম পাব যে কাগজত পুলিচ বিভাগৰ ভিতৰুৱা কিছুমান খবৰ ওলাইছে। সেই সম্পৰ্কে চোকা দৃষ্টি ৰাখিবলৈ চৰকাৰক অনুৰোধ জনালো। অতিৰিক্ত মৰগীয়া বানচ দিয়াত আমি আপত্তি কৰা নাই। যেনেকৈ অতিৰিক্ত হাৰত মৰগীয়া বানচ দিয়া হৈছে তেনেকৈ অতিৰিক্ত উপকাৰ পুলিচ বিভাগৰ পৰা ৰাইজে পাইছে নে নাই? জনসাধাৰণৰ শান্তি শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত পুলিচ বিভাগৰ যি দায়িত্ব তাক ৰক্ষা কৰিব পৰা নাই। বৰং তাৰ ওলোতাটোহে দেখিবলৈ পোৱা যায়। উদাহৰণ স্বৰূপে ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে চুৰি-ডকাইতি বেচি হৈছে। আনকি দিন দুপৰতে 4 বজাত বেলরে ষ্টেচনৰ পিচফালৰ মাৰোৱাৰী দোকানৰ পৰা টকাৰ বাকচ উঠাই লৈ গৈছে। বন্ধুক বাৰুদ লৈ ডকাইতি কৰিছে। হয়বৰ গাওঁৰ মটৰ ষ্টেচনৰ পৰা টেক্সি ভাড়া কৰি বন্ধুক বাৰুদেৰে সৈতে ডকাইতি কৰিছে। ওপৰ মহলৰ পৰা এচ, পি আদিয়ে ধৰিবলৈ চেষ্টা কৰিছে যদিও

* Speech not corrected

তলৰ খাপত সেইটো কাৰ্য্যকৰী হোৱা নাই। ফল স্বৰূপে ৰাইজে আজি শান্তিত থাকিব নোৱাৰা হৈছে। এই চৰকাৰ অহাৰ পিচত চুৰি-ডকাইতি আদি অপৰাধ মূলক ঘটনা বৃদ্ধি পাইছে। হয়তো কব লাগিব ৰবৰবা ডাঙৰীয়াৰ প্ৰশাসন সিথিল হৈছে অথবা ৰবৰবাক ওপৰত বহুৱাই থৈ তলৰ কৰ্ম্মচাৰী সকলে পৰিচালনা কৰিছে। নতুবা কংগ্ৰেছী বন্ধু সকল প্ৰশাসনৰ ভিতৰলৈ আহি তেওঁলোকৰ নিৰ্দ্দেশ মতে কাম চলাই আছে। এইটো কংগ্ৰেছী বন্ধু সকলে স্বীকাৰ কৰিবলৈ টান পালেও আমি অস্বীকাৰ কৰিব নোৱাৰো। এই কথা কমিশ্যন বহুৱালে আমি দেখুৱাব পাৰিম কংগ্ৰেছী বন্ধু সকলৰ আমোলত কৃষি মেলাৰ সৃষ্টি কৰি থৈ গৈছে। খেতি-বাতি শেষ হোৱাৰ পিচত কৃষি মেলা পাতে। ই কৃষি মেলা নহয়, জুৱাৰহে মেলা। এই জুৱা খেল বন্ধ কৰিব পৰা নাই। গতিকে মৰগীয়া বানচ দিয়াৰ ফয়দা ৰাইজে পাইছে নে নাই? ভুটান, নগালেণ্ড, মনিপুৰ আদি ঠাইৰ পৰা জুৱাৰী আই ইয়াত জুৱাৰ খেলা পাতে। তাক পুলিচে বন্ধ কৰিব পৰা নাই। যোৱা পঞ্চায়ত নিৰ্ব্বাচনত পুলিচ বিষয়াৰ লগত লগ লাগি জুৱাৰী সকলে প্ৰত্যাহ্বান জনাই জুৱা খেল চলাইছে। তাৰ কু পৰিণতি আমি ভোগ কৰিব লগা হৈছে। সেই কাৰণে এই দুৰ্নীতি বন্ধ কৰিবলৈ মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

আজি চৰকাৰে নতুন আৰক্ষী বাহিনী অৰ্থাৎ ১১ বেটেলিয়ন গঠন কৰাৰ কথা কৈছে। এইটো ভাল কথা, শুনি সুখ পাইছো। আমাৰ চৰকাৰে উত্তৰ প্ৰদেশ আৰু মধ্য প্ৰদেশৰ পৰা পুলিচ বেটেলিয়ন ভাৰা কৰি আনি বহুত পইচা দিব লগা হৈছে। আমাৰ যদি এটা নিজা পুলিচ বাহিনী গঠন কৰা হয় তেনেহলে

বহুত স্থানীয় ডেকাৰ চাকৰিৰ সুবিধা হব আৰু তাৰ লগতে আমাৰ পইচাও বাচিব। কিন্তু সেই বাহিনী যদি এনেকুৱাই হয় যেতিয়া বাইজক কোনোবাই আক্ৰমণ কৰিবলৈ আহিলে ভয়তে পলাই দৌৰ মাৰে তেনেহলে সেই পুলিচ বাহিনীৰ পৰা আমাৰ এক্ষো লাভ নহব। এইখিনিতে মই এটা কথা উল্লেখ কৰিছো। আমাৰ পুলিচ বাহিনীৰ ভিতৰত হোৱা কিছুমান খাম-খেয়ালীৰ কাৰণে ওপৰৰ পৰা হুকুম দিয়া স্বত্তেও তলৰ খাপত সেই হুকুম যথাযথ ভাবে পালন কৰা নাই। যেতিয়া আমাৰ সীমান্তত নগা দুবৃত্তই আক্ৰমণ চলাই সেই ঘটনাৰ খবৰ আমাৰ পুলিচ বিভাগে আগতে পাইছিল। কিন্তু সেই ঘটনাৰ খবৰ পুলিচ বিভাগৰ হেমাহীত তাৰ উপযুক্ত ব্যৱস্থা লব পৰা নগল। সেইক্ষেত্ৰত তেওঁলোকে আমাৰ বিশ্বাস ঘাটকতা কৰিছে। আমাৰ জনসাধাৰণে যি আশাৰে জনতা চৰকাৰক প্ৰতিস্থা কৰিছিল তাৰ ফলাফল জনতা চৰকাৰে দিব পৰা নাই। সেই ঘটনাৰ এটা তদন্ত কৰাৰ ব্যৱস্থা কৰা উচিত এই পুলিচ বিভাগৰ কৰ্ম্মচাৰী সকলৰ যোগ্যতাৰ অভাৱ নে দক্ষতাৰ অভাৱ সেইটো তদন্ত কৰা উচিত। এইকথা যদি সচা নহয় তেনেহলে পুলিচ বাহিনীৰ লগত বিদেশী লগ লাগি আমাৰ দেশ চাৰখাৰ কৰি পেলাব। সেই কাৰণে মই কৈছো যে পুলিচ বাহিনী গঠন কৰিবলৈ লৈছে সেইটো ভাল কথা, কিন্তু তাৰ পৰা যেন ৰাইজৰ জীৱন নিৰ্ব্বাহৰ পথ সুগম কৰি তোলে তালৈ লক্ষ্য ৰখা উচিত হব। যোৱা ৩১ বছৰৰ ইতিহাস শুনিলে গাৰ নোম শিয়ঁৰি উঠে। আজি আমাৰ দেশৰ খাবলৈ নোপোৱা পিন্ধিবলৈ নোপোৱা বেকাৰ হৈ অনাহাৰে থকা দুখীয়া মানুহক খাবলৈ, পিন্ধিবলৈ দিয়াৰ বাহিৰে বুকুত বুলেট দিয়াৰ কথাটো বৰ পৰিতাপৰ বিষয়।

আমাৰ নতুন জনতা চৰকাৰে যেন কোনো দিন তেওঁলোকৰ ওপৰত বুলেট ব্যৱহাৰ নকৰে তাৰ প্ৰতি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো ।

উপাধ্যক্ষ মহোদয়, ইয়াত কৈছে যে, চলিত বিত্তীয় চনত নাগালেণ্ড ও অসমৰ শিৱসাগৰ জিলাৰ সীমান্তত হোৱা অশান্তিৰ পৰিপ্ৰেক্ষিতত হোৱা ব্যয় আৰু উপনিমিত্ত পুঁজিৰ পৰা অগ্ৰিম লোৱা ২৬,০৩,১৮৬ আৰু ৩,৬৫,৪০ টকাৰ নিয়মানুকৰণৰ উদ্দেশ্যে এই দাবী উৎথাপন কৰা হৈছে। এইটো সচাঁ যে চৰকাৰ ভগবান নহয় আৰু মঙ্গল চাইও টকাৰ কথা, কোৱা সম্ভৱ নহয়। এটা কথাৰ প্ৰতি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে, পুলিচ বাহিনীও যি নিস্ক্ৰীয়তা তাক চৰকাৰে অধিক তৎপৰতাৰে শক্তিশালী কৰি তুলিব লাগে।

আইন-শৃখলাৰ যি ব্যৱস্থা ধেমাজী মহকুমাতেই দেখা যায়, আইন শৃংখলাৰ কাৰণে কৰা ৮টা সমষ্টিত ভোট সংগ্ৰহ কৰিব নোৱাৰিলে। যি মাৰ পিট হ'ল ৰাইজে ভোট দিব নোৱাৰিলে। কিন্তু পুলিচ চকিয়ে কি কৰিলে? এই বিষয়ে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

উপাধ্যক্ষ মাহাদয়, শেষত মই এটা কথা কওঁয়ে, উত্তৰ প্ৰদেশ আৰু মধ্যপ্ৰদেৰ পৰা যিবিলাক পুলিচ বাহিনী অনা হৈছে আৰু ইয়াত ৰখা হৈছে মোৰ বোধেৰে সেইবিলাক পুলিচ বাহিনী তাহানি কংগ্ৰেছ চেচনৰ সময়তেই জহৰ নগৰ শান্তি আৰু শৃখলাত ৰাখিবৰ কাৰণে অনা হৈছিল। ইয়াৰ খবৰ বহুতৰ পৰাই শুনা গৈছে। এই পুলিচ বাহিনী বিলাক বৰ্ত্তমান চৰকাৰে অনা নাই

আৰু তেওঁলোকৰ গাত কোনো দোষ নাই সেই কথা মই কওঁ এই পুলিচ বাহিনী কংগ্ৰেছ সকলেই অনা। কিন্তু মই জনতা চৰকাৰক জনাও যে, তেওঁলোকে বৰ্ত্তমান যি সকল কৰ্ম্মচাৰীক প্ৰশিক্ষণ দিব আৰু ট্ৰেইনিং দিয়াত লগাব সেই সকলো বিলাক সো-ফালৰ হব লাগিব। যাতে আগৰ সকলৰ দিক্ষিত হৈ প্ৰশিক্ষণ চলাই বাহিৰৰ পৰা পুলিচ আনি ৰাইজক জুলুম দি টকা খৰছ কৰাৰ পুনৰ আবৃত্তি নহয় সেই বিষয়ত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি কৰ্ত্তন প্ৰস্তবটো দাঙি ধৰিলো।

* শ্ৰীমুকুট শৰ্ম্মা ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাবটো দাঙি ধৰি এই খিনি কথা কব খুজিছো। এই চাপ্লিমেণ্টৰী ডিমাণ্ড সাপেক্ষে যি টকা ধৰি আছে-১ নম্বৰত কবলৈ একো নাই, ২ নম্বৰত টকা ধৰা হৈছে অসমত আৰু এটা নতুন পুলিচ বাহিনী গঠন কৰা বাবত। এইটো অৱশ্যে ভাল কথা হৈছে। আমাৰ ইয়াত ১০ টা পুলিচ বেটেলিয়ান গঠন কৰা হৈছে। ইয়াৰ বাহিৰেও অসমৰ বাহিৰৰ পৰা আনিব লগা হৈছে। চি, আৰ, পি আনিব লগা হৈছে ইউ.পি বা মধ্য প্ৰদেশৰ পৰা। সেই কাৰণে মই কৈছো অসমৰ বাহিৰৰ পৰা যাতে আনিব লগা নহয় তাৰ ব্যৱস্থা আমাৰ চৰকাৰে কৰিব লাগে। অসমত এটা বেটেলিয়ান গঢ়ি তোলাৰ ঠাইত চাৰি পাচটা বেটেলিয়ান গঢ়ি তুলিব লাগে। বাহিৰৰ পৰা পুলিচ বাহিনী আনিলে যথেষ্ট খৰছ হয়, সেইখৰছেৰে অসমত পুলিচ বাহিনী গঠন কৰিব লাগে। লগতে অসমৰ যুবক সকলক, সংস্থাপন দিয়াৰো এটা সুবিধা হয়। যোৱা শীত কালিৰ

* Speech not corrected

অধিবেষণতো মই এই কথা উল্লেখ কৰিছিলো। বঙাইগাওঁত যিবিলাক পুলিচ বাহিনী ৰখা হৈছে, এই বিলাক অন্যান্য ৰাজ্যৰ পৰা নানি আমাৰ অসমতে পুলিচ বাহিনী গঠন কৰিব পাৰি। অসমতে পুলিচ বাহিনী গঠন কৰিলে অসমৰ যুবক সকল উপকৃত হব। কিছুমান ক্ষেত্ৰত বাহিৰৰ পৰা আনিব লগা হলে অৰ্থাৎ বিহাৰ, ইউ, পি ইত্যাদিৰ পৰা, আমাৰ পৰাও তেওঁলোকে নিব পৰা হব। সেই কাৰণে মই পুণৰ গৃহ মন্ত্ৰী অৰ্থাত মুখ্য মন্ত্ৰীক অনুৰোধ কৰিলো। যাতে আমাৰ অসমত কমেও চাৰি পাচটা বেটেলিয়ান আৰু তৈয়াৰ কৰে। আজি নাগালেণ্ড এখন সৰু ৰাজ্য। যি খন ৰাজ্য এদিন আমাৰ অসমৰে জিলা আছিল। কিন্তু এই সৰু ৰাজ্য খনতো পচটা পুলিচ বেটেলিয়ান গঠন কৰিছে। সেই কাৰণে মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো যাতে গুৰুত্ব সহকাৰে বিবেচনা কৰে।

তৃতিয়তে নাগালেণ্ডত যি দুৰ্ঘটনা হৈ গ'ল অৰ্থাত তেওঁলোকে অসমত যি ঘটনাৰ ইতিবৃত্তি আনিলে তাৰ শান্তি ৰক্ষাৰ বাবে যি টকা বিছৰা হৈছে অৰ্থাত মই এটা যকৰা কথা কওঁ সেইটো হৈছে এনেকুৱা-চোৰ গলে লাঠি আৰু বৰষুণ গলে জাপি। বৰ্ত্তমান এই কথাষাৰও তেনেকুৱাই হৈছে। যোৱা ৫ জানুৱাৰী তাৰিখে যি ঘটনা হৈ গ'ল অসমৰ বুৰঞ্জীত তেনে ঘটনা আগতে কাহানীও হোৱা নাই। এখন দেশৰ দুখন ৰাজ্যৰ ভিতৰত যি ঘটনা সংঘটিত হৈ গল তেনে ঘটনা ভাৰত বুৰঞ্জীতো হয়তো পোৱা নাযাব। এনে ঘটনা হবলৈ পালে একমাত্ৰ আমাৰ পুলিচ বাহিনী সক্ৰিয় নোহোৱাৰ কাৰণে আমাৰ সীমান্তত থকা পুলিচ

বাহিনী আৰু চোৰাংচোৱা বিভাগ ইমান নিচক্রিয় যে ৫ জানুৱাৰীৰ ঘটনাটোৰ বিষয়ে ডিমাপুৰত ডিচেম্বৰৰ প্ৰথম সপ্তাহতে আলোচনা বিলোচনা কৰিছিল। পুলিচৰ এই নিস্ক্ৰীয়তাৰ সুবিধা লৈ ৫ জানুৱাৰী তাৰিখে হাজাৰ হাজাৰ মানুহ লিপ্ত হ'ল এই ঘটনাত ঘৰ বাৰী এৰি নিজৰ ঠাইতে আশ্ৰয়াধীন হৈ থাকিব লগা হৈছে। এইটো অতি দুখ-লগা কথা হৈছে। উপাধ্যক্ষ মহোদয়, মই এই খিনিতে এটা কথা কব খুজিছো, আসাম ট্ৰিবিউনত, নৰেশ ৰাজখোৱাই এটা প্ৰবন্ধ লিখিছে তাত এনেদৰে লিখিছে—Police was informed about the attack. অৰ্থাত এই ঘটনা সম্পৰ্কত পুলিচক খবৰ দিয়া হৈছে কিন্তু সেই বিষয়ত পুলিচে নিস্ক্ৰীয় হৈ বহি আছে। উপধ্যক্ষ মহোদয়, আজি এই ঘটনা হোৱাৰ আগতে পুলিচক কোৱা হৈছিল। আৰু নাগালেণ্ডত এই ঘটনাৰ এটা নথিও দিয়া হৈছিল, সেইটো হৈছে অপেৰেচন ক্ৰিয়াৰ আপ অৰ্থাত সীমান্তত যিমান লোক আছে সকলোকে উচ্ছেদ কৰা। এই সকলো আলোচনা ডিমাপুৰতেই হৈছিল। ইমান খিনি ঘটনা হৈছে অথচ পুলিচ নিস্ক্ৰীয় হৈয়েই আছিল। নাগালেণ্ডত কাম কৰা নেপালী লোক সকলে অসমৰ সীমান্ত চকিত খবৰ দিছে, চুঙাজান চকিত খবৰ দিছে আনকি এনেকুৱা হৈছে যে, তেওঁলোকে মিছা খবৰ দিয়া বুলি উভতাই পঠিয়াইছে। যোৰহাটৰ পুলিচ এচ, পিক যেতিয়া সোধা হ'ল তেতীয়া তেখেতে এই বুলি উত্তৰ দিলে— we have not yet ordered to act. এই কাৰণেই একো কৰিব নোৱাৰিলে যে, একে সময়তে সকলো ঘটনা হৈ গৈছিল। ৫০ খন গাওঁত আক্ৰমন হৈছিল কিন্তু পুলিচ বাহিনীয়ে একো কৰিব নোৱাৰাটো দুৰভাগ্য জনক কথা।

উপাধ্যক্ষ মহোদয়, আমি সেইকাৰণে কৈছো যে, আজি আমাৰ এই পুলিচ বাহিনীটো সক্ৰীয় কৰি তোলাত কি লাভ আছে? মই আগতেই কৈছিলো যে, 'চোৰ গলে লাঠি, বৰষুণ গলে জাপি' আজি ইমান ঘটনা হৈ গৈছে আৰু অটাইতকৈ দুখ-লগা কথা হৈছে অসমৰ এই ঘটনাৰ পিচত যেতিয়া মৃতদেহ উদ্ধাৰ কৰিবলগা হল, তেতিয়া অসমৰ পুলিচে অপৰাধ স্বীকাৰ কৰিছে। আৰু নগালেন্দৰ পুলিচৰ সহযোগত মৃতদেহ উদ্ধাৰ কৰিবলগা হল, এইটো অতি পৰিতাপৰ কথা। আজি আমাৰ বাউন্দৰি দিচপিউট চলি আছে আৰু অসমৰ মানুহৰ মৃতদেহ নগালেন্দৰ পুলিচে উদ্ধাৰ কৰিছে, এইটো অতি পৰিতাপৰ কথা। আজি প্ৰকৃততে কিমান মানুহ মৰিছে তাৰ কোনো সঠিক তথ্য এতিয়াও উলিয়াব পৰা নাই। হয়তো নগালেন্দে মৃতদেহ তেওঁলোকৰ ফালে নি দিচপজ কৰি পেলাইছে। ৰাজ্যপালৰ ভাষণত কোৱাৰ দৰে মই এতিয়াও কৈছো যে, কিমান সংখ্যক মানুহে মৃত্যু বৰণ কৰিছে সেইটোৰ সম্পূৰ্ণ হিচাব এতিয়াও দিব পৰা নাই।

উপাধ্যক্ষ মহোদয়, সেইকাৰণে মই কব বিচাৰো যে, যিমান বিলাক পুলিচ ৰখা হৈছে, তেওঁলোকে সীমান্তৰ বাইজৰ মনোবল অটুট কৰি ৰাখিব পৰা নাই। আজি পুলিচ বাহিনী সক্ৰিয় কৰি তুলিব লাগিব, পুলিচৰ যি মৰেলিটি সেইটো বঢ়াবলৈ চেষ্টা কৰিব লাগিব আৰু তাৰ কাৰণে অসম চৰকাৰৰ সহযোগ লাগিব। এইখিনি কথা কবলৈ পাই মই বৰ দুখ পাইছো যে সেইখিনি সময়ত যিসকল লোকে তাত মৃত্যু বৰণ কৰিব লগা হৈছে যি সকল লোকে আগতে খবৰ পাইও তাৰ কোনো ব্যৱস্থা গ্ৰহন নকৰিলে যেতিয়া চুঙাজান পুলিচ কেম্পৰ ওচৰত ঘৰ দুৱাৰ জ্বলাই দিয়া হল

তেতিয়াও পুলিচে একো ব্যৱস্থা গ্ৰহন নকৰিলে আৰু ৰঙাজান পুলিচ কেম্পৰ ওচৰত যেতিয়া ৭৪ টা ঘৰ পুৰি ভস্মিভূত হল তেতিয়াও পুলিচে একো কৰিব নোৱাৰিলে, এইয়াই হৈছে পুলিচৰ কামৰ নজিৰ। আজি এই পুলিচৰ কাৰণে আমি লাখ লাখ টকা খৰচ কৰিব লগা হৈছে। অতিৰিক্ত টকাৰ বাবে চাপলিমেনটৰি দিমান্দ অনা হৈছে আৰু মই আশা কৰো আমাৰ গৃহ দপ্তৰৰ মন্ত্ৰীয়ে আৰু মুখ্যমন্ত্ৰীয়ে বৰ্ত্তমান অসমৰ সীমান্তত যি বিলাক গাওঁ আছে সেই সিচৰিত হৈ থকা গাওঁবিলাক একগোট কৰি দৰকাৰ হলে আৰু অতিৰিক্ত পুলিচ বাহিনী খুলি আৰু প্ৰতিখন গাওঁৰ লগত এটা কৰি পুলিচৰ চকি ব্যৱস্থা কৰিব লাগে। যাতে আমাৰ গাওঁৰ ৰাইজৰ মনোবল আকৌ ঘুৰাই আনিব পৰা যায়। এইখিনি কথাৰ লগতে মই আৰু এটা কথা কব বিচাৰিছো যে, আজি যিটো বাধ্যামুলক টোকাত কোৱা হৈছে যে, হম গাৰ্ডৰ বা গৃহৰক্ষী বাহিনী সক্ৰিয় কৰাৰ কাৰণে টকা বিচাৰিছে আৰু মই ভাবো এইটো গৃহৰক্ষী বাহিনী ৰেগুলাৰ পুলিচ বাহিনীত ৰূপান্তৰ কৰিব লাগে। যি সকল যুৱকে সাময়িক ভাবে গৃহৰক্ষী বাহিনীৰ কাম কৰি আহিছে তেওঁলোকক প্ৰশিক্ষন দি প্ৰয়োজন হলে এটা ৰেগুলাৰ ফৰ্চত ৰূপান্তৰ কৰিব লাগে। ইয়াকে অনুৰোধ কৰি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

* শ্ৰীবিপিন হাজৰীকা ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ গ্ৰান্ট নং ৫ ত গৃহ মন্ত্ৰীয়ে অতিৰিক্ত পুলিচ বাহিনী গঠনৰ কাৰণে অতিৰিক্ত মঞ্জুৰী বিছাৰিছে, এই সম্পৰ্কে মোৰ অগ্ৰবৰ্ত্তী বক্তা মুকুট শৰ্ম্মা ডাঙৰীয়াই কৈছে। গতিকে ১ নংৰ ক্ষেত্ৰত মোৰ কবলগীয়া একো নাই। ২নংৰ ক্ষেত্ৰত কোৱা হৈছে যে, এটা নতুন বেটেলিয়ন

* Speech not corrected

তৈয়াৰ কৰিবৰ কাৰণে এই খৰচ বিচৰা হৈছে। আগৰ কংগ্ৰেছ চৰকাৰৰ দিনত আমাৰ পুলিচৰ যিটো সেৱা আছিল সেইসেৱা বদ-লাই এতিয়া পুলিচৰ ক্ষেত্ৰত নানা সংস্কাৰ সাধন কৰি আৰু আইন শৃংলাৰ ক্ষেত্ৰত যাতে পুলিচে উপযোগী ভাবে কাম কৰিব পাৰে তাৰ কাৰণে বিচৰা হৈছে। আৰু এই ক্ষেত্ৰত জনতা চৰকাৰে প্ৰতিশ্ৰুতি বদ্ধ হৈ কৈছিল যে, Setting up of a National Police Commission to recommend improvement of police service. গতিকে এই পুলিচ সকলে যাতে জনগণৰ সেৱা কৰিব পাৰে আৰু পুলিচ সকলো যাতে ৰাইজৰ সেৱাৰ কাৰণে স্পেয়াৰ হৈ থাকিব পাৰে তাৰ কাৰণে এটা নেচনেল পুলিচ কমিচন ইতিমধ্যে গঠন কৰিছে। আৰু তাৰ কাৰণে কিছুমান পুলিচ দিছে। কিন্তু আমি যোৱা বিগত দিনৰ ইতিহাসত যি বিলাক কথা দেখিবলৈ পাইছো বিশেষকৈ তাৰে যদি কিছুমান কথা আমি চাও তেনেহলে দেখা যায় যে, যি সময়ত ৬ৰ পৰা ৭৫ লৈকে বাঢ়িছিল আৰু যি সময়ত ৫৪ শতাংশ বাঢ়িছিল তেতিয়া জনসংখ্যা বাঢ়িছিল ২৫ শতাংশ। এইখিনিতে আমাৰ অপৰাধ বিলাকো বাঢ়ি গৈছিল। আৰু সেই অনুপাতে জনসংখ্যাৰ সীমা চেৰাই গৈছিল। তাৰ বাৰেও পুলিচ ব্যৱহাৰ কৰিব লগা হৈছিল। যোৱা ৩১ বছৰৰ ইতিহাসত আমি ৰাজনৈতিক কতৃপক্ষৰ ওপৰত পুলিচৰ যন্ত্ৰৰ চাব দিয়া হৈছিল। সেইকাৰণে আমাৰ জনতা চৰকাৰক আগতেই সকিয়নি দিছো যে, টকা বিচাৰিছে, বেটেলিয়ন খুলিব বিচাৰিছে সেই বিষয়ে কবলৈ একো নাই। এই পুলিচ বাহিনী যাতে ৰাজনৈতিক কতৃপক্ষৰ ওপৰত দমন চলাবৰ কাৰণে ব্যৱহাৰ কৰা নহয় তাৰ প্ৰতি সাবধান হব লাগে। ইন্দিৰা গান্ধীৰ ৰাজত্বত পুলিচে নগ্ন ভাবে ৰাজনৈতিক

কতৃপক্ষক হত্যা কৰাত ব্যৱহাৰ হোৱা নাইনে? এ, আই, চি, চি মহা মেলাত পুলিচক যি ভাৱে ব্যৱহাৰ কৰা হৈছিল, যি সকল শ্ৰমিকক, কৃষকক কাম কৰি থকা অৱস্থাতে পুলিছে নিষ্ঠুৰ ব্যৱহাৰ কৰিছিল আৰু তেওঁলোকক ধৰি অনাৰ কাৰণে পুলিচে গাওঁত গৈ পিটপিটাই ফুৰিছিল এইদৰে পুলিচ ৰাজত্বৰ কায়ম হৈছিল তাৰ ফলত জৰুৰী কালিন অৱস্থাৰ ঘোষনা কৰা হৈছিল। এক লাখৰো অধিক মানুহক জেইলত ৰখা হৈছিল আৰু তেওঁলোকক পঙ্গু আৰু হত্যা কৰা হৈছিল পুলিচৰ এনে ব্যৱহাৰ অতি দুখঃজনক কথা। গতিকে দ্বিতীয়বাৰ যাতে এনেদৰে পুলিচ বাহিনী ব্যৱহাৰ কৰা নহয় তাৰ কাৰণে পুলিচৰ যিটো নতুন বাহিনী গঠন কৰা হব, তেওঁলোকৰ মাজত এটা নতুন সেৱাৰ মনোভাব জাগৃত কৰি তোলাৰ কাৰণে যথেষ্ট ব্যৱস্থা গ্ৰহন কৰিব লাগিব। ইতিমধ্যে আমি এটা কথা মন কৰিছো যে, আমাৰ যি বিলাক মঞ্জুৰী বা টকা পইচাৰ দৰকাৰ আৰু ইয়াতে কেইটামান বিষয় আছে, যেনে নগাল্যাণ্ড বৰ্ডাৰৰ ক্ষেত্ৰত বা পঞ্চায়ত ইলেকচনৰ ক্ষেত্ৰত এই বিলাক ক্ষেত্ৰত আগতে ধাৰণা কৰিব নোৱাৰা বা আগতে হিচাব নকৰা কিছুমান ব্যয় বিচৰা হৈছে। এই ব্যয় চাপলিমেণ্টৰি দিমান্দৰ মাজেদি আৰু কিছুমান নিৰ্দ্ধাৰিত ব্যয় আছে সেই বিলাক ব্যয় সময়মতে হিচাব নিকাচ কৰিব পৰা আৰু কিছুমান যি বিলাক বিভাগীয় হেমাহীৰ কাৰণে হিচাব নাথাকে। গতিকে আমাৰ প্লেনিং চেল যিটো আছে সেইটোৱে ইচ্ছাকৃত ভাবে কিছুমান লেহেম কৰে। এই লেহেমৰ কাৰণে হিচাপ বিলাক পৰি থাকে। আৰু যাতে টকা পইছা বিলাক খোৱাৰ ব্যৱস্থা কৰিব পাৰি তাৰ বাবে এপ্ৰপ্ৰিয়েচন বিল বা চাপ্লিমেণ্টেৰীৰ যোগেদি এই হিচাপ

উত্থাপন কৰে। দেখা যায় ১৯৬৯ আৰু ৭০-৭১ চনৰ হিচাপ ইয়াত দেখুৱা হৈছে। আমি যোৱা অধিবেশনত ১৯৬৯ আৰু ৭০-৭১ চনৰ অতিৰিক্ত মঞ্জুৰী সমূহৰ কাৰণে বিনিয়োজন বিল গ্ৰহন কৰিছোঁ। তাত এনেকুৱা কথা লিখা আছিল যেনেকৈ ১৯৬৯ চনৰ পৰিপূৰক দাবীৰ ১৪ পৃষ্ঠাত যি সময়ত উক্ত কাৰ্য্যলৰ পৰা সঠিক তথ্যপাতি আহিব লাগিছিল সেইখিনি নহা কাৰণে এই পৰিপূৰক মঞ্জুৰীৰ ব্যৱস্থা বাজেটত কৰিব পৰা নহল। গতিকে আমাৰ ৰাজ্যত এনেকুৱা কাৰ্য্যালয় আছে ইমান দূৰ যাব পৰা হিচাপৰ কাৰণে সংখ্যাই নাপায় সেই কাৰনেই এই টকা বিচাৰিছোঁ। এই বিলাক ব্যৱস্থা কৰাৰ গুৰিতে যদি কিবা মটিভেচন বা মতলব আছে যে কিছু টকা আত্মসাৎ কৰিব এইটো বৰ দুৰ্ভাগ্যৰ কথা হব। সেই কাৰণে কবলগীয়া হৈছে যে লুইতৰ পাৰ জ্বিলিকক বা নিজ্বিলিকক একেই পুলিছৰ বিষয়া সকলে জুৰোড জ্বিলিকাই পেলাইছে। এই বিলাক ভালকৈ যদি তদন্ত কৰা চায় বহুত ডাঙৰ ডাঙৰ বিষয়াই ৰাইজৰ কষ্টোপাৰ্জ্জিত ধন আত্মসাৎ কৰি অট্টালিকা সাজিছে পুলিছ তাৰ ব্যাতিক্ৰম নহয়। যোৱাবাৰ বাজেট অধিবেশনত এই বিষয়ে কৈছিলো যে কিছুমান উচ্চ পদস্থ পুলিচ বিষয়াৰ ঘৰত কিছুমান বেটেলিয়ানৰ লৰাই এতিয়াও কাহিবাতি ধুই, পৰিবাৰৰ মেখেলা ধুই কটাবলগীয়া হৈছে। এইবাৰো আহি খবৰ পাইছো আজিও তাৰ পৰিবৰ্ত্তন হোৱা নাই একেদৰেই আছে। সিদিনা মাননীয় সদস্য এগৰাকীয়ে ২৬ জন মানুহৰ লিষ্ট এখন লৈ আহিছিল প্ৰয়োজন হলে দাখিল কৰিবও পাৰে এনে ভাৱে এই কাণ্ড বিলাক হব ধৰিছে। মই এটা কথা উন্নুকিয়াব খোজো Report of the Comptroller and Auditor

General of India, page 72-purchase of such tender materials, which states as follows :—

"In December, 1974, the Inspector General of police placed orders on a firm for supply of 6, 962 kilogams of woolen yarn at Rs. 56.75 per Kilogram for Knitting jersies and socks. The yarn was to be supplied to 14 police nnits located in different parts of the State.

A test-check ( April-July 1976 ) of these 14 units indicated that in 6 units yard supplied by the firm was not of the approved quality. Because of the variation in quality of the yarn ( compared to approved scale ) varying from 32 to 39 percent in kitting jeraies, which resulted in an extra expendire of Rs. 0. 37 lakh" এই বিলাক দিয়া আছে। ঠিক তেনেকৈ চিমেণ্ট আৰু বডৰ হিচাপ দিয়া আছে। অইল ইন্দিয়াত এনেকৈ হৈছে তেনেকৈ হৈছে পুলিচৰ বৰ বৰ কথা চিমেণ্ট ৰদ যিমান ধৰা হৈছে কিন্তু আজিলৈকে তাৰ ৰিকভাৰি কৰা নাই গোটেই বিষয়টো হাচ আপ কৰি ৰাখিছে। পুলিচ বিষয়া সকলৰ বৰ বৰ কথা জৰুৰীকালীন অৱস্থাত চলোৱা অতিশয্যাৰ বিষয়ে অনেক অভিযোগ আনিছোঁ। সেই অভিযোগ বিলাক কমিছনত আহিব। এওঁলোকে গণতন্ত্ৰ হৰণ কৰাৰ অভিপ্ৰায় কৰিছিল কথাতে কয় 'না ৰা' বা বুলিলে চাৰি চাপৰ বায়,

বা বুলিলেতো কথাই নাই'। তেনেকৈ চলা পুলিচ বিষয়াকো এই চৰকাৰে প্ৰমোচন দিছে। যি সকল বিষয়াই স্বেচ্ছাচাৰিতা, স্বৈৰিত্ৰিক ভাৱাপন্ন তেওঁলোকে সামান্য ইঙ্গিত পায়েই মানুহৰ ওপৰত জপিয়াই পৰিছিল। আকৌ এই সকল পুলিচ বিষয়া সকলক লৈয়েই নতুন চৰকাৰে পুলিচৰ নতুন ৰূপ দিবলৈ ওলাইছে। এয়া কেৱল সপোন হৈয়েই ৰব। নগাওঁৰ পৰা ওলোৱা গণতন্ত্ৰ নামৰ কাগজ খনত দেখিবলৈ পালো ৰাস্তাই ঘাতে তাত তীৰ খেলা চলিছে। আৰু সেই কাগজতে লিখিছে এই তীৰ খেলাৰ কাৰণে পুলিচক মাহেকীয়া এটা বনাচ সদায়ে দিব লগা হয় (ভইচ কোনে কাক দিয়ে) তীৰৰ বুকী সকলে পুলিচক দিয়ে। এই অৱস্থাৰে অবাধে তীৰ খেল চলি আছে। টকা পইচা লাগে আমি মঞ্জুৰ কৰি দিছোঁ। তত স্বত্বেও হিচাপ মতে খৰছ নহয়। তেওঁলোকৰ ৰাইজৰ সেৱাৰ নমুনা যদি এইটোয়েই হয় তেনেহলে তাক বন্ধ কৰি দিব লাগিব। নহলে জনতা চৰকাৰেই সংকট মাটি আনিব।

উপাধ্যক্ষ মহোদয়, মই নিজৰ সমষ্টিৰে কেইটামান কথা কব বিচাৰিছোঁ মোৰ তাত কেইবাটাও হত্যাকাণ্ড সংঘটিত হৈছে। পুলিচে এবছৰেও হত্যাকাণ্ডৰ কোনো শুং সুত্ৰই উদ্ধাৰ কৰিব নোৱাৰিলে। আনহাতে কোনোবা ঠাইত কিবা অঘটন হলে তাৰ ৰাইজে যদি পুলিচৰ ওচৰ পাই তেওঁলোকে কয় গাড়ী এখন লৈ অহা নহলে কেনেকৈ যাম? আই জি পি বিহাৰত সন্মিলনত যাওঁতে সিদ্ধান্ত কৰিলে যে প্ৰত্যেক থানাতে একোখনকৈ জীপ যাব। কিন্তু আজিলৈকে জীপ নাই। এই জীপ বিলাক কোন বিষয়াৰ লৰা ছোৱালীৰ স্কুলত নিয়াত ব্যস্ত বিচাৰ কৰি চাব

লাগে। এইবিলাক খেলি মেলি থকা স্বত্বেও টকা পখচা মঞ্জুৰী দিয়া হয় ৰাইজৰ সেৱাৰ কাৰণে। আৰু এই যি বিলাক চাপ্লিমেণ্টেৰী দাবী আছে ডিমাণ্ড আনফৰচিন হিচাপ সেই বিলাক চাপ্লিমেণ্টৰীৰ যোগেদি আহিব লাগে। কিন্তু দীৰ্ঘদিন ধৰি থকা কিছুমান হিচাব যিবিলাকৰ কাৰণে প্লেলিং চেল আছে তেওঁলোকে সেইবিলাক বাজেটত অন্তৰভূক্ত কৰিব লাগে। বৰ্ত্তমান যিটো নিয়ম চলি আছে সেইটো বন্ধ কৰিব লাগে। সেইবিলাক যাতে কাৰ্য্যক্ষম হয় তাৰ প্ৰচেষ্টা চলাব লাগে। আটাইতকৈ ডাঙৰ কথা কৈছে আমি শুৱিতে অনুভব কৰিছো যে জনতা চৰকাৰৰ আৰু আমোলাতন্ত্ৰৰ মাজত কোনো মিল নাই। জনতা চৰকাৰৰ যিমানেই সদিচ্ছা নাথাকক কিয় কেইটামান কথাৰ পৰা প্ৰতিয়মান হৈছে যে আমোলাতন্ত্ৰই হেঙাৰ সৃষ্টি কৰি আছে আৰু সেই কাৰণে ৰাইজে আশা কৰা মতে চৰকাৰ আবাঢ়ি যোৱা নাই। জনতা চৰকাৰৰ নেতৃত্বত তেখেত সকলে যি নিকা শাসন প্ৰতিষ্ঠা কৰিব বিচাৰিছে আৰু ৰাইজৰ সেৱাৰ কাৰণে আগবাঢ়িব খুজিছে তেতিয়াহলে তেখেত সকলে আমোলাতন্ত্ৰক নিজৰ হাতৰ মুঠিলৈ আনিব লাগিব। আৰু চৰকাৰৰ নিজৰ ইচ্ছামতে তেওঁলোকৰ নীতি ৰূপায়নৰ ক্ষেত্ৰত কাম যাতে আদায় কৰিবলৈ সক্ষম হয় তাৰ চেষ্টা কৰিব লাগিব। এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰিলো।

* শ্ৰীঅতুল গোস্বামী :— উপাধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাব দাঙি ধৰি দুষাৰ মান কব খুজিছো। এই বিধান সভাত প্ৰায় আঢ়ৈ কোটি

* Speech not corrected

টকা পুলিচ বাজেটত দিছিল। তাৰ পিচত আকৌ অতিৰিক্ত ৬৫ লাখ ৭৬ হাজাৰ ৭৯৩ টকা দিছিল। এতিয়া আকৌ ৩ কোটি ৩১ লাখ ১ হাজাৰ ৩৪৯ টকা বিচৰা হৈছে। অৰ্থাত মুল বাজেটৰ পাচঁ ভাগৰ এক অংশ বিচৰা হৈছে। এই পুলিচ বিভাগৰ কামৰ কাৰণে যি খিনি পইচা বিচাৰিছে সেই খিনি দিয়াৰ বৰ আপত্তি নাই। কিছুমান কথা এই খিনিতে লক্ষ্য কৰিব লগীয়া আছে। ১৯৭৭ চনৰ অদিট ৰিপোৰ্টৰ ১৭২ পৃষ্ঠাত পুলিচ বিভাগৰ অনিয়-মিত হৈ থকা ৭ কোটি ৮৩ লাখ টকাৰ কথা লিখা আছে। পে' ৰিচিভ নোহোৱাকৈ ৪ কোটি ৪৬ লাখ টকা খৰচ কৰিছে। গৃহ মন্ত্ৰীয়ে আজি ৩ কোটি টকা বিচাৰিছে কিন্তু ১২ কোটিতকৈ অধিক টকা বিনা ৰিচিডত খেলি-মেলি হৈ আছে। পুলিচ বিভা-গটো ভাল কৰিব লাগে আৰু পুলিচ সকলৰ যি অভাৱ অভি-যোগ আছে সেইবিলাক দুৰ কৰিব লাগে। সেইখিনিত উদাৰ ভাৱে টকা দিব পাৰো। কিন্তু দৰাচলতে পুলিচ বাজেটৰ বেচি-ভাগ টকা উচ্চ পদস্থ কৰ্ম্মচাৰী সকলৰ সা-সুবিধাৰ কাৰণে খৰছ কৰা হৈছে। সাধাৰণ চিপাহী সকলৰ কাৰণে কোনো ব্যৱস্থা কৰা হোৱা নাই। অসমৰ এজন নাম থকা পুলিচ অফিচাৰৰ কাহিনী আপোনাৰ আগত ধাঙি ধৰিব খুজিছো। এই ড'ঙৰ অফিচাৰ জনৰ এটা অট্টালিকা ভাড়াত দিছে আনহাতে তেওঁ চৰকাৰী ঘৰ দখল কৰি আছে যিটো আইন মতে নোৱাৰে। ১৯৭৩-৭৪ চনৰ পৰা ১৯৭৫-৭৬ চনলৈ ১ লাখ ৫৯ হাজাৰ ৩৬৯ টকা ১৫ পইচা এই চৰকাৰী ঘৰটোত অফিচাৰ জনে খৰচ কৰিছে। ১৯৭৩-৭৪ চনত এক্সট্ৰা ওৱৰ্কত ১৯ হাজাৰ ৭৭৪ টকা খৰচ কৰিছে। এপ্ৰচ ৰোডত ৯ হাজাৰ ৬৫১ টকা খৰচ কৰিছে। ১৯৭৪-৭৫ চনত এক্সট্ৰা ওৱৰ্কত

* শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া :— এই উপনিমিত্ত ব্যয়ৰ বাবে ১৫ লাখ ৫০ হাজাৰ টকাৰ প্ৰয়োজন। ৫।৯৭৫ তাৰিখৰ পৰা প্ৰাথমিক শিক্ষকৰ চাকৰি চৰকাৰী কৰণ কৰা হৈছে। স্কুলত চকী, পেঞ্চিল, কাগজৰ দৰকাৰ। যদি শিক্ষক সকলে এই টকা নাপায় তেনেহলে শিক্ষাৰ ক্ষেত্ৰত বৰ অন্যায় কৰা হৈছে। এই বছৰৰ পৰা এই টকা সম্পূৰ্ণ ভাবে ধৰি নিয়মিত ভাবে দিয়ে যেন। গড়কাপ্তানী বিভাগৰ পৰা ২০ লাখ টকা ওভোটাই দিছে। ঘৰ মেৰামতি আদিত কেনেকৈ এই টকা খৰচ কৰিব? এই টকাতো বিভাগে দিব নে এডভাইচেৰী কমিটিলৈ যাব জানিব বিচাৰিছো। বিশ্ববিদ্যালয় আয়োগৰ দৰমহাৰ হাৰ প্ৰবৰ্ত্তণৰ বাবে অৱশিষ্ট মৰগীয়া ভাট্টা প্ৰদান কৰিবলৈ বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ সাহায্য পোৱাৰ অৰ্হতা নথকা উপযুক্ত মহাবিদ্যালয় সমূহৰ এককালীন ভৱন মঞ্জুৰীৰ সংশোধন দান কৰাৰ অৰ্থে এই ৬,২০,০০০ টকা বিচৰা হৈছে। যিবিলাক কলেজত ডিগ্ৰি ক্লাচত ২ শ ছাত্ৰ ছাত্ৰী আছে সেই সকলেহে দৰখাস্ত কৰিব পাৰে। ১৯৭৫ চনৰ পৰা যিবিলাক কলেজ ৰেজিষ্টাৰ কৰা হোৱা নাই সেই বিলাক ইউ, জি, চি গ্ৰাণ্ট নাপাব। ৩ বছৰ ধৰি ৰেজিষ্টাৰ কৰা নাই। শিক্ষা সচিবে ইউ, জি, চিৰ পৰা এই সম্পৰ্কত স্পষ্টিকৰণ আনিম বুলি কৈ বিশ্ববিদ্যালয়ক নজোৱাৰ ফলত কলেজ বিলাক বঞ্চিত হব লগা হৈছে।

Mr. Deputy Speaker :— Order, order. It is already 5 P.M. I, therefore, guillotine all the remaining cut motions. I now put Supplementary demands for grants Nos.

* Speech not corrected

12, 13, 14, 15, 16, 17 18, 19, 20, 21, 22, 23, 24, 25, 26, 27, 28, 29, 30, 31, 32, 33, 34, 35, 36, 37, 38, 39, 40, & 41. (The Demand were passed)

Now the House will adjourn for 15 minutes for tea. So, I request the Hon'ble Members, Reporters, Govt. officials in the gallery, to go to room No. 1 for tea.

The House stands adjourned till 5. 15. P M.

## THE ASSAM APPROPRIATION (NO. 1) BILL, 1979

(After tea-break)

Shri Keshab Chandra Gogoi (Minister, Finance) :— Sir, I beg leave to introduce the Assam Appropriation (No. I) Bill, 1979.

(Leave is granted)

Mr. Speaker :— Here is a message from the Governor:

RAJ BHAVAN

Shillong, the 27th February, 1979

Under the provision of Article 207 (I) of the Constitution of India, 1, Lallan Prasad Singh, Governor of Assam, recommend the introduction in the Assam Legislative Assembly of the Assam Appropriation (No. 1) Bill, 1979.

sd/Lallan Prasad Singh,
Governor of Assam"

Shri Keshab Chandra Gogai (Minister, Finance ) :— Sir I introduce the Bill. (The Seeretary, Assam Legislative Assembly, read out the title of the Bill)

Mr. Speaker :— Here is another messag-e from the Governor

" RAJ BHAVAN

Shillong, the 27th February, 1979

Under the provision of Article 207 (3) of the Constitution of India, I Lallan Prasad Singh, Governor of Assam, recommend that the Assam Appropriation (No. 1) Bill, 1979 be taken up for consideration by the Assam Legislative Assemply.

sd/Lallan Prasad Singh,
Governor of Assam"

Shri Keshab Chandra Gogoi (Minister Finance) :— Sir, I beg to move that the Assam Appropriation (No. 1) Bill, 1979 be taken into consideration.

শ্ৰীৰমেশ চহৰীয়া :— অধ্যক্ষ মহোদয়, মই অসম এপ্ৰপিয়েচন বিলৰ ওপৰত (১৯৭৯) দুই আষাৰ কবলৈ বিচাৰিছো। মই এই বিলখনৰ ভিতৰৰ শিক্ষাৰ শিতানৰ ৭ কোটি টকা অধিক ধৰা হৈছে।

Mr. Speaker :— I want to know up to what time the House will sit. We should regulate ourselves.

(The House agreed to sit up to 6-30 p.m.)

* শ্ৰীৰমেশ চহৰীয়া :— আমাৰ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত যি খৰচ কৰা হৈছে এই শিতানত আমাৰ শিক্ষামন্ত্ৰী মহোদযৰ যথেষ্ট মনোযোগ দিবলৈ অনুৰোধ কৰিলো। যোৱা ৫-৯-৭৫ তাৰিখৰ পৰা যি প্ৰাথমিক স্কুলৰ শিক্ষক সকলৰ চাকৰি চৰকাৰী কৰণ কৰা হল সেইদিন ধৰি তেখেতৰ দৰমহাৰ বাহিৰেও প্ৰভিদেন্দ ফান্দ, পেঞ্চন আদি যিবিলাক চৰকাৰী কৰণ কৰাৰ সময়ত তেতিয়াৰ শিক্ষামন্ত্ৰীয়ে আশ্বাস দিছিল, সেই আশ্বাস আজিও পূৰণ হোৱা নাই। আৰু এটা কথা মনত ৰাখিব লাগিব যে, আমাৰ এক লাখৰো অধিক চৰকাৰী কৰ্ম্মচাৰীৰ ভিতৰত ৫।৯।৭৫ চনত ৪০ হাজাৰ শিক্ষকক একে ৰাতিৰ ভিতৰতে চৰকাৰী কৰণ কৰি চৰকাৰী কৰ্মচাৰী কৰা হল। এই চৰকাৰী কৰ্ম্মচাৰী সকলৰ চাৰ্ভিচ ৰেকৰ্ড, পেঞ্চনৰ কাগজ, আৰু অন্যান্য কাগজ পত্ৰ আদি যোগাৰ কৰিবলৈ বা তেওঁলোকক এই সম্পৰ্কে

* Speech not corrected

সহায় কৰিবলৈ চৰকাৰী কৰ্ম্মচাৰী হিচাবে ডাইৰেক্টৰৰ অফিচ বা চেক্ৰেটৰি অফিচত কোনো বিশেষ ব্যৱস্থা নাই। ইয়াৰ লগতে মাধ্যমিক স্কুলৰ শিক্ষক সকলৰ আৰু এম, ই স্কুলৰ শিক্ষক সকলৰ চৰকাৰী কৰণ কৰা হয়। তেওঁলোকৰ প্ৰায় ১৫ ২০ হাজাৰৰ ভিততত চৰকাৰী কৰ্ম্মচাৰী হল আৰু এই লোক সকলৰ প্ৰতি দায়িত্ব লবলৈ আৰু প্ৰভিদেন্দ ফান্দ পেঞ্চন আদিৰ দায়িত্ব লবলৈ চৰকাৰক অনুৰোধ কৰিলো। এনেধৰণৰ অৱস্থা ১৯৭৫ চনৰ পৰা চলি আছে। এতিয়া ১৯৭৯ চন হল এই ৪ বছৰে একো নহল। ইতিমধ্যে হয়তো বহুতো শিক্ষকে অৱসৰ গ্ৰহন কৰিছে। তেওঁলোক হয়তো কোনোদিনেই পেঞ্চন আদি নাপাব। গতিকে তেওঁলোকৰ প্ৰতি ঘোৰ অন্যায় কৰা হব। শিক্ষামন্ত্ৰী ডাঙৰীয়াই এই বিষয়ে গুৰুত্ব দি অতি সোনকালে চৰকাৰী কৰ্ম্মচাৰী সকলক পেঞ্চন, গ্ৰেচুইটি আদি ঠিকমতে দিয়াবৰ কাৰণে এটা বিশেষ চেল কৰি ব্যৱস্থা গ্ৰহন কৰিব লাগে। নহলে এই শিক্ষক সকলৰ অভিশাপ সদায় লব লাগিব। তাৰ আগতে চাকৰি আছিল ৬০ বছৰ আৰু এতিয়া এইটো ৫৮ বছৰ কৰা হল তাৰোপৰি দৰমহাৰ ক্ষেত্ৰত প্ৰধান কেন্দ্ৰৰ সম্পাদকে নিজে আহি ৫০.৬০ হাজাৰ টকা লৈ যায় আৰু এই বিলাক শিক্ষক সকলৰ মাজত বিলাই দিয়েগৈ। এতিয়া চৰকাৰী কৰণ হোৱাৰ পিচতো এজন চেক্ৰেটৰিয়ে ৭০।৮০ হাজাৰ টকা লৈ যাওতে বাটত লুটপাত হলে শিক্ষকে ভৰিব লগা হয়। গতিকে চৰকাৰৰ শিক্ষা আৰু ফাইনেন্স বিভাগে ইয়াৰ এটা বিহিত ব্যৱস্থা গ্ৰহন কৰিব লাগে।

মহোদয়, এল, পি স্কুলৰ ক্ষেত্ৰত স্কুলবিলাক চৰকাৰী কৰণ কৰা হল কিন্তু তলৰ ঘৰ বাৰীৰ উন্নতি কৰা নহল। আগতে

ঘোষনা কৰি দিয়া হল যে, গাওঁ অঞ্চল বিলাকত চৰকাৰৰ তৰফৰ পৰা স্কুল পাতি দিব কিন্তু সেই প্ৰস্তাৱ কাৰ্য্যকৰী নহল। আমি সন্তোষ পাইছো যে আজি ২ লাখ টকা এল, পি স্কুলৰ কাৰণে ধৰা হৈছে। সেই টকাৰে স্কুল ঘৰ মেৰামতি আদি কৰা হব। নিয়োগৰ ক্ষেত্ৰত এতিয়া কোনো ভাল নীতি গ্ৰহন কৰিব পৰা নাই। এদভাইচৰি কমিটিয়ে মাত্ৰ এদভাইচে দিয়ে। এতিয়া শিক্ষকৰ যিবিলাক পষ্ট খালি হব সেইবিলাকৰ নাম দি দি, পি আই অফিচলৈ পঠাব লাগে আৰু অনুদান হলে তাৰ পৰা নিযুক্তি দিব লাগে। এই প্ৰাথমিক স্কুল বিলাকৰ ক্ষেত্ৰত কব খোজো যে আগতে ৰাইজে এই স্কুল বিলাক পাতিছিল আৰু পিচত এই বিলাক লোকেল বৰ্ডৰ হাতলৈ গৈছিল তাৰ পিচতহে স্বীকৃতি পাইছিল। আৰু দি, পি, আই অফিচৰ জৰিয়তে নিযুক্তি দিয়া হৈছিল। যোৱা কেইবছৰ মানৰ ভিতৰত বহুতো দুৰ্ব্বল শ্ৰেনীৰ লোকৰ সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীয়ে চাকৰি পাইছিল এতিয়া তেনেধৰণে পোৱা টান। হয়তো স্থানীয় হিচাবে বা মহকুমা পৰ্য্যায়ত সম্পূৰ্ণ বিকেন্দ্ৰিকৰণ কৰিব পৰা হলে ভাল আছিল। যিবিলাক দুৰ্ব্বল শ্ৰেনীৰ লোকে চাকৰীৰ পৰা সুবিধা পাইছিল আজি সেই সকল বঞ্চিত হৈছে। গতিকে যিবিলাক দেফিচিত স্কুল আছে সেইবিলাক সোনকালে চৰকাৰী কৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। কলেজৰ ক্ষেত্ৰত মই কওঁ যে, ইউ, জি, চি গ্ৰাণ্টৰ কাৰণে দৰ্খাস্ত কৰিব পাৰে। তাৰ ওপৰত ৰেজিষ্টাৰ হব লাগে। আগৰ কলেজ বিলাকত ৰেজিষ্টাৰ কৰি ইউ, জি, চিলৈ এপ্লিকেচন পঠাইছিল। আমাৰ শিক্ষা সচিবে ইউ, জি, চিৰ লগত লেখা পঢ়া কৰি এই সম্পৰ্কে কিবা এটা সিদ্ধান্ত দিয়াৰ কথা

আছিল, কিন্তু আজিও সেইটো নহল।

মই শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো তেখেতে এই কথাৰো বিচাৰ কৰি ৰেজিষ্টেচন কৰিব লাগেনে নালাগে। এই কথাটোৰ সোনকালে সিদ্ধান্ত লয় আৰু নতুন কলেজ বিলাকক যিবিলাক ঘাটি মঞ্জুৰী পোৱা কলেজ ২০০ ৰ বেছি ছাত্ৰ ছাত্ৰী আছে তেওঁলোকে যাতে বিশ্ববিদ্যালয় আয়োগৰ অনুমোদনৰ কাৰণে দৰ্খাস্ত কৰিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। তাৰ পিচত কোকৰাঝাৰ, নগাওঁ এইকেইখন বিটি মহাবিদ্যালয়ৰ কাৰণে ৫০ হাজাৰকৈ টকা ধৰা দেখিছোঁ। কিন্তু উত্তৰ পাৰত কামৰূপ, দৰং আৰু লক্ষীমপুৰৰ এই তিনি ঠাইৰ মাজত মঙ্গলদৈত এখন বি টি কলেজ আছে। এতিয়া অৱশ্যে ছাত্ৰ-ছাত্ৰী অৰ্থাৎ শিক্ষক সকলক তাত ডেপুটেচন দিয়াৰ ব্যৱস্থা কৰিছে তাৰ কাৰণে মই চৰকাৰক ধন্যবাদ দিছোঁ। মঙ্গলদৈ বি টি কলেজ খনৰ মাটিবাৰী যথেষ্ট আছে। গতিকে অতি সোনকালে পূৰ্ণাঙ্গ কলেজ কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছোঁ। নোৱাৰিলেও অন্যান্য কলেজৰ নিচিনা ঘাটি মঞ্জুৰীৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিলো। অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ কাম হৈছে যথেষ্ট টকা শিক্ষা বিভাগত দিয়া হৈছে। বিশেষকৈ বিশ্ববিদ্যালয় আয়োগৰ হাৰত দৰমহা দিয়াত প্ৰায় ৩ হাজাৰ শিক্ষক উপকৃত হব। আৰু যিবিলাক নতুন কলেজ ঘাটি মঞ্জুৰীলৈ আহিব তেওঁলোকৰো এই দৰমহা দিয়াৰ ব্যৱস্থা কৰিব লাগে আনহাতে আমি প্ৰতিবাৰ বিধান সভাৰ মজিয়াত ছাত্ৰ-ছাত্ৰী সকলৰ বছেৰেকীয়া বৃত্তিৰ টকা সময় মতে দিব লাগে বুলি কৈ আহিছোঁ।

যোৱাকালি অৱশ্যে প্ৰশ্নোত্তৰ কালত শিক্ষামন্ত্ৰী মহোদয়ে জনাইছে যে আগৰ বেংকক চেক দিয়াৰ নিয়ম বাতিল কৰি অধ্যক্ষ সকলক নিজে ছাত্ৰ-ছাত্ৰী সকলক বৃত্তি দিব পৰা ব্যৱস্থা কৰি দিছে। আমি শুনি সন্তুষ্ট হৈছোঁ। এই ব্যৱস্থা যাতে অতি সোনকালে হয় তাৰ অনুৰোধ কৰিলো এই বৃত্তি সম্পৰ্কে আমাৰ বহুতো অভিযোগ আছে। কাৰণ পাবগীয়া বৃত্তি পাইছে নাপাবলগীয়াও পাইছে। কিন্তু পাবলগীয়াই নোপোৱাৰ উদাহৰণ বহুতো আছে। শিক্ষামন্ত্ৰী মহোদয়ে এই অভিযোগ বিলাকৰ কি ব্যৱস্থা লয় তালৈ আগ্ৰহেৰে বাট চাই আছোঁ। এপ্ৰপ্ৰিয়েচন বিলৰ গৰকাপ্তানী বিভাগৰ কথা স্বাস্থ্য বিভাগৰ কথা কোৱা হৈছে। গড়কাপ্তানী বিভাগৰ মন্ত্ৰীৰ পৰা আশ্বাস বানী লব বিচাৰিছো যাতে যিবিলাক পিচপৰা অঞ্চল যাতায়তৰ একেবাৰে সু ব্যৱস্থা নাই সেইবিলাকলৈ চকু দিব। ব্লেক টপ অসম চৰকাৰৰ দিনত মই পোৱাই নাছিলো। বৃটিছৰ দিনতে মোৰ সমষ্টিত ৫ নে ৬ মাইল মাইল ৰাস্তা পিচ হৈছিল। আমি স্কুলত পঢ়া দিনতে দেখিছিলো। তাৰ পিচত বৰ্ডাৰ ৰোডৰ নামত কেন্দ্ৰিয় চৰকাৰে এটা ৰাস্তা পিচ কৰি দিছে। আনহাতে ওদালগুৰিৰ পৰা তামোলপুৰলৈ যিটো বৰ্ডাৰ ৰোড সেই ৰাস্তাটো আজিলৈকে কাৰ্যক্ৰম কৰা নহল। এই সম্পৰ্কত শুক্লাই নামৰ যি নদী আছে তাত জলসিঞ্চনৰ এটা বান্ধ আছে। তাত দলংৰ কাৰণে এটা কজওৱে কৰিব লাগে। তাত যিজন ঠিকাদাৰ দিছে তেওঁ কাম যোৱা বছৰ নকৰিলে তেওঁ নিজে ১ হাজাৰ বেগ চিমেণ্ট লৈকি কৰিলে আমি নাজানো বোধকৰো বিভাগে কিবা গম পাইছে তেওঁ নিজে কৈ ফুৰিছে মুকলি বজাৰত বিক্ৰী কৰা বুলি। আনহাতে বিভাগ ধন্যবাদৰ পাত্ৰ যে এই কামটো ৩ জন নিবনুৱা

যুবকক নিবিদা আহ্বান নকৰাকৈয়ে কাম কৰিবলৈ দিয়া হৈছে আৰু ৩১ মাৰ্চৰ আগতে যুদ্ধকালীন ব্যৱস্থাৰে এইকাম শেষ কৰিবলৈ ব্যৱস্থা কৰিছে সেই কাৰণে মই বিভাগক ধন্যবাদ দিছো। কিন্তু যিজন ঠিকাদাৰে এক হাজাৰ বস্তা চিমেণ্ট লোহোৱা কৰিলে তাৰ কোনো ব্যৱস্থা লোৱা নাই। আমাৰ গড়কাপ্তানী বিভাগৰ মন্ত্ৰী যোগান মন্ত্ৰীও তেখেতে ৫ বস্তা বা ১০ বস্তা চিমেণ্ট মুকলি বজাৰত বিক্ৰী কৰা খবৰ পালে আৰক্ষী অধীক্ষক বা উপাযুক্ত কৈ হলেও ব্যৱস্থা কৰিব কিন্তু ইমান বস্তা চিমেণ্ট বিক্ৰী কৰাৰ পিচতো মহকুমাধিপতিয়ে গমো পাইছে এছেনচিয়েল কমডিটি এক্ট মতে তেওঁ দায়ী নহয়নে ? তেওঁ এজন বিখ্যাত ঠিকাদাৰ বুলিয়ে এৰি দিয়া হবনে ? গড়কাপ্তানী বিভাগৰ মন্ত্ৰীয়ে সেই বিষয়ে জনাব বুলি আশা কৰিলো। গতিকে বিনিয়োজন বিলৰ ওপৰত এইখিনি কথা কৈ ভুয়োজন মন্ত্ৰীৰে বিশেষ দৃষ্টি আকৰ্ষন কৰি মই মোৰ বক্তব্য সামৰণী মাৰিলো।

* শ্ৰীমঃ চামচুল হুদা :— মাননীয় অধ্যক্ষ মহোদয়, এপ্ৰপ্ৰিয়েচন বিলৰ ওপৰত মই কেইটামান কথা কব খুজিছোঁ। শিক্ষাৰ ক্ষেত্ৰত শিক্ষা মন্ত্ৰীয়ে যোৱা বাজেট অধিবেশনত যি আশ্বাস দিছিল সেই আশ্বাস কথা মনত পৰিছে। তেখেতে কৈছিল যে আগৰ চৰকাৰ পশ্চিম ফালে গৈছিল আৰু আমি পুবে যাম। কিন্তু দেখিবলৈ পাইছো আজি এবছৰে শিক্ষা মন্ত্ৰী মহোদয়ে গুৱাহাটী প্লেটফৰ্মৰ পৰা পূৱেও যাব পৰা নাই পশ্চিমেও যাব পৰা নাই প্লেটফৰ্মতে ঘুৰি আছে। শিক্ষা বিভাগত এটা স্থবিৰতা আহিছে আগৰদৰেই। কোনো গতানু-

* Speech not corrected

গতিক পৰিবৰ্ত্তণ দেখা নাই। প্ৰাথমিক স্কুলৰ শিক্ষক সকলৰ চাকৰি চৰকাৰীকৰণ কৰা হল কিন্তু স্কুল ঘৰ বিলাক ভাঙি পৰি নাই-কীয়া হল। শিক্ষক সকলৰ চাকৰী চৰকাৰীকৰণ হল কিন্তু স্কুল ঘৰৰ পৰিবৰ্ত্তণ নহল। আনহাতে দেখাযায় শিক্ষাৰ ক্ষেত্ৰত শিক্ষাৰ মান উন্নত হোৱা নাই। ৩১ বছৰীয়া কংগ্ৰেছৰ আমোলত যি দেখিছিলো ২৫ জনীয়া স্কুল এখনত বেৰ ঘৰ নাই! এজন শিক্ষক কিন্তু জন্মৰ পৰা আজিলৈকে এটা লৰা ছোৱালিয়েও বৃত্তি পোৱা নাই। আজিলৈ এই অৱস্থা চলি আছে। গাওঁ অঞ্চলৰ স্কল বিলাকৰ শিক্ষাৰ মান নিম্ন থাপৰ হৈ পৰিছে। শিক্ষাৰ মান উন্নয়নৰ কাৰণে কোনো কাৰ্য্যকৰী ব্যৱস্থা নাই। স্কল বিলাক পৰিদৰ্শনৰ কাৰণে এচ আইৰ এ এচ আইৰ অভাৱ। প্ৰাথ-মিক শিক্ষাৰ বেলেগ সঞ্চালকালয় কৰা হল। কিন্তু তেওঁ অকল বদলি, নিযুক্তি কৰাতে ব্যস্ত থাকিব লগা হৈছে। এই কাৰ্য্যালয়টো পুনৰ গঠন পূৰ্ণাঙ্গ এতিয়াও হোৱা নাই। আনকি শিক্ষক সকলে নিয়মিত ভাবে যদি কাম নকৰে বা শিক্ষাত মনোনিবেশ নকৰে তাৰ কাৰণে প্ৰশাসনীয় ব্যৱস্থা লোৱাৰ বাবে কোনো ৰুল তৈয়াৰ হোৱা নাই। মই মোৰ সমষ্টিৰ ঘটনা এটা কওঁ। স্কুল উপ পৰিদৰ্শকে একেদিনাই ১০-১২ খন স্কুলৰ শিক্ষকক খবৰ দিয়ে নগাবান্দা বজাৰত গোট খাবলৈ। তাত গোট খোৱাৰ পিচত লিষ্ট-খন চাই কোন কোন শিক্ষক উপস্থিত আছে আৰু কোন নাই সেইটো চাই লয়। অলপ কথা বতৰা পতাৰ পিচত মোনাখন আগবঢ়াই দিয়ে বজাৰ কৰিবলৈ। তাৰ পিচত ৪-৫ তাৰিখ আদি কৰি দিন ঠিক কৰি দিয়ে পৰিদৰ্শন ৰিপোৰ্ট লৈ আহিবৰ কাৰণে। মোৰ তাত এখন ৰিফিউজি স্কুল আছে। তাত গোপাল নামে এজন

ভাল শিক্ষক আছে। তেওঁ কেজুৱেল ছুটি লৈ গুৱাহাটীলৈ পিকনিক খাবলৈ আহিছিল। এচ, আইয়ে কৈফিয়ত ললে বিনা অনুমতিত স্কুল এৰি অহাৰ কাৰণে। তেতিয়া শিক্ষকজনে লিখিত ভাৱে জনালে যে প্ৰধান শিক্ষকৰ পৰা কেজুৱেল ছুটি লৈ যোৱা বুলি। তেতিয়া এচ, আইয়ে কৈছে 'এওঁৰ ইমান স্পৰ্দ্ধা লিখিত ভাৱে জৱাৰ দিছে, মোক দেখা কৰা নাই? তেতিয়া শিক্ষক জনে কলে যে লিখিত ভাৱে কৈফিয়ত বিচৰা কাৰণে লিখিত ভাৱেই জৱাব দিয়া হৈছে।

তাৰ পিচত আন এজন শিক্ষকৰ ঘটনালৈ আহো। তেওঁৰ নাম ৰমা বৰা। তেওঁ এজন বিফিউজি স্কুলৰ অসমীয়াৰ শিক্ষক। তেওঁক কলে তুমি কাৰ হুকুমত ইয়াত অসমীয়া পঢ়া-ইছা? তোমাৰ কথা বেঙেগ আছে। তেওঁ কলে চিলেবাচ মতে পঢ়োৱা বুলি। ৰিজাল্ট দিছে, চাৰ্টিফিকেট দিছে আৰু পঢ়াইয়ো আছে। পঢ়া-শুনাত ভাল কাৰণে বাইজে তেওঁক অসমীয়া শিকা-বলৈ দিছে। পৰিদৰ্শকে কলে এইচৰ হুকুম হোৱা নাই। ষ্টক ৰেজিষ্টাৰ আনক। তেতিয়া তেওঁ কলে যে চুৰে নিয়ে কাৰণে সেইবিলাক ইয়াত ৰখা নাই। তেতিয়া এচ, আই কলে যে এওঁ বৰ ডাঙৰ ডাঙৰ কথা কৈছে। এইচব কথা নহয় বজাৰলৈ যে ৱা বজাৰ কৰি অহা। তেতিয়া তেওঁ কলে যে পইচা নাই। তেতিয়া এচ, আইয়ে কলে যে বাকী কৰি আনা। শিক্ষকজনে কলে যে দোকানীয়ে বৰ গৰম গৰম কথা কয়, সেইকাৰণে বাকী কৰি নাখাওঁ। তেতিয়া তেওঁ কলে বৰ ডাঙৰ কথা— বাকী নোখোৱা হৈছা, তেতিয়াহলে বজাৰলৈ বলা চাহ খাওঁ। শিক্ষকজনে উপায় নাপায় অন্য এজনৰ পৰা ধাৰ কৰি পইচা আনি চাহ খুৱালে। মুঠতে তেওঁ চাহ খাইহে এৰিলে। আজি এনেধৰণে শিক্ষা ব্যৱস্থা

চলিছে। শিক্ষাই হৈছে জাতিৰ মেৰুদণ্ড। লাউ এটা যদি সৰুতে পচিবলৈ ধৰে বা পোকে খায় তেতিয়াহলে লাউ নহয়। ঠিক সেইদৰে যদি শিক্ষক সকলৰ মস্তিস্কৰ বিকাশ নহয় তেতিয়াহলে দক্ষতা কেতিয়াও উচ্চ পৰ্য্যাযৰ হব নোৱাৰে। সেই জাতিয়ে হাজাৰ বছৰ পিচতো উন্নতি কৰিব নোৱাৰে। সেই কাৰণে শিক্ষা মন্ত্ৰীয়ে কৈছে যাতে ৩১ বছৰৰ ইতিহাস পাহৰি গৈ শিক্ষা ব্যৱস্থাৰ পৰিবৰ্ত্তন কৰক প্ৰাথমিক পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ মান উন্নত কৰক। তাৰ কাৰণে প্ৰয়োজন হলে এচ, আই বা এ, এচ, আই লওক পৰিদৰ্শণৰ ব্যৱস্থা লওক।

হাইস্কুল বিলাক প্ৰভিন্সিয়েলাইজ কৰা হল। কৃষি বিশ্ব-বিদ্যালয়ৰ পৰা শিক্ষালাভ কৰি অহা কৃষি স্নাতক সকলে যেনেকৈ চাকৰি লৈ প্ৰশাসনীয় কামত ব্যস্ত হৈ পৰে ঠিক তেনেকৈ শিক্ষা বিভাগৰ পৰিদৰ্শক সকলেও মন্ত্ৰীক লগ পায় ডি, পি, আইক লগ পায় এইবিলাকতে ব্যস্ত থাকে। পৰিদৰ্শণৰ কাম একো নহয়। প্ৰাদেশীক কৰা হাইস্কুল বিলাকৰ ৰুল তৈয়াৰ হোৱা নাই। এই ৰুল তৈয়াৰ নহলে শিক্ষাৰ মান উন্নত কৰিব পৰা নহব। ৫ জন ভাল শিক্ষকৰ পৰা ২ জন মান অন্য ঠাইত দিবৰ কাৰণেও ৰুলৰ প্ৰয়োজন। এজন ভাল অফিচাৰক বদলি কৰা হয় ভাল কাম কৰিবৰ কাৰণে। তাৰ বাবে ৰুলৰ প্ৰয়োজন। এইক্ষেত্ৰত মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। শ্ৰীসিংহ ডাঙৰীয়াৰ দিনৰ পৰাই কিছুমান ভেন্সাৰ এম, ই আৰু এম, ডি স্কুল চৰকাৰে লম লম বুলি কৈ আছে কিন্তু লোৱা নাই। গাৱেঁ ভূৱেঁ প্ৰাথমিক স্কুল পাতি দিয়াৰ কথা আছিল কিন্তু আজিলৈকে সেইটো নহল। ৰাইজে প্ৰতিস্থা কৰা প্ৰাইমেৰী স্কুল বিলাকো লোৱা নহল। সৰ মেৰা-

মতিৰ নামত আজিলৈকে পুটা কড়ি এটাও দেখা নাই। প্ৰাদেশীকৰণ কৰা হাইস্কুল বিলাকৰ বিল্ডিং কোনে কৰিব? ঘাটি মঞ্জুৰী অৱস্থাত থকা স্কুলবিলাকে লোন পোৱাৰ সুবিধা আছিল। কিন্তু এতিয়া সেই সুবিধা নাই। তাৰ পিচত কেইখনমান চিলেক্টেদ হাইস্কুল আৰু হায়াৰ চেকেন্দাৰী স্কুলক বিল্ডিং গ্ৰেণ্ট দিয়াৰ কথা কৈছে। শিক্ষক সকলৰ চিলেকশ্যন গ্ৰেড আছে। কিন্তু স্কুলৰ চিলেকশ্যন কৰবাত আছে জানো? গতিকে সকলোতে বিল্ডিংৰ গ্ৰেণ্ট দিয়াৰ ব্যৱস্থা কৰিব বুলি অনুৰোধ জনালো। বিজ্ঞান শিক্ষাৰ কাৰণে কতো এ পইচাও ধৰা নেদেখিলো। শিক্ষা মন্ত্ৰীয়ে কৈছিল তেখেত বিজ্ঞানৰ ছাত্ৰ আৰু বিজ্ঞানৰ প্ৰতি ৰব ৰাপ। তেখেতে পৰিপূৰক বাজেটত বিজ্ঞান শিক্ষাৰ কাৰণে এপইচাও ধৰা নাই। ০ কোটি টকাৰ ভিতৰত ইউ, জি, চি স্কেলৰ বাবদ কলেজ বিলাকক টকা দিয়াৰ ব্যৱস্থা কৰিছে। পলিটেকনিক অনুস্থানত কাম কৰা টেকনিকেল শিক্ষক সকলে ইউ, জি, চিৰ স্কেল নাপায় কিন্তু নন্ টেকনিকেল সকলে পাব। ইয়াৰ দ্বাৰা টেক্নিকেল শিক্ষক সকলক নিৰুৎসাহিত কৰা হৈছে।

গতিকে সেই ফালেও মই চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰিছোঁ। শিক্ষাৰ ক্ষেত্ৰত মই মোটা-মাটি ভাবে ইয়াতে এৰিছো। ইয়াৰ পিচত কৃষি আৰু জলসিঞ্চনৰ কথালৈ আহোঁ। এই দুটা বিষয় ওতঃ প্ৰোতঃ ভাবে জড়িত, কৃষিক পানী লাগে। পানী নহলে কৃষি নহয়। কিন্তু আজি দেখা যায় কৃষিৰ লগত জলসিঞ্চনৰ কোনো সম্পৰ্ক নাই। আমি দেখিবলৈ পাইছিলো যে পঞ্চায়তৰ জড়িয়তে ক্ষুদ্ৰ জল সিঞ্চনৰ কাম চলি আছিল। কিন্তু কিবা সুবিধা নে অসুবিধাৰ কাৰণে কব নোৱাৰোঁ এইটো উঠাই দিয়া হল।

বৰ্ত্তমান চৰকাৰে আজিলৈকে তাৰ কোনো কাম আৰম্ভ কৰা নাই। অথচ জলসিঞ্চন নহলে কৃষি নহয়। আমাৰ কৃষি মন্ত্ৰীয়ে কৃষিৰ উৎপাদন বৃদ্ধি কৰক বুলি কৈ আছে, কিন্তু কৃষিৰ যি বিলাক বস্তুৰ আৱশ্যক জলসিঞ্চনৰ প্ৰয়োজন, কঠিয়া, সাৰ এই বিলাক তেখেতৰ লগত কোনো সম্পৰ্ক নাই আৰু কৃষিৰ কীট পতঙ্গ নাষক যিবিলাক ব্যৱস্থা তাৰো কোনো ব্যৱস্থা নাই। সেই বুলি মই কোৱা নাই যে ৰবা ডাঙৰীয়াৰ পৰা এই বিভাগটোলৈ যাওক আৰু ওচমানি ডাঙৰীয়াক দিয়ক। মই কৈছো যে এই দুই বিভাগৰ লগত এটা সমন্বয় ৰক্ষা কৰক যুত্তীয়া ভাবে, যৌথ ভাবে এই ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয়, প্ৰথম পাচঁবছৰীয়া পৰিকল্পনাত কৃষিৰ ওপৰত গুৰুত্ব দিয়া দেখা নগল। তেতিয়াৰ অৰ্থনীতিবীদ সকলে কৃষিক অৱহেলা কৰিলে যাৰ পৰিণতিত কৃষি শিল্প গঢ়ি নুঠিল। সেই কাৰণে মই কৈছোঁ কৃষিৰ আৰু জলসিঞ্চন বিভাগৰ লগত এটা সমন্বয় সাধন কৰি এটা মাষ্টাৰ প্লেন লোৱা উচিত। আমি দেখিছোঁ জনতা চৰকাৰে চৰকাৰ লোৱাৰ পিচত মন্ত্ৰী সকলে নিজৰ নিজৰ সমষ্টিত ক্ষুদ্ৰ জলসিঞ্চনৰ ব্যৱস্থা কৰিছে। ইয়াকে নকৰি সমানে জলসিঞ্চনৰ ব্যৱস্থা কৰিবলৈ মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ। মন্ত্ৰী মহোদয়ে কৈছিল যে আমাক আচঁনি দিয়ক, আচঁনি নহলে জনতা চৰকাৰে কোনো কাম নকৰে। বহুত আচাঁন দিয়া হল, অথচ সেইমতে কাম নহলল সেই কাৰনে মই কৈছোঁ যে যিখিনি আচঁন যাতত আছে সেইমতে কাম কৰৰ, দৰকাৰ হলে মন্ত্ৰীয়ে নিজেও আঁচনি কৰক নহলে কৃষি উন্নতি কৰাৰ কোনো ব্যৱস্থা নাথাকিব।

অধ্যক্ষ মহোদয়, ইয়াৰ পিচত মই আহো এনিমেল হাচবেন্দ্ৰি আৰু ভেটেনেৰিলৈ। ইয়াৰ কাম কি কৰিছে মই কব পৰা নাই। গৰু মৰিয়েই আছে তাৰ খবৰ নাই। হেজাৰ হেজাৰ গৰু বানপানীত মৰিছে, বেমাৰত মৰিছে তাৰ হিচাব নাই। যেতিয়ালৈকে মৰা নাই তেতিয়ালৈকে এই বিভাগ ঠিক আছে, কিন্তু বেমাৰ হলে ৰাখিব নোৱাৰে। আৰু এটা কথা অধ্যক্ষ মহোদয়, আজি কালি প্ৰায় সকলো সম্প্ৰদায়ৰ মানুহেই মুৰ্গী খায় এইটো এটা উমৈহতীয়া খাদ্য হৈ পৰিছে। কিন্তু বছৰত কিমান কোটি মুৰ্গী মৰিছে তাৰ হদীচ ভেটেনেৰী বিভাগে কৰিছেনে? সাধাৰণৰ খাদ্য স্বৰূপে এই বিভাগটোলৈ চৰকাৰে চকু দিব লাগে। এই বিভাগৰ আৰু বিভিন্ন কথা মই কব খোজা নাই। মোৰ দৰে আৰু বিভিন্ন সদস্যই কব লগা আছে।

(মীন বিভাগৰ কথা কওক)।

এইটো মই পিচলৈ থৈছো। ফৰেষ্টৰ কথা মই কেই আষাৰমান কব খুজিছো। মই দেখাত এই বিভাগটো অসম চৰকাৰৰ কৰত ৰাজ্য। কাৰণ এই বিভাগটো আমাৰ পৰা আতঁৰত থাকে। কিন্তু এই বিভাগত হেজাৰ হেজাৰ টকাৰ সম্পদ আছে। বিভিন্ন ৰকমৰ ব্যৱসায়ীয়ে অন্যায় ভাবে এই সম্পদ আহৰণ কৰাই নহয় লাখ লাখ টকাৰ সম্পদ নষ্ট কৰিছে। সেই কাৰণে মই কৈছো আৰু বৰ বেছি দিন নাই, এই বিভাগত বহুতো জনস্বাৰ্থ বিৰোধী কাম হব লাগিছে। এই বিভাগত মাছ মহল আছে। চোৰাং বিভাগৰ লোকে ইয়াৰ পৰা লাখ লাখ টকা আহৰণ কৰিছে, হেজাৰ হেজাৰ গছ কাটি থাষ্টাং কৰিছে আৰু বন্য প্ৰাণী হত্যা কৰি বিষয়া সকলে অনেক ধন আৰ্জন কৰিছে। আমাৰ এনে

ফৰেষ্ট বিষয়া আছে যি দহ হেজাৰ টকালৈকে জুৱা খেলিব পাৰে। ইমান টকা এই বিষয়া সকলে কত পায়? ফৰেষ্ট বিষয়া সকলে কত মনে মনে বিভিন্ন ঠাইত মাটি পট্টন দি টকা অৰ্জন কৰি আছে। কিন্তু দৰ্খাস্ত দিলেই উচ্ছেদ হয়। এই বিলাকৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি মই এপ্ৰপ্ৰিয়েচন বিলত এই খনিৰে দৃষ্টি আকৰ্ষণ কৰিছো।

শ্ৰীনিশীথ ৰঞ্জন দাস :— মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা সংক্রান্ত ব্যাপারে আমি ২-৪টি কথা বলতে চাই। আমাদের শিক্ষামন্ত্রী মহাশয় গত বাজেট অধিবেশনে শিক্ষার ব্যাপারে মনোরম ভাষণ দান করেছিলেন। আমরা আশা করেছিলাম যে আমাদের রাজ্যে শিক্ষা সংক্রান্ত নীতির অমূল পরিবর্তন হবে। কিন্তু আমি অত্যন্ত দুঃখের সঙ্গে বলতে বাধ্য হচ্ছি যে শিক্ষা মন্ত্রীর সেই বক্তব্য ছিল অন্তঃসার শূন্য।

অধ্যক্ষ মহোদয়, আপনি জানেন যে আমাদের রাজ্যে শতকরা ৭১ জন মানুষ আজও নিরক্ষর। আর পার্বত্য অঞ্চলে শতকরা ৮০ জণ মানুষ আজও নিজেদের নাম লিখতে জানে না। অপরদিকে আড়াইলক্ষ শিক্ষিত বেকার আজ আমাদের রাজ্যে রয়েছে। একদিকে শিক্ষিত বেকার আর অন্যদিকে লক্ষ লক্ষ মানুষ শিক্ষার আলো থেকে বঞ্চিত। এই হলো আমাদের রাজ্যের অবস্থা। আমরা যদি এই সব শিক্ষিত বেকারদের গ্রামেগঞ্জে শিক্ষার আলো পৌঁছে দেবার জন্য তাদেরে কাজে লাগাতাম তাহলে একসঙ্গে আমাদের দুইটি সমস্যার সমাধান হতো। একদিকে আমরা দেশের নিরক্ষরতা দূর হত এবং অন্যদিকে কিছু সংখ্যক শিক্ষিত

বেকারি কাজ পেত। কারণ একথা আমরা জানি যে জাতির এই বৃহত্তম অংশকে অন্ধকারে নিমজ্জিত রেখে আমাদের দেশ কখনও অগ্রসর হতে পারে না। কিন্তু অধ্যক্ষ মহাশয়, আমাদের সরকারের যে শিক্ষানীতি তা বৃটিশ আমল থেকে একইভাবে চলেছে। এই শিক্ষার সার কথা হলো যে শিক্ষক এবং ছাত্রকে উৎপীড়ন করা। শিক্ষার নামে রাজ্য সরকার নানা বাধা নিষেধ আরোপ করে সমস্ত শিক্ষক ও ছাত্রকে তারা উৎপীড়ন করেছে। এই বিষয়ে আমি আমাদের শিক্ষামন্ত্রীর দৃষ্টি আকর্ষণ করতে চাই যে, আমাদের রাজ্যে যেন সম্পূর্ণভাবে প্রাথমিক শিক্ষা অবৈতনিক করা হয়। কারণ এখনো আমাদের রাজ্যের অনেক স্থানে প্রাথমিক শিক্ষার ক্ষেত্রে ছাত্রদের পয়সা দিয়ে লেখা পড়া করতে হয়। এই মরিয়ানিতে ১৯২৮ ইংরাজীতে একটি রেলওয়ে পাঠশালা স্কুল খোলা হয়েছিল। আজ ও সেখানে পয়সা দিয়ে ছেলেদের পড়াশুনা করতে হয়। সেই স্কুলের ম্যানেজিং কমিটি শিক্ষদের বেতন দেন। আমরা কেরলা রাজ্যে দেখেছিলাম যে সেখানে পড়াশুনার ব্যাপারটা আগে সম্পূর্ণভাবে জমিদারদের দ্বারা নিয়ন্ত্রিত হতো। ছাত্রদের কাছ থেকে মাইনা সংগ্রহ করে তারা মাষ্টারদের বেতন ও অন্যান্য খরচাদি করে লাভের টাকা সংগ্রহ করতেন। আমাদের রাজ্যেও এই অবস্থা রয়েছে দেখছি। আমাদের কংগ্রেস কিংবা বর্ত্তমান জনতা সরকারের তরফ থেকে শিক্ষা সম্প্রসারণের জন্য কোনো উদ্যোগ নেওয়া হয়নি। জনসাধারণ নিজেদের চেষ্টায় শিক্ষার প্রসার ঘটাতে চাইলে সরকার যে কত প্রতিবন্ধকতা সৃষ্টি করেন তার শেষ নাই। স্কুল খুলতে হলে জমি দান করতে হবে। কিছু টাকা জমা করতে হবে। এইসব নানা প্রতিবন্ধকতা পার হলে পর সরকার স্কুলের স্বীকৃতি দিবেন। কয়েক বৎসর যদি

শিক্ষকরা ক্ষুধার যন্ত্রণা সহ্য করে বেঁচে থাকতে পারেণ তাহলে হয়তো সরকার এডহক গ্রাণ্ট, তার কিছুদিন পর নন্ ডেফিসিট গ্রাণ্ট ইত্যাদি স্তরে স্তরে কত বাধা। আমাদের রাজ্যের একই শিক্ষা ব্যবস্থায় এডহক, নন ডেফিসিট, ডেফিসিট ইত্যাদি কত বৈষম্য রয়েছে। বৃটিশ আমলে এসব বৈষম্য ছিল। আর কংগ্রেছ সরকার ও সেই একই শিক্ষানীতি অবলম্বন করেছিল। মহোদয় আমরা আশা করেছিলাম যে জনতা সরকার ক্ষমতায় আসার পর অন্ততঃ শিক্ষা ক্ষেত্রে সমস্ত রকম প্রতিবন্ধকতা বৈষম্য দূর করা হবে। কিন্তু এখনো সেই অবস্থা চলছে। এখন এর সঙ্গে যুক্ত হয়েছে নানা দূর্নীতি বিভিন্ন প্রতিষ্ঠানের ম্যানেজিং কমিটি, স্কুল কতৃপক্ষ বিভাগীয় কতৃপক্ষ শিক্ষা নামে কেবল অর্থের লেন দেন নিয়ে বেআইনী কাজে ব্যস্ত আছেন। প্রতিদিন বিভিন্ন অঞ্চল থেকে সুবিধা আদায়ের জন্য মানুষ আসছে যে তাদের এলাকার এমই স্কুল হাইস্কুল প্রভৃতিতে শিক্ষকের পদের অনুমোদনের জন্য টাকা ও মঞ্জুর হয়েছে কিন্তু প্রয়েজনীয় শিক্ষা প্রতিষ্ঠানে শিক্ষক নিয়োগ হচ্ছে না। অথচ অধ্যক্ষ মহাশয়, এমন সব স্কুলে এডিশনেল শিক্ষক নিয়োগ হয়েছে যে সব স্কুলে শিক্ষকের প্রয়োজন নাই, তার টাকা দিয়ে এইসব ব্যবস্থা করে নিচ্ছে। এইভাবে দূর্নীতি শিক্ষা জগতকে অধঃপতনে নিয়ে যাচ্ছে এবং যে শিক্ষাবোর্ড করা হয়েছে তার কোন ক্ষমতা ও নেই মিটিংও করতে পারেনা। শিক্ষিত বেকারদের শিক্ষার কাজে নিয়োজিত করার জন্য আমি শিক্ষামন্ত্রীকে বলে- ছিলাম যে প্রতিটি গ্রামে যেন এক একটা করে স্কুল স্থাপন করার ব্যবস্থা করেন। অত্যন্ত দুঃখের বিষয় যে গত এক বৎসর যাবৎ সরকার একটাও স্কুল

গ্রহণ করেন নি। এইভাবে রাজ্যের অবস্থা চল্লে জনসাধারণ তা বেশীদিন সহ্য করবেনা। সেদিন একটা প্রশ্ন এই সদনে এসেছিল কিছু কিছু স্কুলের মেরামতি সম্পর্কে কংগ্রেস আমলেও এই ভগ্ন দশা স্কুলগুলির মেরামতির প্রয়োজন তদনীনন্তন সরকারে বোধ করেনি। স্কুলের ঘরগুলি ভেংগে এখন মাটিতে পড়ে গিয়েছে। আমি শিক্ষামন্ত্রীকে জিজ্ঞাসা করতে চাই যে, দূর্নীতির বৃটিশ আমল থেকে চলে আসছে। কংগ্রেস আমল ছিল দূর্নীতি স্বর্ণযুগ কংগ্রেসী এম, এল এ রাতো টাকা পয়সার লেন-দেন করে শিক্ষা ও শিক্ষকের ভাগ্য নির্দ্ধারণ করত এই একই অবস্থা কি এখনো চলবে? আশাকরি শিক্ষামন্ত্রী মহোদয় এইদিকে দৃষ্টি দেবেন।

অধক্ষ্য মহোদয়, এবারে আমি বিটি কলেজের জন্য কিছু আর্থিক মঞ্জুরীর কথা বলছি এবং এ বিষয়ে আমি শিক্ষামন্ত্রী মহাশয়ের দৃষ্টি আকর্ষণ করে বলতে চাই যে ১৬ বৎসরের পুরনো শিলচরের বি, টি কলেজ আসামের শিক্ষক ছাড়াও মিজোরাম ও মণিপুর ও ত্রিপুরার স্কুলের শিক্ষকগণ ও ট্রেনিং নেন। অথচ এই কলেজটি আজও ডেফিসিট গ্রাণ্ট পায়নি বা রাজ্যিককরণও হয়নি। এই বিটি কলেজটি সমস্ত শর্ত পূরণ করা সত্বেও আজও উপেক্ষিত হয়ে আছে, এর থেকে প্রমাণ হয় যে শিক্ষাক্ষেত্রে শুধু দূর্নীতি বর্ত্তমান নয় বৈষম্যও রয়েছে। প্রাথমিক শিক্ষা সম্পর্কে বলতে গেলে বলতে হয় পাঠশালা স্কুলগুলিতে ব্লেকবোর্ড নাই, চক নাই, বেঞ্চ নাই। এই রকম শত শত স্কুলের মাধ্যমে আমাদের রাজ্যের শিক্ষা ব্যবস্থা চলছে। প্রত্যেক ছাত্রকে মুখে মুখে পড়ানো সম্ভব নয়। অধ্যক্ষ মহোদয়, এই পাঠশালা স্কুলগুলি যদি আমরা

পরিস্কার পরিচ্ছন্ন করে সুন্দর করে তুলতে না পারি তাহলে আমাদের শিক্ষা ব্যবস্থাও সুন্দর হতে পারে না। মহোদয় আপনি যে কোন গ্রামে বা শহরে যান যে ঘরটি আপনি ভাঙ্গা দেখবেন গরু-ঘোড়ার ঘড়ের মত অবস্থা দেখবেন সেইটাই আমাদের বিদ্যালয়। এই অবস্থা বৃটিশ আমল থেকে আরম্ভ করে কংগ্রেস আমল পর্য্যন্ত চলে আসছে। আর পরবর্ত্তীকালে এই সব স্কুলে যে অর্থ দেওয়া হয়েছে তাও সঠিকভাবে প্রয়োগ করা হয়নি। এই প্রয়োগের ক্ষেত্রে কেবল দূর্নীতি হয়েছে। মহোদয়, আমি বার বার দূর্নীতির কথা বলতে চাই এই জন্যই যে আজ যদি আমরা নতুন করে শিক্ষা ব্যবস্থার নীতি গ্রহণ না করি যদি শিক্ষার ক্ষেত্রে এই রকমই দূর্নীতি থেকে যাবে।

মহোদয়, আমাদের যে সব স্কুলগুলিকে সরকার কতৃক অধিগ্রহণ করা হয়েছে সেইসব স্কুলের শিক্ষকগণ যারা জরুরী অবস্থার সময় ৫৫ বৎসর বয়সে অবসর নিতে বাধ্য হয়েছিলেন তাদের কথা আশা করি বর্ত্তমান সরকার অত্যন্ত সহানুভূতির সঙ্গে বিবেচনা করবেন। তখন কিছু সংখ্যক শিক্ষককে পরবর্ত্তীকালে ৫৮ বৎসর পর্য্যন্ত কাজ করার সুযোগ দেওয়া হয়েছিল কিন্তু এইসব শিক্ষক যদি ৬০ বৎসর কাজ করার সুযোগ পেতেন তাহলে তারা কমপক্ষে আরও ২০ হাজার টাকা রোজগার করতে পারতেন। জরুরী অরস্থার সুযোগে কংগ্রেস সরকার তাদেরে এই ভাবে বঞ্চিত করেছিল। জনতা সরকারের উচিত তার প্রতিবিধান করা। তাছাড়া যে সব হাইস্কুলগুলি এখনো প্রাইভেট হিসাব চলছে, পরিচালনার ক্ষেত্রে কোন নিয়মনীতি নাই এবং এইসব স্কুলের শিক্ষকরা যে বেতন পান তা অতি সামান্য এবং

চকুরীরও তাদের কোন স্থায়ীত্ব নাই ফলে শিক্ষারও বিকাশ হচ্ছে না, বাধাপ্রাপ্ত হচ্ছে। এই সকল স্কুলের উন্নতির প্রতি দৃষ্টি দেওয়া দরকার।

মহোদয়, আমি আর আমার বক্তব্য দীর্ঘ করছিনা। আমি কেবল শিক্ষামন্ত্রী মহোদয়কে এই অনুরোধ করব যে আমরা স্বপ্ন দেখি যে আমাদের রাজ্যকে শিক্ষার ক্ষেত্রে এগিয়ে নিয়ে যাবো, সেই স্বপ্নকে সফল করতে হলে রাজ্যের অশিক্ষার অন্ধকারে নিমজ্জিত জনসাধারণকে শিক্ষিত করে তুলতে হবে এবং যার জন্য আমাদের সরকারকে শিক্ষা সম্প্রসারণের ক্ষেত্রে সমস্ত রকমের প্রতিবন্ধকতা তুলে নিতে হবে, শিক্ষকদেরে এবং শিক্ষাকে মর্যদার আসনে প্রতিষ্ঠিত করতে হবে। দূর্নীতি দূর করতে হবে। শিক্ষকরা যাতে নিয়মিত বেতন পান সেদিকে দৃষ্টি দিতে হবে। ছাত্রদের যাবতীয় প্রয়োজনীয় এবং পতনউন্মুখ বিদ্যালয়গুলি যাতে ভগ্নদশার হাত থেকে রক্ষা পায় সেই সব ব্যবস্থা যাতে শিক্ষামন্ত্রী করেন এই অনুরোধ জানিয়ে আমি আমার বক্তব্য শেষ করছি।

শ্রীযোগেন গগৈ :— অধ্যক্ষ মহোদয়, এই অসম এপ্রোপ্রিয়েচন বিলৰ ওপৰত কেইটামান বিষয়ে দৃষ্টি আকৰ্ষণ কৰি তু্মাষাৰমান কৰলৈ বিচাৰিছো। বৰ্তমান আমাৰ দেশত চলিত যি ব্যৱস্থা, এই ব্যৱস্থা পৰিবৰ্তন কৰা অত্যন্ত প্ৰয়োজন হৈ পৰিছে। এইটো কৰিবলৈ গলেই শিক্ষা ব্যৱস্থাৰ আমোল পৰিবৰ্তন হব লাগিব। অন্যান্য দেশত যেনেকৈ সৰু কালৰে পৰা লৰা ছোৱালীক গঢ় দিয়া চেষ্টা কৰা হয়। মাতৃৰ গৰ্ভত থকা অৱস্থাৰ পৰাই তেওঁলোকৰ যত্ন লোৱা হয়। তেওঁলোকৰ কাৰণে নৰ্চাৰি কিণ্ডাৰ গাৰ্টেন, মণ্টেচৰী পাব্লিক স্কুল, এইবিলাক হৈছে। কিন্তু আমাৰ দেশত প্ৰাথমিক

স্কুলৰ ওপৰত যিধৰণে গুৰুত্ব দিব লাগে সেইধৰণে গুৰুত্ব একেবাৰে দিয়া নাই। তাৰ প্ৰমাণ বিচাৰে যোৱা বছৰ কিমান খন প্ৰাথমিক স্কুল চৰকাৰে গ্ৰহণ কৰিছে সিয়েই প্ৰমাণ।

মিঃ স্পীকাৰ :— জেনেৰেল্ কথা আলোচনা কৰা বাদ দিয়াই ভাল।

শ্ৰীযোগেন গগৈ :— মই লাহে লাহেকৈ আহিব ধৰিছো। আজি চৰকাৰে যিবিলাক ব্যৱস্থা কৰিছে সেই বিলাকৰ দ্বাৰা ৰাইজ উপকৃত হব পৰা নাই। ৰাইজে বহুত কষ্ট কৰি স্কুল বিলাক প্ৰতিষ্ঠা কৰিছে। কিন্তু সেইবিলাক স্কুল চৰকাৰে গ্ৰহণ কৰিব পৰা নাই। তাৰ কাৰণ হৈছে আমাৰ চলিত নীতিৰ দুৰ্ব্বলতা আজি শিক্ষা ব্যৱস্থাৰ আমুল পৰিবৰ্তন কৰাৰ প্ৰয়োজন। এইবিলাক কৰিবলৈ যাওঁতে কি নীতি গ্ৰহণ কৰিব লাগিব তাৰ ওপৰত তআমাৰ মান কব বিচাৰিছো। আমাক এখন শিক্ষাবোৰ্ড গঠণ কৰি দিছে তাকেই শিক্ষা উপদেষ্টা কমিটি হিচাবে গঠন কৰি দিছে। তাক কাৰ্য্যকৰী কৰাৰ কাৰণে আলেচনা-বিলোচনা কৰা হয় যদিও কাৰ্য্যকৰী কাৰণৰ ক্ষেত্ৰত হেমাহী দেখা যায়। গতিকে এইখিনি দুৰ্বলতা দূৰ কৰাটো নিশ্চয় প্ৰয়োজন হৈ পৰিছে। গতিকে যিটো উপদেষ্টা কমিটি কৰিছে তেওঁলোকে তাক কেৱল কাৰ্য্য বিৱৰণীয়ে এডপট কৰে। কিন্তু পাচলৈ কাৰ্য্যকৰী হৈ নুঠে।

যি হওক আজি বিশ লাখ টকাৰ মঞ্জুৰী বিচাৰিছে। ইয়াৰ দ্বাৰা স্কুলৰ ঘৰৰ উন্নতি কৰাৰ অতীব প্ৰয়োজন হৈছে এই কমিটি সমুহে যি বিলাক আহুকলীয়া অৱস্থাৰ সন্মুখীন হৈছো তাৰ উল্লেখ কৰিব বিচাৰিছো। কিন্তু এনে অৱস্থাও হৈছে যে এমডি

স্কুলৰ ক্ষেত্ৰত উনৃচল্লিশ জন ছাত্ৰ-ছাত্ৰী থকা স্কুলত আঠজন শিক্ষক আছে অথচ কোনো স্কুলত ৮২ জন ছাত্ৰ থকাতো এজনহে শিক্ষক আছে। এইটো ব্যৱধান থাকিব নালাগে। এজন শিক্ষক অৱসৰপ্ৰাপ্ত হলে সেই ঠাইত তিনিজন শিক্ষকক নিযুক্তি দিয়া হৈছে। সহকাৰী পৰিদৰ্শকে স্কুল পৰিদৰ্শন কৰিব লাগে কিন্তু আচলতে পৰিদৰ্শন নকৰে। ঘৰত বহি বহিয়েই কিবা ৰিপোৰ্ট লিখি দিয়ে আৰু তাকে লৈ এম-এল-এৰ ওচৰত গ্ৰাণ্ট আদিৰ কাৰণে হুলস্থুল কৰে। পৰিদৰ্শক সকল থকাৰ সুবিধা নাই কাৰণেই চহৰ এলেকাত থাকিবলৈ লয় আৰু পৰিয়ালৰ কামতো ঘৰলৈ আহিব লগীয়া হয়। ফলত কাম কাজ সুচাৰুৰূপে চলোৱাত অসুবিধা হয়। আচলতে সহকাৰী পৰিদৰ্শক সকলৰ কাৰণে থকা ঘৰৰ ব্যৱস্থা থাকিব লাগে আৰু কামৰ জেগাত (কেন্দ্ৰ) থাকিব লাগে। ডি-আই সকলৰ অফিচত তিনি চাৰিশকৈ শিক্ষক নিতৌ গোট খাই থাকে কিয় থাকে, কিয় স্কুল এৰি থাকে সেই বিলাক চাব লাগে। ডি-আই, এ-ডি আই সকলে যাকে যতে পাৰে বদলি কৰে আৰু তাৰ দ্বাৰা টকা পইচা আদি খোৱাৰ সুযোগ সুবিধা আদি কৰি দিয়া হয়। আচলতে পাচ কিলোমিটাৰৰ ভিতৰত শিক্ষক আৰু এক কিলোমিটাৰৰ ভিতৰত শিক্ষয়িত্ৰীৰ কাম কৰিবলৈ সুবিধা দি শিক্ষক নিয়োগ পুৰ্ণগঠন কৰিব লাগে। এইটো টকা পইচা খোৱাৰ ফন্দি কৰিছে কিয়নো খুচি মতে বদলি কৰি সেই সুবিধা আদায় কৰি আছে।

যি হওক, ডিমৌত এখন ডিমৌ মহাবিদ্যালয় নামে এখন মহাবিদ্যালয় মোৰ সমষ্টিত আছে। তাৰ কাৰণে যাতে টকা পইচা পায় সেইটোলৈ নজৰ দিবলৈ মই শিক্ষামন্ত্ৰী মহোদয়ক অনু-

ৰোধ জনালো। চাহবাগানৰ অনুসূচীত আৰু অনুসূচীত জনজাতীয় অঞ্চল। পিচপৰা লোক অনুসূচীত, জনজাতি সকলে বাস কৰে। গতিকে এই মহাবিদ্যালয়খনৰ কাৰণে যাতে টকা পইচা দিয়া হয় তাৰ কাৰণে লক্ষ্য ৰাখিবলৈ অনুৰোধ জনালো।

উপাধ্যক্ষ মহোদয়, জলসিঞ্চনৰ ক্ষেত্ৰত দেখা গৈছে যে আমি গাওঁ অঞ্চলৰ পথাৰলৈ এটা ইলেক্ট্ৰিক বাল্ব নিবলৈকে সক্ষম হব পৰা নাই। গতিকে তেনে অৱস্থাত বিজুলী শক্তি চালিত জলসিঞ্চনৰ আশা কেনেকৈ কৰিব পাৰি? এই অঁচনিৰ ওপৰত গুৰুত্ব দিব লাগে। ইয়াৰ ওপৰিও চৰ এলেকাত জলসিঞ্চন ব্যৱস্থা নথকাৰ কাৰনেই তাত খেতি কৰিব পৰা হোৱা নাই। ইলেক্ট্ৰিক প্ৰজেক্ট চেংচন হৈ আছে ইলেক্ট্ৰিকচিটিৰ চেংচন হৈ আছে যদিও এতিয়ালৈকে এটাও হৈ উঠা নাই।

গৰু পোহা হৈছে ভেটেৰিনাৰি বিভাগৰ ফালৰ পৰা। গৰু-ম'হ আদি দুয়োটাৰে নিতান্ত প্ৰয়োজন। কিয়নো গৰুৰ লগতে ম'হৰ কাৰণেও যত্ন লব লাগে। গাখীৰ খোৱাৰ কাৰণে, খেতি কৰাৰ কাৰণেও গাড়ী টনাৰ কাৰণেও ম'হৰ দৰকাৰ হয়। কিন্তু ভেটেৰিনাৰি বিভাগৰ পৰা কোনো প্ৰয়োজনীয় ব্যৱস্থা লোৱা হোৱা নাই। গতিকে ম'হৰো এখন আঁচনি লৈ ম'হ পালনৰ ব্যৱস্থা লব লাগে।

অলপতে সিদিনাখন গেলেকীলৈ গৈছিলো তাত দেখিলো মানুহ বিলাকৰ মনৰ পৰা ভয় এতিয়াও আতৰি যোৱা নাই। গন্দিকৈ গাওঁ, আঠপুৰীয়া আদি গাওঁৰ মানুহৰ, তাৰোপৰি লখিমী জান চাহ বাগানৰ মানুহৰ মনত সন্ত্ৰাসৰ ভাৱ হৈছে। ভয়ত পেপুৱা

লগা মানুহ বিলাকৰ মনৰ অৱস্থা ৰৰ বেয়া হৈছে। এদিন গধূলি ৭ বজাত সকলো পলাইছিল। গতিকে নগা আহিব বুলি সন্ত্ৰাসত পৰিছে। সেই সকলৰ কাৰণে ব্যৱস্থা কৰিব লাগে আৰু আমাৰ মানুহখিনিৰ মনৰ পৰা ভয়ৰ ভাব আতৰোৱাৰ ব্যৱস্থা কৰিব লাগে আৰু সম্পুৰ্ণ নিৰাপত্তা দিব লাগে। অপপ্ৰচাৰ যাতে সীমান্তত নহয় তাৰ ব্যবস্থা লব লাগে। ইয়াকে কৈ মোৰ বক্তব্যৰ সমৰণি মাৰিলো।

* শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— মাননীয় অধ্যক্ষ মহোদয়, এই বিনিয়োজন বিলৰ ওপৰত দুষাৰ কথা কব খুজিছো। বিশেষকৈ এই শিক্ষা বিভাগটোৱেই হৈছে জনসাধাৰণৰ গলত আটাইতকৈ বেছি সম্পৰ্কে থকা বিভাগ। সেই কাৰণে এই বিভাগটোৰ কাম কাজ যাতে ঠিক মতে চলে সেইটোৰ প্ৰতি লক্ষ্য ৰাখিব পাৰিলেহে জনসাধাৰণ প্ৰকৃতপক্ষে উপকৃত হব বুলি আশা কৰিব পাৰি। শিক্ষা বিভাগৰ ওপৰত আগতে যি বিলাক কথা কংগ্ৰেছ চৰকাৰৰ দিনত কৈ থকা হৈছিল তেতিয়াও বস্তু বাহানি সাধাৰণ এটাকে আনিবলৈ খিলঙলৈ দৌৰ দিব লগীয়া অৱস্থা আছিল আৰু এতিয়াও কাহিলিপাৰতে অফিচ হোৱাৰ পিচত যি কোনো সাধাৰণ বস্তু এটা পাবলৈ হলেও কাহিলিপাৰলৈ আহিব লগীয়া অৱস্থা হয়েই আছে। কাহিলিপাৰাত আকৌ চাৰে দহ বজাত আহিলে কোনো মানুহ পোৱা নাযায়। এঘাৰ বজাতহে তাত অফিচত মানুহ পোৱা যায়। এইটো শিক্ষা বিভাগৰ ক্ষেত্ৰত এটা সাংঘাটিক কাণ্ড ঘটি আছে। ইয়াত কম্প্ৰটলাৰ জেনেৰেলৰ ৰিপোৰ্টত শিক্ষা বিভাগৰ সাংঘাটিক

* Speech not corrected

কাণ্ডৰ বিষয়ে উল্লেখ কৰিছে। যদি এনে ঘটনা শিক্ষা বিভাগতেই ঘটি থাকে আৰু তাৰ ওপৰত কোনো ব্যৱস্থা লোৱা নহয় তেতিয়া-হলে আন আন বিভাগৰ ক্ষেত্ৰত কি আশা কৰিব পাৰি? এইটো ৰিমাৰ্ক শিক্ষা বিভাগৰ ওপৰত লিখিছে শদিয়া চৰকাৰী হাই-স্কুলৰ ক্ষেত্ৰত—

The pay and allowances Rs. 0. 20 lakh of the teachers of the Sadiya Govt. Primary School for Septr. 1976 were shown to have been disbursed on 28th September, 1976 in the cash book of the Deputy Inspector of School, Tinsukia. This amount was actually handed over to a Sub-Inspector of Schools on 28th Septr. 1976 for disbursement at Sadiya as per local arrangements which were, however, not authorised by the department or the Govt. The Sub-Inspector of Schools registered a case with the police at Sadiya on the same day stated that his bag containing about twelve thousand rupees and other official records were stolen from his residence at Sadia. Further developments were awaited. No depart.-mental enquiry had been initiated in the matter, as required under rules. The Deputy Inspector of Schools, Tinsukia asked the Sub-Inspector in April, 1977 to refund the money and acquittance rolls.

The money had not been refunded."

চাৰ, এইবোৰ কাণ্ড ঘটি আছে। আমাৰ মাননীয় সদস্য চহৰীয়া ডাঙৰীয়াই কোৱাৰ দৰে বৃত্তিৰ টকা পোনপোটিয়া ভাবে দিয়াৰ ব্যৱস্থা কৰাৰ পিচত লেচ কেচ ৰেজিষ্টাৰ হয়। এইটো কেনেকৈ চেক কৰিব পাৰি তাৰ ব্যৱস্থা কৰিব লাগে। প্ৰাইমাৰী শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল যদিও আচলতে কাৰ্য্য ক্ষেত্ৰত একো গুৰুত্ব দিয়া হোৱা নাই। অসমত যিবোৰ মহকুমা পৰ্য্যায়ৰ বোড গঠন কৰি দিয়া হৈছিল সেই বোৰ্ডৰ সভাপতিসকলক দিছপুৰলৈ মাতি আনি এখন মিটিং পতা হৈছিল। তাত শিক্ষামন্ত্ৰীও উপস্থিত আছিল, ডেপুটি চেক্ৰেটাৰীও উপস্থিত আছিল। তাত যিবোৰ সিদ্ধান্ত লোৱা হৈছিল সেই বিলাকৰ এটাও আজিৰ তাৰিখ পৰ্য্যন্ত কাৰ্য্যকৰী কৰা নহল। সেইকাৰণে অসমৰ কোনো ঠাইতে যোৱা কেইবছৰে এজনো শিক্ষকক নিয়োগ কৰিব পৰা হোৱা নাই। এখন স্কুলো লব পৰা হোৱা নাই, এটা ঘৰটো পইচা দিব পৰা হোৱা নাই। ২০ লাখ টকা ধৰা হৈছে। এই টকা কেনেকৈ দিয়া হব তাৰো মই মিলা-মেলা কথা কম। কাৰণ ৩১ মাৰ্চৰ আগতে ৰাতি ১২। ১টা বজাত বেংকৰ পৰা পইচা লোৱা হয়। তাৰ প্ৰসঙ্গক্ৰমে কওঁ শিক্ষা বিভাগৰ এজন অফিচাৰ বিষয়া নিলম্বিত হৈ আছে। তেনেকুৱা এটা ব্যৱস্থা চলিযেই আছে। চাৰ, মাননীয় সদস্য কেইবাজনেও সদনত জলসিঞ্চন বিভাগৰ কথা কৈছে। এইটো অতি গুৰুত্বপুৰ্ণ বিভাগ। আৰু আটাইতকৈ স্মুচনীয় ভাৱে ব্যৰ্থ হোৱা বিভাগ। লাখ লাখ টকা খৰচ হৈ আছে। নলা এটা গৈছে কৰবাত, কৰবাত দিপ টুউবিয়েল কৰিছে কিন্তু পানী

নোলায়। পানী খৰালি কালত লাগে, কিন্তু ওলায় বাৰিষাহে। এই জলসিঞ্চন বিভাগক যি টকা দিছে, বিলত যি পইচা দিছে, বিল খনৰ নাম হল এপ্ৰপিয়েচন বিল। অৰ্থাৎ সঠিকৈকে খৰচ কৰিব লাগে। কিন্তু ই এটা মিচ্ এপ্ৰপিয়েচন বিলহে হৈছে। দুজন বিষয়াৰ বিৰুদ্ধে দলিল পত্ৰ দি অভিযোগ কৰা হৈছে। আৰু কি কথা কোৱা হৈছিল, যে বজাৰৰ দৰ কোনো এটা বস্তুত ৪০০ টকা হৈছিল। পাৰচেচ বৰ্ডৰ কোনো হুকুম নোলোৱাকৈ চিফ ইনজিজিয়াৰ আৰু এদিচনেল চিফ ইঞ্জিনিয়াৰে ( জন থি ) ৬০ লাখ টকাৰ বস্তু কিনিছিল। আৰু এই সম্বন্ধে মন্ত্ৰী ডাঙৰীয়াই মোলৈ চিঠি দিছিল।

"Dear Shri, Goswami, I am in receipt of your note dated 5th May, 1978 wherein you referred to the allegation brought by you in the floor of the House in respect of certain malafide transaction done at the instance of the officials of Irrigation Deptt.

The matter is being enqulted into as soon as it came to our notice and it is going to be discussed in the floor of the House under Rule 30 and accordingly you will have full opportunity of knowing the result of the enquiry as instituted. I assure you that the present administration will not shield the mis-deeds of any delinquent officials.

With regards, Yours sincerely, A. F. Golam Osmani':

চাৰ, এই চিঠি পালো। কিন্তু আজি এই অনুসন্ধান কৰি কি হল একো নেজানিলো। বাতৰি কাকতত দেখিছো এজন চিফ ইঞ্জিনিয়াৰক নিলম্বিত কৰা হৈছে। তেওঁ কলিকতাত হাই কৰ্টত কেচ খেলি দৰমহা খাই আৰামত চকী পাৰি বহি আছে। এই-জন বিষয়াৰ বিৰুদ্ধে প্ৰাইম ভেচি কেচ আৰু কৃষ্টিকৰাপচন কেচ স্পষ্ট আছিল। কিন্তু ডিপাটমেন্টৰ মুৰব্বীয়ে কৈছে এওঁ ওপৰত কেচ কৰি একো লাভ নহব। গতিকে এই বিষয়ে তদন্ত কৰা নাই। এইদৰে কেনেকৈ বিভাগ বিলাক চলিবলৈ দিয়া হৈছে। মাননীয় সদস্য কিৰণ বেজবৰুৱাদেৱে কৈছিল যে ৰাইজৰ ধন ৰাজভৰালৰ ধন আত্মসাত্ কৰিলে তাক ক্ষমা কৰা নহব। ঠিক তেনেকৈ আকৈ নিয়োগৰ ক্ষেত্ৰত কি কৰিছিলে চাওঁক যোৱা ৬ মাহৰ ভিতৰত কোনো এডভাৰটাইজমেন্ট নোহোৱাকৈ নিয়োগ বিনিময় কেন্দ্ৰত নাম ভৰ্ত্তি নকৰাকৈ কিমান লৰাক নিযুক্তি দিয়া হৈছে সেইটো ওলাই পৰিব। এই হিচাব দিলে এইটো দেখ দেখকৈ প্ৰমান হব অসমৰ আশা-আকাংখা আৰু অসমৰ যুৱকক কেনেকৈ বঞ্চিত কৰা হৈছে। কেনেকৈ অসমক অন্যায় কৰা হৈছে বাহিৰা মানুহ আনি। অথচ এই জনতা চৰকাৰেই নিৰ্ব্বচনত প্ৰতিশ্ৰুতি-বদ্ধ হৈছিল। এনেকুৱা যদি প্ৰশাষনত চলি থাকে আমি কি আশা কৰিব পাৰো। উপাধক্ষ্য মহোদয় প্ৰায় ৩ কোটি টকাতকৈ বেচি কলিয়া ভোমোৰা উত্তোলন জলসিঞ্চন আঁচনিত ১৯৬৯ চনতে আৰম্ভ কৰা হৈছিল। ২৬ হেজাৰ বিঘা খেতিৰ মাটি নলা নদী খান্দি নষ্ট কৰা হৈছে। আজিও সেই মানুহ বোৰে ক্ষতিপূৰণ পোৱা নাই। কলিয়াবৰ অঞ্চলত মাটিৰ মূল্য হল ২ হাজাৰ টকাতকৈ

বেচি। কিন্তু তাত মাত্ৰ ৯ শ টকাকৈহে দিছে আৰু সেই ৯ শ টকা আনিবলৈ ৩২ মাইল দূৰলৈ মানুহে ৩২ বাৰ আহিব লগীয়া হয় আৰু একো নেপায়। তাৰ পিচত কলিয়াবৰৰ হাতীমূৰাত মাষ্টাৰ ৰুলাৰ কাম খুলিছিল। তাত যথেষ্ট সংখ্যক শিক্ষিত আৰু অশিক্ষিত নিবনুৱা ডেকা লৰা আছিল। তাত মেটেকা উঠাবলৈ এজন কনটেকটৰক ১ লাখ ৭৫ হেজাৰ টকাৰ ঠিকা দিয়া হৈছিহ। অথচ বিত্ত মন্ত্ৰী মহোদয়ে আমাৰ নিবনুৱা ডেকাক বাজেট বক্তৃতাত কাম কৰিবলৈ আহৱান জনাইছে। কিন্তু আমাৰ নিবনুৱা ডেকা লৰাই কৰ পৰা পইচা দিব। সেইকাৰণেই ইমান বেচি পৰিমাণৰ টকা মাত্ৰ মেটেকা তুলিবলৈ এজন ঠিকাদাৰক দিয়া হৈছিল। এওঁ এজন বিখ্যাত ব্যৱসায়ী আছিল। মই ইয়াৰ বিৰোধিতা কৰিছিলো তেতিয়াহে যেতিবা এজনৰ ঠাইত পাচটা গ্ৰোপ কৰি দিয়া হল। তাত এনেকুৱাও চলিছে যে তাত আমাৰ বহুতো শিক্ষিত লৰাই মাষ্টাৰ ৰুলৰ কাম কৰিছে। তেওঁলোকক চহি কৰিবলৈ নিদিয়ে, টিপ চহী হে মাৰিবলৈ দিয়ে। আৰু কয় চহী কৰিবলৈ আহিছা তেন্তে মাষ্টাৰ ৰুলৰ কাম কৰিবলৈ কিয় আহিছে। ইয়াৰ কাৰণ হল ইমান টকা প্ৰে-মেন্ট কৰা হৈছে সেই বিষয়ে যাতে গম পোৱা নেযায়। এনেবিলাক গন্দগোল তাত চলি আছে। গতিকে এই বিভাগে ৰাজহুৱা ধন আত্মসাৎ কৰি থাকে কেনেকৈ হব। আমি ৰাজহৰ ধন খৰচ কৰিবলৈ যাওঁত তাৰ প্ৰতি প্ৰোয়েখ ভাল ধৰণে খৰচ কৰিব লাগে। মাহাত্মা গান্ধীৰ নামত আমি শপত গ্ৰহন কৰিছো যে যি ৰাজহ ধন অপচয় কৰে, ৰাজহ ধন অপব্যয় কৰে সি কেতিয়াও ৰাইজৰ নেতৃত্ব লব নেপায়। এই কথা মই সকলো মন্ত্ৰীকে অনুৰোধ কৰিছো।

উপাধ্যক্ষ মহোদয়, ধন খৰছ কৰাটো সহজ কিন্তু উপাৰ্জ্জন কৰাটো বৰ কষ্টকৰ। এই কষ্টোপাৰ্জিত ধন যাতে ভাল কামত খৰচ কৰিব পাৰি তালৈ লক্ষ্য ৰখা উচিত। অতি কষ্টেৰে উপাৰ্জন কৰা ধনৰ কেই পইছা কেনেকুৱা ভাল কামত খৰছ কৰিব পাৰি আৰু কেনেকৈ খৰছ কৰিব পাৰি তালৈ সদায় মন কৰিব লাগে। আনে উপাৰ্জন কৰা টকাৰে আমি ঘৰতে বহি বিলাতৰ পৰা কেমেৰা আনিব পাৰোঁ, বা অন্যান্য লাহ-বিলাসত খৰছ কৰিব পাৰোঁ, কিন্তু খৰছ কৰিবৰ বেলিকা ভাবি চোৱা উচিত যে এই টকা ক'ৰ পৰা কেনেকৈ আহিছে। সেয়েহে মই কব খুজিছোঁ যে অন্যান্য ৰাজহুৱা শিতানত যেনেকৈ টকা খৰছ কৰাটো দেখুওৱা হৈছে আচলতে তেনেকৈ খৰচ হোৱা নাই। আমাৰ ৰাহি হোৱা টকাটো হৈছে কৰ্ম্মচাৰী শ্ৰমিক আদিৰ দেহৰ শক্তিৰ পৰা উৎপন্ন হোৱা পইছা। এই কেইটা পইছা যেনে-কুৱা ভাল কামত খৰছ কৰিব লাগিছিল তেনে কোনো ভাল কামত খটোৱা হোৱা নাই। ইয়াত দুৰ্নীতি নিশ্চয় আছে আৰু এই দুৰ্নী-তিক বাধা দিয়াৰ কাৰণে মাত মাতিবৰ অধিকাৰ ৰাইজৰ আছে। সেয়েহে চৰকাৰে ইয়াৰ ব্যৱস্থা নিশ্চয় লব লাগে বুলি মই মোৰ মন্তব্য এই সন্মানিত সদনৰ যোগেদি চৰকাৰৰ ওচৰত দাঙি ধৰিলোঁ।

* মঃ ইব্ৰাহীম আলি :— মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাৰ শিতানত যি ধৰা হৈছে আমাৰ ৰাজ্যৰ প্ৰতিজন দায়িত্বশীল নাগৰিকে চৰকাৰক চালি জাৰি চাবলৈ চেষ্টা কৰিব।

এতিয়া মোৰ প্ৰশ্ন হৈছে যোৱা বছৰত এই বিষয়ত চৰ-কাৰে যিটো পাৰফমেন্স দেখুৱালে তাত এটা স্থবিৰ অৱস্থাই বিৰাজ

* Speech not corrected

কৰিছে। প্ৰাথমিক শিক্ষাৰ শিতানত শিক্ষক সকলক উপৰঞ্চি টকা দিৰলৈ দাবী কৰা হৈছিল। চৰকাৰৰ প্ৰতিশ্ৰুতি আছিল দুহেজাৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকক উপৰঞ্চি টকা দিয়া হ'ব বুলি। দিয়া হলে আমাৰ আপত্তিৰ কোনো থল নাথাকিল হেতেন। কিন্তু প্ৰতিশ্ৰুতি দিয়া মতে কাম নহ'ল।

উপাধ্যক্ষ মহোদয়, মই গ্ৰান্টচৰ সম্পৰ্কে কিছু কথা কব খুজিছোঁ। কিছুমান অনুষ্ঠানলৈ এই গ্ৰান্টচ্ দিয়া হৈছিল। কিন্তু সেই গ্ৰান্টচৰ টকা প্ৰকৃত কামত লগোৱা হ'ল নে নাই আমাৰ সেইটো বিচাৰ্য্যৰ বিষয়। Govt. have sanctioned Rs. 3.50 lakhs as grants to Sports Council of Assam for development of sports and games in 1976-77. এই গ্ৰান্টচ খিনি কেনেকৈ খৰছ কৰিছে? ইয়াৰ ফল স্বৰূপে As regards the development of sports grants have been received by the Deptt. কিন্তু টকাবোৰ কি কৰিলে? The amount as drawn by the Director of Public Instruction on 31st March, 1979 and kept in the deposit of the State Bank of Iudia.

উপধ্যক্ষ মহোদয়, ১৯৭৭ চনতে যিবোৰ গ্ৰান্টচ দিয়া হৈছিল, আজিলৈকে কেনেকৈ খৰছ কৰা হৈছে তাৰ কোনো হিচাৰ নাই। (ভইচঃ—সেইটো আগৰ চৰকাৰৰ দিনত হোৱা কথা) আগৰ চৰকাৰেই হওক বা পিছৰ চৰকাৰৰ দিনতেই হওক যিহেতু বিষয়টো বিধান সভাৰ সদনলৈ আহিছে আমি তাক চালি জাৰি চাবই লাগিব। এই টকাখিনি ব্যৱহাৰৰ সম্পৰ্কে যি সকলে এমেন্দমেণ্ট উত্থাপন কৰিছে For non-utili-sation of gramts

a test check. যিহেতু আমাৰ ৰাজ্যৰ দৰিদ্ৰ মানুহখিনিৰ হাতৰ পৰা এই টকাখিনি আহিছে, সেয়েহে আমাৰ চৰকাৰে যাতে সুস্থ ভাবে বিবেচনা কৰে তাৰ কাৰণে লক্ষ্য ৰাখিব লাগিব। আমাৰ অসমৰ ভিতৰত গোৱালপাৰাত সৈনিক স্কুল এখন আছে। এই স্কুল খনৰ কাৰণে বছৰি যি গ্ৰাণ্ট দিয়া হৈছে আমাৰ দেশৰ অন্যান্য ৰাজ্যৰ তুলনাত এই গ্ৰাণ্ট একেবাৰে কম হৈছে। এই সৈনিক স্কুললৈ ল'ৰাবোৰক মেৰিট ভিত্তিত বাচনি কৰি পঠোৱা হয়। ৰাজ্যৰ বহুতো অঞ্চলৰ ল'ৰাই চৰকাৰৰ জলপানীৰ ওচৰত নিৰ্ভৰ কৰিয়েই এই স্কুলত পঢ়িবলৈ যায়। কিন্তু অলপতে এই স্কুলত পঢ়া ল'ৰাৰ কেইজনমান গাৰ্জেনে অভিযোগ কৰিছে যে তেওঁলোকে হেনো বছৰত এহেজাৰকৈ চৰকাৰী জলপানীৰ উপৰিও বেছি টকা দিব লাগিব, নহলে ল'ৰা বিলাকক এই স্কুলৰ পৰা ঘূৰাই পঠোৱা হব। গতিকে চৰকাৰে এই বিষয়টোৰ প্ৰতি লক্ষ্য কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, এইখিনিতে আৰু এটা কথাৰ প্ৰতি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। সেইটো হৈছে অলপতে এখন কলেজৰ এজন অধ্যাপক, নাম জে, আহমেদ আৰু তেখেতৰ পত্নীক চাকৰীত জইন কৰিবলৈ দিয়া নহ'ল। তেওঁলোকৰ বিৰুদ্ধে অভিযোগ হ'ল তেওঁলোকে ইনুটাৰ কাষ্ট মেৰেজ কৰিছে। দুয়োজন এম, এচচি আছিল। প্ৰকৃততে চৰকাৰৰ আইনত তেনে লোকক সুবিধা দিয়াৰ এক বিশেষ আইন থকাৰ স্বত্তেও চৰকাৰী আইনক উলংঘা কৰি তেওঁলোকক সেই সুবিধাৰ পৰা বঞ্চিত কৰা হৈছে।

* শ্ৰীবিপিন হাজৰীকা :— মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ এটা বিশেষ কথা কব লগীয়া আছে। কথাটো হৈছে আমাৰ চিলিং এক্টৰ মতে যিবিলাক উদ্বত্ত মাটি আছে সেই মাটিত কিছুমান মানুহে ঘৰ-বাৰী কৰি আছে মাটিহীন বুলি মিছা চাৰ্টিফিকেট দেখুৱাইছে। গতিকে এই চাৰ্টিফিকেট বিলাক পৰীক্ষা নকৰাকৈ যাতে এই মানুহ বিলাকক মাটিৰ ৰেজিষ্ট্ৰেচন কৰা নহয়, তালৈ চৰকাৰে চকু ৰাখিব লাগে। তাৰোপৰি প্লেণ্টেচন লেবাৰ এক্টৰ মতে যি বিলাক মাটি চাহ বাগানৰ মালিক সকলে অধিগ্ৰহণ কৰি আছে, সেই মাটি খিনিত অন্যান্য সাধাৰণ খেতি কৰাতকৈ বাগিচাৰ বনুৱা সকলৰ কাৰণে প্ৰাথমিক স্কুল আদি যদি পাতি দিয়া হয়, তেনে-হলে বাগিচাৰ পিচপৰা বনুৱা ল'ৰা-ছোৱালাক শিক্ষাৰ ক্ষেত্ৰত আগবঢ়াই নিয়াৰ লগতে এই স্কুলত শিক্ষকৰ নিয়োগ কাৰ্য্যত লগাব পৰা হ'ব আৰু দ্বাৰা প্ৰায় ৬০ হেজাৰ মান শিক্ষকক নিয়োগৰ কাৰণে স্ক'প পাব পাৰিম। গতিকে মই এই বিষয়টোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

* শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, এপ্ৰপিয়েচন বিলৰ সন্দৰ্ভত মাণনীয় সদস্য সকলে চৰকাৰৰ প্ৰতি যিখিনি পৰামৰ্শ আগবঢ়াইছে তাৰ প্ৰতি মই ধন্যবাদ জনাইছো। শিক্ষাৰ ক্ষেত্ৰত যিবিলাক পৰামৰ্শ আগবঢ়াইছে সেই মতেই নিশ্চয় কাম কৰা হ'ব। এইখিনিতে মই দুআষাৰ কব খুজিছো শিক্ষক সকলৰ দৰমহা দিয়াৰ সম্বন্ধে। মই ভাবো শিক্ষকক দৰমহা চেকৰ যোগে-দিয়েই দিয়া হব আৰু তেতিয়া হলে আগেয়ে এই ক্ষেত্ৰত যি

* Speech not corrected

বেমেজালি আছিল, সেইবোৰ নাইকিয়া হ'ব আৰু অভিযোগ বোৰ ও নাইকিয়া হ'ব। ছাত্ৰৰ স্কলাৰশ্বিপৰ ক্ষেত্ৰতো আমাৰ শিক্ষা মন্ত্ৰী সদস্য সকলক এই সদনত জনাইছে যে বেংকৰ যোগেদি স্কলাৰশ্বিপ দিয়াৰ ব্যৱস্থা কৰা হ'ব আৰু আগতে কলেজ স্কুলৰ প্ৰিন্সিপাল বা হেডমাষ্টৰৰ যোগেদি দিয়াত যি অভিজোগ আছিল বা মাননীয় সদস্য সকলে যি সন্দেহ প্ৰকাশ কৰিছে তাক নাইকিয়া কথা হব আৰু এই বিষয়ে বেংকৰ বিষয়া সকলৰ লগত আলোচনা কৰা হৈছে। মাননীয় সদস্য সকলে এই ক্ষেত্ৰত যি পৰামৰ্শ আগবঢ়াইছে সেই পৰামৰ্শ আমি নিশ্চয় মানিম।

স্কুলৰ কলচৰ বিষয়ে যিখিনি কৈছে সেইটো সচা। স্কুলৰ ক্লাচ ফ্ৰেম কৰোতে দেৰী হৈছে, অৱশ্যে এই কলচ বিলাক ফ্ৰেম কৰিব পাৰিলেই এই অসুবিধা বিলাক দুৰ হব বুলি আশা কৰিছো। জলসিঞ্চন আৰু কৃষিৰ বিষয়ে কেইবাগৰাকী মাননীয় সদস্যাই কৈ গৈছে যে ইয়াত এটা সমন্বয় থাকিব লাগে, সেইটো সচাঁ। নহলে কৃষিৰ ক্ষেত্ৰত বাধাপ্ৰাপ্ত হয়। জলসিঞ্চন বিভাগৰ বিষয়ে মাননীয় সদস্য শ্ৰীগোস্বামী ডাঙৰীয়াই কেইটামান কথা কৈছিল। আমি এই বিষয়ে তেখেতক জনাবলৈ পাই সুখী হৈছোঁ যে আমি সেই বিষয়ে অনুসন্ধান কৰিছিলো আৰু ইতিমধ্যে ৰিপোৰ্ট পাইছিলো আৰু চৰকাৰৰ ফালৰ পৰা যি ব্যয় লবনে লোৱা হৈছিল। ইতিমধ্যে তাৰ বিষয়া এজনক বাৰ্খাস্ত কৰা হৈছে। কিন্তু তেওঁ কটৰ সহায় লোৱাত কৰ্টে তেওঁক ষ্ট্ৰে অৰ্ডাৰ দিছে। সেই ষ্ট্ৰে অৰ্ডাৰৰ বিৰুদ্ধে আমি ইতিমধ্যে চুপ্ৰীম কৰ্টলৈ যাবলৈ প্ৰস্তুত হৈছো। বৰ্ত্তমান কেচটো চলায়েই আছে। কেচটোৰ বিভাগীয় প্ৰচিডিংচ চলিয়েই আছে। বিভাগীয় প্ৰচিডিংচত দোষী সাব্যস্ত

হলে উপযুক্ত শাস্তিৰ ব্যৱস্থা কৰা কৰা হব। যি সকল দুৰ্নীতি পৰায়ন বিষয়া আছে আৰু তেওঁলোকৰ বিৰুদ্ধে যি বিলাক অভিযোগ আহিছে সেইবিলাক পুংখানুপুংখ ভাৱে বিচাৰ কৰি যদি দোষী সাব্যস্ত কৰিব পৰা হয় তেন্তে তেওঁলোকক উপযুক্ত শাস্তি বিহিবলৈ আমাৰ চৰকাৰে কুণ্ঠা বোধ নকৰিব। আমাৰ গড়কাপ্তানী বিভাগৰ বিষয়ে মাননীয় সদস্য শ্ৰীচহৰীয়াই ডাঙৰীয়াই শুক্লাই দলংৰ ঠিকাদাৰ এজনৰ বিষয়ে উল্লেখ কৰিছে। সেই বিষয়ে মই সদস্য গৰাকীক জনাবলৈ পাই সুখী হৈছো যে সেই ঠিকাদাৰ জনৰ ঠিকাৰ অনুমতি পত্ৰ বাতিল কৰা হৈছে। আৰু সেই চিমেণ্ট খিনিও উদ্ধাৰ কৰা হৈছে। লগতে তেখেতৰ বিৰুদ্ধে পেনেল একমতে ব্যৱস্থা লোৱা হব।

আমাৰ মাননীয় সদস্য শ্ৰীইব্ৰাহিম আলি ডাঙৰীয়াই স্পৰ্টচ কাউন্সিলৰ বিষয়ে কেইটামান কথা কৈছে। মই এই কথাত সদনক আস্বাস দিব পাৰো যে ইতিমধ্যে এই বিষয়টো চৰকাৰ ফালৰ পৰা চিহিত ব্যৱস্থা লবলৈ চিন্তা কৰা হৈছে। আপোনালোকে খবৰ কাগজত পঢ়িছে এই অডিট অৱজেকচন সম্পৰ্কে ১৯৬৬-৬৭ চনৰ বিষয়ে। আমি ইতিমধ্যে এটা ডিভিজনেল এাউণ্টেণ্ট নিযুক্তি দিব খুজিছো (বিও বিভাগৰ তৰফৰ পৰা) আৰু তেওঁ সেইবিলাক চাই চিতী আমালৈ যি পৰামৰ্শ আগবঢ়াব সেই মতেই আমি ব্যৱস্থা লম ভৱিষ্যতে যাতে বেছি ভুল নহয় তাৰ বাবে এই ব্যৱস্থা ৰখা হৈছে। পশুপালন আৰু বন বিভাগৰ সম্বন্ধে বহুতো সদস্যই পৰামৰ্শ আগবঢ়াছে। আমাৰ মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়াই কৈছে যে চৰকাৰে মহৰ বিষয়ে চিন্তা কৰা নাই গৰুৰ কথাহে চিন্তা কৰিছে। মই তেখেতক জনাবলৈ পায় সুখী হৈছো যে আমি

ইতিমধ্যে মহৰো ব্যৱস্থা কৰিছো আৰু গুৱাহাটীৰ পৰা মহ কিনিবলৈ আমি মানুহ পঠিওৱা ব্যৱস্থা কৰি আছো। খোৱা কুকুৰা নে নোখোৱা কুকুৰা কথাটো স্পষ্ট নহল। এই বিষয়ে আমি আমাৰ মন্ত্রী মহোদয়ক জনাইছো আৰু তেখেতে তাৰ উপযুক্ত ব্যৱস্থা লব বুলি আশা কৰিছো। আমাৰ মাননীয় সদস্য শ্রীহুদা ডাঙৰীয়াই যি উদ্বেগ প্রকাশ কৰিছে তাৰ বিষয়ে চৰকাৰে গভীৰ ভাৱে চিন্তা কৰিব আৰু বন যাতে ৰক্ষা কৰাৰ ব্যৱস্থা চৰকাৰে কৰিব। এইখিনি কৈ এই এপ্রপ্রিয়েচন বিলত যি সকল সদস্যই তেওঁলোকৰ বহুমূলীয়া পৰামৰ্শ আগবঢ়ালে তেখেত সকলক মই ধন্যবাদ জনাই এই বিলখন গ্রহন কৰিবলৈ অনুৰোধ জনালোঁ।

Mr. Speaker :— The question is that the Assam Appropriation (No. I) Bill 1979 be taken into consideration.

(After a pause the motion is carried)

Now clause by clame concideration. Now I put clause 2, 3 and Schedule of the bill which do from part of the bill

Clause 2, 3 and Schedule from part of the Bill.

Now I put clause I, preamble, enacting formula and short title of the Bill. Clause I, preamble, enacting fomula and short title of Bill do form part of the Bill

Clause I, preamble, enacting formula and short title form part of the bill.

Now Item 4 (d)— Shri Keshab Chandra Gogoi.

Shri Keshab Chandra Gogoi (Minister) :— Sir, I beg to move that the Assam Appropriation (No. I) Bill, 1979 be passed.

Mr. Speaker :— The motion is that the Assam Appropriation ( No. 1 ) Bill, 1979 be passed.

The bill is passed.

Now the House stands adjourned till 10 a.m tomorrow the 7th March, 1979.

## ADJOURNMENT

The House then rose at 6·46 P. M. and stood adjourned till 10 A. M. on Wednesday, the 7th March, 1979.

DISPUR :
The 6th March, 1979

P. D. Barua
Secretary,
Assam Legislative Assembly